# দ্বিতীয় অধ্যায়
## অসমীয়া চুটিগল্প আৰু লক্ষ্মীনাথ বেজবৰুৱা

### ২.১ ভূমিকা ঃ

অসমীয়া সাহিত্যত চুটিগল্পৰ জন্ম হয় ঊনবিংশ শতিকাৰ শেষ ভাগত। অসমীয়া সমাজত গল্প কথনৰ পৰম্পৰা অতি প্ৰাচীন। অসমীয়া সমাজত প্ৰাচীন কালত সাধুকথা কোৱা ৰীতিৰ প্ৰচলন আছিল। *অৰুণোদয় যুগত অৰুণোদয়* কাকতত শিশু উপযোগীকৈ ভালেমান বাইবেলৰ সাধু প্ৰকাশ হৈছিল। কিন্তু প্ৰথম আধুনিক চুটিগল্পৰ জন্ম হয় ১৮৯২ চনত *জোনাকী যুগত*।

লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জন্মদাতা। কলিকতাৰ পৰা প্ৰকাশ পোৱা *জোনাকী* (১৮৮৯) আলোচনীৰ পাতত লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া চুটিগল্পৰ জন্ম দিয়ে। *জোনাকীৰ চতুৰ্থ বছৰৰ চতুৰ্থ সংখ্যাত বেজবৰুৱাৰ প্ৰথম চুটিগল্প সেউতী প্ৰকাশ পায়।*[১] বেজবৰুৱাৰ হাতত জন্ম লাভ কৰা অসমীয়া চুটিগল্পই *আৱাহন* আৰু *ৰামধেনু* যুগ পাৰ হৈ সাম্প্ৰতিক যুগত ভৰি দি ভাৰতীয় আধুনিক সাহিত্যৰ এটা জনপ্ৰিয় বিধা ৰূপে এক সন্মানজনক স্থানত উপনীত হৈছেহি।

### ২.২ লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্প ঃ

লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকী*তে গল্প লিখিবলৈ আৰম্ভ কৰে যদিও পিছত *বাঁহী* (১৯০৯) তহে বেজবৰুৱাৰ সৰহভাগ গল্প প্ৰকাশ পায়। বেজবৰুৱাই মুঠ ৬৭টা চুটিগল্প ৰচনা কৰে। অৱশ্যে তেওঁৰ সকলো গল্পতে আধুনিক চুটিগল্পৰ আটাইবোৰ লক্ষণ বিচাৰি পোৱা নাযায়। বেজবৰুৱাই চুটিগল্প ৰচনাত হাত দিয়াৰ আগতে অসমৰ প্ৰাচীন মৌখিক সাধুকথা বা লোককথা সংগ্ৰহ আৰু পুনৰ লিখন কৰি প্ৰকাশ কৰিছিল। সেইবাবেই হয়তো

বেজবৰুৱাৰ চুটিগল্পৰ ওপৰত সাধুকথাৰ চাপ পৰিছিল। *হয়তো 'বুঢ়ী আইৰ সাধু'ৰ দৰে সাধুবোৰে বেজবৰুৱাৰ কল্পনাক এনেকৈ মুগ্ধ কৰি ৰাখিছিল যে তাৰ ইন্দ্ৰজালৰ পৰা তেওঁ সহজে মুকলি হ'ব নোৱাৰিছিল। ধৰাবন্ধা গতৰ বাস্তৱবাদী গল্প লিখাও হয়তো তেওঁৰ বাবে আমনিদায়ক আছিল। মাজে মাজে ইচ্ছা কৰিয়েই বাঘজৰী ঢিলাই দিছিল।*[২] চুটিগল্প পাশ্চাত্য সাহিত্যৰ অৱদান। অৰ্থাৎ ইউৰোপীয় সাহিত্য অধ্যয়নৰ ফলস্বৰূপে ভাৰতীয় সাহিত্যত চুটিগল্পৰ উদ্ভৱ হয়। কিন্তু বেজবৰুৱাই চুটিগল্প ৰচনা কৰোতে ইউৰোপীয় সাহিত্যকো অনুকৰণ কৰা নাই আৰু তেওঁৰ অলপ আগতে বাংলা সাহিত্যত চুটিগল্পৰ জন্ম দিয়া ৰবীন্দ্ৰ নাথকো অনুসৰণ কৰা নাই। *আনকি চুটিগল্প নামটোও বেজবৰুৱাই তেওঁৰ গল্পৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা নাই, গল্প আৰু সাধুকথা নাম দুটাহে ব্যৱহাৰ কৰিছে। চুটিগল্পৰ লক্ষণসমূহৰ লগত যে বেজবৰুৱাৰ পৰিচয় নাছিল সেইটো নহয়। কিন্তু অসমৰ ঐতিহ্যৰ সন্ধান কৰা বেজবৰুৱাই অসমৰ প্ৰাচীন সাধুকথাৰ লগত আধুনিক চুটিগল্পৰ সমন্বয় ঘটাবলৈ বিচাৰিছিল। সেই কাৰণে বেজবৰুৱাৰ বহুতো চুটিগল্প প্ৰাচীন সাধুকথা আৰু আধুনিক চুটিগল্পৰ মাজৰ বস্তু।*[৩] অৱশ্যে তেওঁৰ ভালেমান গল্প আংগিকৰ ফালৰ পৰা আধুনিক চুটিগল্পৰ ওচৰ চপা। *ভদৰী, পাতমুগী, ধোঁৱাখোৱা, ভুৰুকী বৌ, মুক্তি* আদি বেজবৰুৱাৰ উৎকৃষ্ট চুটিগল্প।

**২.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সংকলন ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰকাশিত গল্প সংকলন চাৰিখন।

তেওঁৰ প্ৰথম তিনিখন গল্প সংকলন *সুৰভি, সাধুকথাৰ কুকি* আৰু *জোনবিৰি* তেওঁৰ জীৱনকালতে প্ৰকাশ হয়। চতুৰ্থ সংকলন *কেহোঁকলি* তেওঁৰ মৃত্যুৰ পিছতহে প্ৰকাশ হয়। *১৯৬৮ চনত 'সাহিত্য প্ৰকাশে' প্ৰকাশ কৰা 'বেজবৰুৱা গ্ৰন্থাৱলী'ত 'বাঁহী' আৰু আন আন আলোচনীত সিঁচৰতি হৈ থকা বেজবৰুৱাৰ গল্পসমূহ 'কেহোঁকলি' নামেৰে সংকলিত কৰে।*[৪]

**২.৩.১ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সংকলন কেইখনত সন্নিৱিষ্ট গল্পসমূহ ঃ**

**২.৩.১.১ সুৰভি ঃ** লক্ষ্মীনাথ বেজবৰুৱাৰ *সুৰভিত* মুঠ বাৰটা গল্প অন্তৰ্ভুক্ত হৈছে। সেই কেইটা— *১। গীতা ২। ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ ৩। নিস্তাৰিণী দেৱী বা ফাতেমাবিবি ৪। বাপিৰাম ৫। লম্বোদৰ ডেকা ৬। লাওখোলা ৭। মলক গুইন গুইন ৮। প্ৰথম দৰ্শনত ওপজা প্ৰেম ৯। মিষ্টাৰ ফিপ্সন ১০। ভুৰুকী বৌ ১১। মাধৈমালতী আৰু ১২। জাতিৰামৰ জাত।*

**২.৩.১.২ সাধুকথাৰ কুঁকি ঃ** লক্ষ্মীনাথ বেজবৰুৱাৰ *সাধুকথাৰ কুকিত* ছাব্বিশটা গল্প অন্তৰ্ভুক্ত হৈছে। সংকলনখনত স্থান পোৱা গল্পকেইটা —

*১। আমালৈ নেপাহৰিব ২। স্বৰ্গাৰোহণ ৩। চোৰ ৪। পুত্ৰবান পিতা ৫। জয়ন্তী ৬। ডাক্তৰ বাবুৰ সাধু ৭। ধোঁৱাখোৱা ৮। ভদৰী ৯। শিৱপ্ৰসাদ ১০। ৰতনমুণ্ডা ১১। ভেমপুৰীয়া মৌজাদাৰ ১২। নকওঁ ১৩। কন্যা ১৪। পণ্ডিত মহাশয় ১৫। মালতী ১৬। সেউতী ১৭। ঘৰপতা ককা ১৮। মুলা-খোৱা বুঢ়া ১৯। জলকুঁৱৰী ২০। আমাৰ সংসাৰ ২১। মিলাৰামৰ আত্মজীৱনী ২২। চেনিচম্পা ২৩। কেকো ককা ২৪। আৰ্জি ২৫। আমাৰ কানীয়া সভাৰ এক অধিৱেশন আৰু ২৬। দদায়েক পদো আৰু ভতিজাক ভদো।* বেজবৰুৱাৰ গল্পসমূহৰ ভিতৰত *আমাৰ সংসাৰ* নামৰ দুটা গল্প পোৱা যায়। এই গৱেষণা গ্ৰন্থত *সাধুকথাৰ কুঁকিৰ* অন্তৰ্গত গল্পটো আমাৰ সংসাৰ-১ আৰু *জোনবিৰিৰ* অন্তৰ্গত গল্পটো *আমাৰ সংসাৰ-২* বুলি উল্লেখ কৰা হ'ব।

*সাধুকথাৰ কুঁকিৰ* অন্তৰ্গত *ঘৰ পতা ককা* আৰু *মূলা-খোৱা বুঢ়া* প্ৰকৃততে সাধুকথাৰহে ওচৰ চপা কাৰণ চুটিগল্পৰ বিশিষ্ট লক্ষণসমূহ এই দুটা গল্পত প্ৰকাশ পোৱা নাই। সেয়ে এই সংকলনখনৰ প্ৰকৃত গল্পৰ সংখ্যা চব্বিশটাহে।

**২.৩.১.৩ জোনবিৰি ঃ** লক্ষ্মীনাথ বেজবৰুৱাৰ *জোনবিৰিত* মুঠ যোল্লটা গল্প অন্তৰ্ভুক্ত হৈছে। সেই গল্পকেইটা— *১। আমাৰ সংসাৰ ২। যেনেচোৰ তেনে টাঙোন ৩। কনকলতা ৪। নাঙলুচন্দ্ৰ দাস ৫। জগৰা মণ্ডলৰ প্ৰেমাভিনয় ৬। মৈদাম ৭। মোৰে সৈতে মনাইৰ দ্বন্দ্ব*

*৮। লোভ ৯। কাশীবাসী ১০। ভোমকেৰোলা ১১। ভোকেন্দ্ৰ বৰুৱা ১২। ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা ১৩। ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলা ১৪। এৰাবাৰী ১৫। ঘণ্টাকৰ্ণ শৰ্মা আৰু ১৬। ধৰ্মধ্বজ ফয়চলা নবিচ।*

**২.৩.১.৪ কেহোঁকলি ঃ** লক্ষ্মীনাথ বেজবৰুৱাৰ *কেহোঁকলিত* পোন্ধৰটা গল্প অন্তৰ্ভুক্ত হৈছে। সেইকেইটা— *১। কেহোঁকলি ২। মুক্তি ৩। বিহু ৪। জুৰমন ৰাইদঙীয়া ৫। মাউৰা ৬। ৰচিত ৭। ললিতী কাকতী ৮। পাতমুগী ৯। ছাইমন ১০। দচ্মন্তৰ ১১। বাৰীচোৰা ১২। ভৈৰা ১৩। শ্বন্ ১৪। মাৰ্জ্জাৰী আৰু ১৫। মগনিয়াৰ বুঢ়া।*

**২.৪ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ শ্ৰেণী বিভাজন ঃ**

বিভিন্ন আধাৰত বেজবৰুৱাৰ গল্পসমূহক শ্ৰেণী বিভাজন কৰিব পাৰি। যেনে-

২.৪.১ ৰচনাৰীতি অনুসৰি।

২.৪.২ বিষয়বস্তু অনুসৰি।

**২.৪.১ ৰচনাৰীতি অনুসৰি ঃ**

*ৰচনাৰীতি অনুসৰি লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পসমূহক চাৰিটা প্ৰধান ভাগত ভগাব পাৰি।*[৫]

২.৪.১.১ চৰিত্ৰ প্ৰধান গল্প।

২.৪.১.২ পৰিবেশ প্ৰধান গল্প।

২.৪.১.৩ ঘটনা প্ৰধান গল্প আৰু

২.৪.১.৪ কাৰ্য প্ৰধান গল্প।

**২.৪.১.১ চৰিত্ৰ প্ৰধান গল্প ঃ**

যিবোৰ গল্পত কোনো চৰিত্ৰৰ গুণ-দোষ আদি চাৰিত্ৰিক বৈশিষ্ট্য বিশ্লেষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়, তেনেবোৰ গল্পকে চৰিত্ৰ প্ৰধান গল্প বুলি কোৱা হয়। চৰিত্ৰ

প্ৰধান গল্পত লেখকে কাহিনীৰ প্ৰতি উদাসীনতা অৱলম্বন কৰি কোনো চৰিত্ৰ বিশ্লেষণত অধিক গুৰুত্ব আৰোপ কৰে। এনে গল্পত কোনো এটা চৰিত্ৰক বৰ্ণনা অথবা কাৰ্যকলাপৰ জৰিয়তে পাঠকৰ আগত দাঙি ধৰা হয়। কেতিয়াবা লেখকে চৰিত্ৰটোৰ বিষয়ে নিজৰ মতামত উপযুক্ত ঠাইত অভিব্যক্ত কৰে।

লক্ষ্মীনাথ বেজবৰুৱাৰ কেইবাটাও গল্প চৰিত্ৰ প্ৰধান। এই গল্পবোৰত বেজবৰুৱাই চৰিত্ৰসমূহৰ গুণ-দোষ আদিৰ বিশ্লেষণেৰে কাহিনীভাগ সৃষ্টি কৰি চৰিত্ৰসমূহৰ অন্তৰত থকা প্ৰেম, দয়া, ঘৃণা, অহমিকা, সাহস অথবা কাপুৰুষালী আদি দাঙি ধৰিছে। *বিশেষ পৰিস্থিতি একোটাৰ মাজত চৰিত্ৰক প্ৰস্ফুটিত কৰি তোলাৰ পৰিৱৰ্তে তেওঁ কেইবাটাও চৰিত্ৰক বৰ্ণনাভঙ্গীৰে সমুজ্বল কৰি তোলে।*[৬] *বাপিৰাম, ভেমপুৰীয়া, মৌজাদাৰ, ঘণ্টাকৰ্ণ শৰ্মা, নাঙলুচন্দ্ৰ, মুক্তি, জয়ন্তী, ধোঁৱাখোৱা, ভোকেন্দ্ৰ বৰুৱা, মলক গুইন গুইন, আমাৰ সংসাৰ-১, পাতমুগী* আদি বেজবৰুৱাৰ চৰিত্ৰ প্ৰধান গল্প।

**২.৪.১.২ পৰিবেশ প্ৰধান গল্প ঃ**

যিবোৰ গল্পত কাহিনী বা চৰিত্ৰ কোনোটোৱেই প্ৰাধান্য লাভ নকৰি কোনো অৱস্থা, পৰিবেশ বা পৰিস্থিতিয়েহে প্ৰাধান্য লাভ কৰে, তেনেবোৰ গল্পক পৰিবেশ প্ৰধান গল্প বুলি কোৱা হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ বেছি ভাগ গল্পতে পৰিবেশে চৰিত্ৰৰ ভূমিকা পালন কৰিছে। এই গল্পসমূহত কাহিনী আৰু চৰিত্ৰতকৈ পৰিস্থিতি বা পৰিবেশেহে গুৰুত্ব লাভ কৰিছে। *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ, ভুৰুকী বৌ, আমালৈ নেপাহৰিব, মাধৈমালতী, জগৰা মণ্ডলৰ প্ৰেমাভিনয়, ভদৰী* আদি গল্প এই শ্ৰেণীৰ।

**২.৪.১.৩ ঘটনা প্ৰধান গল্প ঃ**

ঘটনা প্ৰধান গল্পত কোনো এটা ঘটনাক কাহিনীটোৰ কেন্দ্ৰবিন্দু বুলি ধৰা হয়। কাহিনীৰ বিকাশত ঘটনাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। *বেজবৰুৱাৰ সিদ্ধহস্ত বুদ্ধিমত্তা*

*আৰু তীক্ষ্ণ পৰ্যবেক্ষণ শক্তিয়ে সমাজৰ প্ৰতিশ্ৰেণী লোকৰ মাজত সংঘটিত হৈ থকা ঘটনাবিলাকক গল্পৰ কাহিনীৰে ব্যক্ত কৰিছে। 'কনকলতা', 'মালতী', 'পুত্ৰবান পিতা', 'লাওখোলা', 'আমালৈ নেপাহৰিব' আদি গল্পত ঘটনাৰ বিন্যাস সুন্দৰকৈ ঘটিছে।*[৭] *জয়ন্তী, নিস্তাৰিণী দেবী বা ফাতেমা বিবি, কাশীবাসী* আদি গল্পও এই শ্ৰেণীৰ।

**২.৪.১.৪ কাৰ্য প্ৰধান গল্প ঃ**

কাৰ্য প্ৰধান গল্পত কোনো লোকে সংঘটিত কৰা কাৰ্যৰ দ্বাৰা উদ্ভৱ হোৱা ঘটনাৰাজিয়ে গুৰুত্ব লাভ কৰে। বেজবৰুৱাৰ এই শ্ৰেণীৰ গল্পৰ সংখ্যা সৰহ। এই শ্ৰেণীৰ গল্পসমূহত বেজবৰুৱাই সমাজৰ এচাম লোকৰ দ্বাৰা সংঘটিত কাৰ্য কিছুমান নিখুঁত পৰ্যবেক্ষণেৰে দাঙি ধৰিছে। এই কাৰ্যসমূহৰ বৰ্ণনাৰ জৰিয়তে তেওঁ বিমল হাস্য ৰসৰ যোগান ধৰি গল্পসমূহ মনোগ্ৰাহী কৰি তুলিছে। দৰাচলতে সমাজৰ একশ্ৰেণী মানুহৰ চৰিত্ৰত থকা দুৰ্বলতা আৰু আসোঁৱাহবিলাকে সৃষ্টি কৰা কাৰ্যাৱলী তেওঁ অতি সতৰ্কতাৰে তুলি ধৰিছে। *জগৰা মণ্ডলৰ প্ৰেমাভিনয়, যেনে চোৰ তেনে টাঙোন, জুৰমন ৰাইদঙীয়া, স্বৰ্গাৰোহণ, দদায়েক পদো আৰু ভতিজাক ভদো, প্ৰথম দৰ্শনত ওপজা প্ৰেম, ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ* আদি বেজবৰুৱাৰ এই শ্ৰেণীৰ গল্প।

আলোচনাৰ সুবিধাৰ বাবে বেজবৰুৱাৰ গল্পসমূহক ওপৰোক্ত ধৰণেৰে বিভাজন কৰি দেখুওৱা হৈছে যদিও এই বিভাগবোৰ সকলো গল্পতে স্পষ্টকৈ নিৰ্ণয় কৰা টান। কিয়নো *কিছুমান গল্পত একাধিক লক্ষণে প্ৰাধান্য বিস্তাৰ কৰে। অৰ্থাৎ একোটা গল্পই এহাতে যেনেকৈ কাহিনীপ্ৰধান হ'ব পাৰে, আনহাতে তেনেকৈ চৰিত্ৰপ্ৰধান হ'ব পাৰে, নাইবা কাহিনী, চৰিত্ৰ আৰু পৰিবেশ সমান্তৰালভাৱে পৰিবেশিত হ'ব পাৰে।*[৮] বেজবৰুৱাৰ *ভদৰী, পাতমুগী, জয়ন্তী, চোৰ, জগৰা মণ্ডলৰ প্ৰেমাভিনয়* আদি গল্পত একাধিক লক্ষণে প্ৰাধান্য বিস্তাৰ কৰিছে।

**২.৪.২ বিষয়বস্তু অনুসৰি শ্ৰেণীবিভাজন ঃ**

*লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পসমূহক বিষয়বস্তু আৰু কলা-কৌশল অনুসৰি প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি।* [৯]

২.৪.২.১ *সমাজ সংস্কাৰধৰ্মী আৰু হাস্য ৰসাত্মক।*

২.৪.২.২ *ব্যক্তি জীৱন সম্বন্ধীয়।*

**২.৪.২.১ লক্ষ্মীনাথ বেজবৰুৱাৰ সমাজ সংস্কাৰধৰ্মী আৰু হাস্য ৰসাত্মক গল্প ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম ভাগৰ গল্পসমূহত অসমীয়া সমাজৰ নানান সমস্যাৰ প্ৰতিফলন ঘটিছে। এই গল্পসমূহৰ জৰিয়তে তেওঁ সমসাময়িক সমাজৰ ভণ্ডামী, অন্তঃসাৰ শূন্যতা, কু-সংস্কাৰ, অন্ধবিশ্বাস আদি অশুভ দিশবোৰক তীব্ৰভাবে ব্যঙ্গ কৰি সমাজখনক সংস্কাৰ কৰিবলৈ প্ৰয়াস কৰিছিল। *এই গল্পসমূহত বেজবৰুৱাই তেওঁৰ বিখ্যাত ব্যঙ্গ ৰচনাসমূহৰ নিচিনাকৈ সংস্কাৰকৰ ভূমিকা গ্ৰহণ কৰিছে। গল্পসমূহৰ আঁৰত আছিল সমকালীন অসমীয়া সমাজখনক শুদ্ধ কৰাৰ আন্তৰিকতাপূৰ্ণ আগ্ৰহ।* [১০] তেওঁৰ কেইটামান গল্পত কলিকতাৰ বঙালী সমাজ আৰু উৰিষ্যাৰ কোল-মুণ্ডা সমাজৰ সমস্যাও প্ৰতিফলিত হৈছে। *তেওঁ তেওঁৰ বেছিভাগ গল্পক সামাজিক সমালোচনাৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছে।* [১১] বেজবৰুৱাৰ *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা, ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা, ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলা, ভেমপুৰীয়া মৌজাদাৰ, নাঙলুচন্দ্ৰ, জগৰা মণ্ডলৰ প্ৰেমাভিনয়, প্ৰথম দৰ্শনত ওপজা প্ৰেম* আদি এই শ্ৰেণীৰ উল্লেখযোগ্য গল্প।

বেজবৰুৱাৰ এই ভাগৰে কেইটামান গল্প আছে যি কেইটা ব্যঙ্গধৰ্মী নহয়, সম্পূৰ্ণভাৱে হাস্যৰসাত্মক। ব্যঙ্গৰ চোক নোহোৱাকৈ বিমল হাস্যৰসৰ সোৱাদ দিয়া এই গল্প কেইটা হ'ল — *স্বৰ্গাৰোহণ, যেনে চোৰ তেনে টাঙোন* আৰু *নাঙলু চন্দ্ৰ। বেজবৰুৱাৰ গল্পবোৰ পঢ়িলে তাৰ মাজেৰে ফুটি ওলোৱা বেজবৰুৱাৰ গভীৰ পৰ্যবেক্ষণ ক্ষমতা আৰু*

*বিশ্লেষণশীল মনৰ পৰিচয় পোৱা যায়। সৰ্বসাধাৰণৰ চকুত নপৰা অতি সামান্য কথাও বেজবৰুৱাৰ চকুৰ পৰা হাত সাৰি যাব পৰা নাছিল।*[১২]

বেজবৰুৱাৰ হাস্যব্যঙ্গ গল্পসমূহত তেওঁৰ অগ্ৰজ লেখক হেমচন্দ্ৰ বৰুৱাৰ ব্যঙ্গধৰ্মী ৰচনা *'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী'* আৰু *তেওঁ ইতিমধ্যে সংগ্ৰহ কৰি উলিওৱা অসমীয়া মৌখিক লোক-কথা বা সাধুকথাৰ প্ৰভাৱ পৰিছে।*[১৩]

**২.৪.২.২ ব্যক্তি জীৱন সম্বন্ধীয় গল্প ঃ**

বেজবৰুৱাৰ দ্বিতীয় ভাগৰ গল্পসমূহ ব্যক্তি জীৱন সম্বন্ধীয়। *দ্বিতীয় ভাগৰ গল্পসমূহে সংস্কাৰধৰ্মী আৰু ব্যঙ্গধৰ্মী গল্পৰ পৰা আঁতৰি আহি আধুনিক যুগৰ চুটিগল্পৰ ৰূপ লাভ কৰিছে।* [১৪] চুটিগল্পৰ কেইবাটাও বিশিষ্ট লক্ষণ যেনে আৰম্ভণিৰ আকস্মিকতা, পৰিসমাপ্তিৰ নাটকীয়তা, লক্ষ্য আৰু ফলশ্ৰুতিৰ একমুখিতা আৰু ভাষাৰ ব্যঞ্জনা এই গল্পসমূহত স্পষ্ট হৈ উঠিছে। *অৱশ্যে,* এই ভাগৰ গল্পসমূহতো মাজে মাজে সমালোচক বেজবৰুৱাই ভুমুকি মাৰিছে। সেয়ে এই গল্পসমূহতো সংস্কাৰধৰ্মী মনোভাৱ প্ৰকাশ পাইছে। প্ৰথম ভাগৰ গল্পমূহৰ নিচিনাকৈ হাস্যৰসৰ চিটিকনিও এই ভাগৰ কিছুমান গল্পত পৰিছে। *ভদৰী, মুক্তি, বাপিৰাম, ধোঁৱাখোৱা, পাতমুগী, কন্যা, জলকুঁৱৰী, নকওঁ* আদি গল্পক এই ভাগত অন্তৰ্ভুক্ত কৰিব পাৰি। এই গল্পসমূহত *আছে বেজবৰুৱাৰ সুগভীৰ মানৱতাবোধৰ চাপ। সাধাৰণ মানুহৰ ব্যক্তিজীৱনৰ আবেগ-অনুভূতি, সুখ-দুখ ইয়াত তেওঁ সহৃদয়তাৰে ৰূপায়ণ কৰিছে।* [১৫] *বিভিন্ন পৰিস্থিতিত মানুহে কেনেধৰণৰ আচৰণ কৰিব পাৰে তাৰ প্ৰতিও তেওঁ সততে দৃষ্টি ৰাখিছিল।* [১৬]

বেজবৰুৱাৰ এই ভাগৰ কেইটামান গল্পত প্ৰকৃতি আৰু মানুহৰ মাজৰ নিবিড় সম্বন্ধৰ চিত্ৰ অংকিত হৈছে। *প্ৰকৃতিৰ সৌন্দৰ্য দীপ্তিত তন্ময়তা, প্ৰকৃতিৰ সতে পৰিপূৰ্ণ একাত্মবোধ, প্ৰকৃতি জগতৰ পৰা অপসাৰণৰ লগে লগে সৃষ্টি হোৱা তীব্ৰ যন্ত্ৰণাবোধ আদিৰ প্ৰকাশেৰে তেওঁৰ এই গল্পসমূহ সমুজ্বল হৈ পৰিছে।* [১৭] বেজবৰুৱাৰ *কন্যা, জলকুঁৱৰী, মুক্তি, নকওঁ*

আৰু *এৰাবাৰী* গল্পত প্ৰকৃতিৰ শান্ত, স্নিগ্ধ আৰু মোহনীয় সৌন্দৰ্যৰ বৰ্ণনা পোৱা যায়। *নকওঁ* আৰু *ৰতনমুণ্ডাত* প্ৰকৃতিৰ নিজম, গহীন, গা-শিৰশিৰাই যোৱা জয়াল আৰু ৰহস্যময় ৰূপৰ ছবিও পোৱা যায়। এই গল্পসমূহৰ মাজেৰে প্ৰকৃতিৰ শুভ আৰু অশুভ দুয়োটা দিশ জীৱন্ত হৈ উঠিছে।

বেজবৰুৱাৰ এই ভাগৰ কেইটামান গল্প প্ৰেম সম্বন্ধীয়। এই গল্পকেইটাত নৰ-নাৰীৰ প্ৰেম আৰু মানৱতাবাদে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। *ৰতনমুণ্ডা, মাধৈমালতী কনকলতা, নকওঁ* আৰু *কন্যা* গল্পত ডেকা-গাভৰুৰ প্ৰেমৰ দৃঢ়তা, গভীৰতা আৰু মহত্ব অতি সংবেদনশীল ৰূপত প্ৰকাশ পাইছে। দাম্পত্য প্ৰেমৰ গভীৰতা প্ৰকাশ পাইছে *জয়ন্তী* আৰু *ভদৰী* গল্পৰ মাজেৰে।

অগভীৰ প্ৰেমৰ স্বৰূপ আৰু পৰিণতিও বেজবৰুৱাই দেখুৱাইছে *পাতমুগী, আমাৰৈ নেপাহৰিব* আৰু *শিৱপ্ৰসাদ* গল্পৰ মাজেৰে। জৈৱিক বাসনাকে প্ৰেমৰ ৰূপ দিয়া ভণ্ড প্ৰেমিকৰ স্বৰূপ তেওঁ এই গল্পকেইটাৰ মাজেৰে দাঙি ধৰিছে।

বেজবৰুৱাৰ এই ভাগৰ কেইটামান গল্পত সমাজৰ সাধাৰণ শ্ৰেণীৰ জীৱন চিত্ৰ প্ৰতিফলিত হৈছে। *পুত্ৰৱান পিতা, বাপিৰাম, মগনিয়াৰ বুঢ়া ভৈৰা, বাৰীচোৱা, দচ্‌মন্তৰ* আদি গল্পত সৰু সৰু মানুহৰ প্ৰতি বেজবৰুৱাৰ সহমৰ্মিতা প্ৰকাশ পাইছে। বেজবৰুৱাৰ নাৰী বিষয়ক গল্পকেইটাত নাৰী চৰিত্ৰৰ সত্য, সাহস আৰু সৌন্দৰ্য প্ৰকাশ পাইছে।

**২.৫ লক্ষ্মীনাথ বেজবৰুৱাৰ কেইটামান উল্লেখযোগ্য চুটিগল্প ঃ**

**মলক গুইন গুইন ঃ**

*মলক গুইন গুইন* এটা চৰিত্ৰ প্ৰধান গল্প। অহংকাৰ আৰু ভণ্ডামীয়ে যে মানুহৰ বিবেকশূন্য কৰি পেলায়, সেই কথাকে বেজবৰুৱাই এই গল্পটোত হাস্যব্যঙ্গৰ মাজেৰে ব্যক্ত কৰিছে। ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ, ইংৰাজ সকলৰ দৰে সাজ-পাৰ পিন্ধি, খিচিৰি মাত

কথাৰে নিজকে চাহাব সাজিবলৈ যোৱা মলখু ওৰফে *মলক গুইন গুইন* গল্পটোৰ মুখ্য চৰিত্ৰ।

মলখু তোলন সাজতোলাৰ বৰপুত্ৰ। তোলন সাজতোলা দিহিঙৰ গোসাঁয়ে সাজতোলা পাতি সন্মানিত কৰা চেতিয়া গাঁৱৰ এজন গণ্য-মান্য ব্যক্তি। সাজতোলাৰ দুজন পুতেকৰ এজন মলখু আৰু আনজন পুনাৰাম। সাজতোলাই পুনাৰামক খেতি-বাতি কৰিবলৈ শিকাই তেওঁৰ লগতে ৰাখিছিল আৰু মলখুক লেখা-পঢ়া শিকিবলৈ লখিমপুৰৰ দেউনাথ খাঞ্জাৰিৰ ঘৰত থৈছিল। পঢ়া-শুনাত চোকা আছিল বাবে মলখুৱে এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰী জলপানী পাই কলিকতাত এল, এ পঢ়িবলৈ গ'ল। কলিকতালৈ গৈ মলখুৰ ধৰণ-কৰণ সলনি হ'বলৈ ধৰিলে। পিতৃ প্ৰদত্ত নাম-ধাম, সংস্কাৰ সকলো সলনি হ'ল; অৱশ্যে লখিমপুৰত থকাৰ পৰাই মলখুৰ গাত ইংৰাজী সংস্কৃতিৰ বতাহ লাগিবলৈ ধৰিছিল। সেয়ে তাতেই তেওঁৰ চুলিৰ খোপা গুচি টিকনি হৈছিল। আৰু কলিকতালৈ গৈ সি একেবাৰে নোহোৱা হ'ল; তাৰ সলনি মলখুৰ নামৰ আগে-পিছেহে অসংখ্য উপাধি গজি প্ৰথমে মিষ্টাৰ এম. গগৈ আৰু শেষত মলক গুইন গুইন চাহাব হৈ পৰিল। পঢ়া-শুনালৈ পিঠি দি সাজ-পাৰ আদিত লাগি থকাৰ বাবে তেওঁ ডিগ্ৰী ল'ব নোৱাৰিলে আৰু অসমাপ্ত শিক্ষাৰেই অসমলৈ ঘূৰি আহিব লগা হ'ল। অসমলৈ আহি বগা চাহাবৰ আশীৰ্বাদত মলখুৱে প্ৰথমে স্কুলৰ চাব ইন্সপেক্টৰ আৰু অলপদিনৰ পিছতে তহবিলদাৰ পদ লাভ কৰে।

চৰকাৰী চাকৰি পোৱাৰ পিছত মলক চাহাবে মাক-পিতাকক কোনো প্ৰকাৰে সহায় কৰা দূৰৈৰ কথা, এদিনো দেখা কৰিবলৈকে নগ'ল। সেয়ে ঘৈণীয়েকৰ অনুৰোধ এৰাব নোৱাৰি সাজতোলাই পুতেকক ঘৰলৈ নিবলৈ আহি বঙলাৰ দুৱাৰ মুখত ৰৈ থকা ছাপৰাচীজনক মলখু বোপাক তেওঁ অহা খবৰ দিবলৈ ক'লে। কিন্তু ছাপৰাচীয়ে তাত কোনো *মলখু বোপা* নাথাকে বুলি কৈ তেওঁক যাবলৈ ক'লে। তেনেতে ভিতৰৰ পৰা ওলাই অহা মলক চাহাবে পিতাকক দেখি চিনি নোপোৱাৰ ভাও জুৰি ক'লে—

*'তুমি ক'ৰ পৰা আহিছে? কোন আছে? মই তোমাক চিনি নাপাওঁ। ইয়াৰ পৰা তুমি এতিয়াই গুচি যাব লাগে।' এই বুলি চাহাবে সাজতোলাৰ ফালে পিঠি দি ছাপৰাচীৰ ফালে মুখ কৰি আকৌ ক'লে—'ছাপৰাচী, এই বুঢ়াক হিয়াচে বাহাৰ যাবে বলা। লেকিন গালি দেও মৎ, মাৰ মৎ, হাল্লা কৰ মৎ।'*

*(মলক গুইন গুইন ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬০০)*

পুতেকৰ ব্যৱহাৰত মৰ্মান্তিক বেজাৰ পাই সাজতোলাই—*"হে পৃথিৱী মাতৃঙ্গ তুমি দুফাল হোৱা, মই তোমাৰ গৰ্ভত সোমাওঁ" বুলি কৈ এটা দীঘল হুমুনিয়াহ কাঢ়ি, যি বাটেদি আহিছিল সেই বাটেদিয়েই তাৰ পৰা ঘৰলৈ গুচি গ'ল।*[১৮] ইফালে সাজতোলানীয়ে বৰ পুতেকক মাত্ৰ এবাৰ ঘৰলৈ আনিবলৈ গিৰিয়েকক অনুৰোধ কৰিবলৈ নেৰিলে। উপায়ন্তৰ হৈ সাজতোলাই মলখুৰ কলিকতীয়া বন্ধু এজনৰ হতুৱাই যেনে-তেনে মলখুক ঘৰলৈ আহিবলৈ সৈমান কৰালে। চাহাবী আদৰ কায়দাৰে খাবলৈ থাকিবলৈ দিয়াৰ চুক্তিৰে ঘৰলৈ আহি মলখুৱে নিজৰ খোৱা-বোৱা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি সকলো বোৰকে তিৰস্কাৰ কৰি ঘৰৰ-পৰৰ সকলোৰে চুৰ্তি হেৰুৱালে। কথকে কৈছে —

*প্ৰথমতে ক'লা কাপোৰ পিন্ধি মাক আৰু ভায়েক তেওঁৰ ওচৰলৈ অহা বাবে তেওঁলোকে এজাউৰি বক্তৃতা শুনিলে। গাঁৱৰ অঙহি-বঙহি, মিতিৰ-কুটম যি তেওঁক চাবলৈ আহিছিল, কোনেও তেওঁৰ পৰা একোপালি নোপোৱাকৈ ঘৰলৈ উভতি যাব পৰা নাছিল। হাতেৰে ভাত খাবলৈ আপত্তি কৰাৰ বাবে, পুনাৰামে বাঁহৰ কাঁটা চামুচ সাজি, আৰু খুৰা দিয়া পীৰাৰ ওপৰত মাকে ভাতৰ কাঁহী তুলি দিহে তৰণি পাইছিল। মুঠতে যি তিনিদিন মলক চাহাব ঘৰত আছিল, সেই তিনিদিনৰ ভিতৰতে তেওঁৰ মাক-বাপেক, ভায়েককে আদি কৰি গাঁৱৰ লগা-ভগা সকলোৱে দেও দেও দেখি তেওঁ কেতিয়া তাৰ পৰা ওলাই যায় তাকেহে চিন্তিছিল।*

*(মলক গুইন গুইন ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬০১)*

ইয়াৰ কেইমাহমান পিছত সেইফালে মফস্বললৈ যাওঁতে ৰাস্তাত গাড়ী ৰখাই ককায়েকক মাত লগাব খোজা পুনাৰামক মলখুৱে ছাপ্ৰাচীৰ হতুৱাই ধৰাই আনি মাৰ-ধৰ কৰায়।

মাক-পিতাক, ভায়েকক চিনি নোপোৱা, আপোনজনৰ চেনেহ বুজি নোপোৱা, মলখুৰেই কিন্তু বগা চাহাবৰ ভৰিত ভালকৈ তেল টেঙা ঘঁহিব জানিছিল। মলখুৰ এই বহুৱালিয়েই বেজবৰুৱাৰ *মলক গুইন গুইন* গল্পটোৰ উপজীব্য।

**ভোকেন্দ্ৰ বৰুৱা ঃ**

*ভোকেন্দ্ৰ বৰুৱা* এটা অন্যতম চৰিত্ৰ প্ৰধান গল্প। *অলপ অচৰপ বিদ্যা শিক্ষা লাভ কৰা বিদ্যাৰ্থীৰ অহংকাৰ জন্মিলে কেনে হ'ব পাৰে তাকে দেখুওৱা হৈছে 'ভোকেন্দ্ৰ বৰুৱা' নামৰ গল্পটোত।*[১৯] ভোকেন্দ্ৰ বৰুৱাৰ আচল নাম ভোকোন্দি। ভোকোন্দি মাজুলীৰ গোন্ধাই গোৱালৰ পুতেক। সৰুৰে পৰা পঢ়া-শুনাত চোকা আছিল বাবে ভোকোন্দিয়ে এন্ট্ৰেঞ্চ পৰীক্ষা পাছ কৰিলে। গৱৰ্ণমেণ্টৰ কুৰিটকীয়া বৃত্তি লাভ কৰি কলিকতাৰ কলেজত পঢ়িবলৈ গ'ল। *সি কলিকতালৈ পঢ়িবলৈ গৈ তাৰ নাম ধামৰ কাৰণে বংশ মৰ্যদা লাঘৱ হোৱা বুলি ভাবি পঢ়াতকৈ নাম-ধাম সলনি কৰাতহে গুৰুত্ব দিলে।*[২০] নিজৰ নাম সলনি কৰি পিছত বৰুৱা উপাধি লিখি সি ভোকেন্দ্ৰ বৰুৱা হয়। ভোকোন্দিয়ে এই বিষয়ে সকলো দৰ্শাই পিতাক, মাক আৰু ভনীয়েককো তেনে কৰিবলৈ উপদেশ দি চিঠি লিখে। চিঠিত পিতাকৰ সাতামপুৰুষীয়া বৃত্তিকো লাজ লগা বুলি সলনি কৰিবলৈ কয়। পুতেকৰ চিঠি ডাকোৱালে পঢ়ি শুনোৱাৰ পিছত তাৰ কাণ্ড-কাৰখানাত পিতাক অসন্তুষ্ট হয় আৰু ভোকোন্দিৰ যে কলিকতালৈ গৈ মতি-গতি সলনি হৈছে সেই কথা তেওঁ বুজি পায়। কিন্তু অজলা মাকেহে পুতেকক মহাৰাণীয়ে *বৰুৱা* উপাধি প্ৰদান কৰা বুলি আনন্দ প্ৰকাশ কৰে। গোন্ধায় গোৱালে ঘৈণীয়েকক পুতেকে প্ৰকৃততে কি কৰি আছেগৈ সেই কথা বিৰৰি কয় আৰু পুতেকৰ কথামতে তেওঁ নানাচে বুলিও কয়। এই কথাকে লৈ গিৰিয়েক-ঘৈণীয়েকৰ কাজিয়া লাগিছে। বেজবৰুৱাই ইংৰাজী শিক্ষা গ্ৰহণ কৰি নিজে ভুচুং পণ্ডিত সাজি, নিজৰ সাংস্কৃতিক প্ৰমূল্যসমূহৰ গুৰুত্ব বুজিবলৈ অসমৰ্থ হোৱা এচাম লোকক এনেবোৰ গল্পৰে ব্যঙ্গ কৰিছে আৰু পাঠকক হাস্য ৰসৰ যোগান ধৰিছে।

**ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা ঃ**

লক্ষ্মীনাথ বেজবৰুৱাই গোন্ধাই গোৱালৰ পুত্ৰ ভোকোন্দিৰ কাহিনীটো *ভোকেন্দ্ৰ বৰুৱাতে* শেষ নকৰি বিস্তাৰিত ৰূপ দিছে *ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা* নামৰ গল্পটোত। ভোকোন্দিয়ে কলিকতাত পঢ়া-শুনা শেষ কৰিব নোৱাৰিলে। তেওঁ কলিকতাত কোনো জীৱিকাৰ পথো মোকলাব নোৱাৰিলে। মাজতে লেখক/প্ৰকাশক হোৱাৰ চখ হ'ল যদিও তাতো সফল হ'ব নোৱাৰিলে। গতিকে, শেষত ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহিল। ইতিমধ্যে গোন্ধাই গোৱালৰ মৃত্যু হৈছিল আৰু সেই সময়তে চৰকাত পৰি তেওঁৰ গৰু-মহ বিলাকো মৰি শেষ হ'ল। পুতেকলৈ পঠোৱা তিনিকুৰি ৰূপৰ ধাৰো তেওঁ ভোকোন্দিলৈকে এৰি থৈ গ'ল। সংসাৰৰ দায়িত্ব মূৰ পাতি ল'বলৈ গৈ ভোকোন্দি দিশহাৰা হ'ল। কলিকতাত পঢ়ি আহি ২০/২৫ টকীয়া স্কুল, কাছাৰিৰ চাকৰি কৰাটোও তেওঁ অপমানৰ কথা বুলি ভাবিলে। তেনেতে নোমল মৌজাদাৰে দূতৰ জৰিয়তে ভোকোন্দিলৈ জীয়েক চম্পাৱতীৰ বিয়াৰ প্ৰস্তাৱ পঠিয়ালে। উচ্চ বংশৰ ধনী, সুন্দৰী, শিক্ষিতা চম্পাৱতীৰ বিয়াৰ প্ৰস্তাৱ পাই সি হাততে সৰগ ঢুকি পালে আৰু ৫০০ টকা নগদ ৰূপ যৌতুক হিচাপে বিচাৰিলে। চম্পাৱতীক বিয়া কৰাই যৌতুকত পোৱা ধনেৰে কিছুদিন চলাৰ পিছত ভোকোন্দিয়ে যোৰহাটলৈ ঘৰ উঠাই নিয়ে। আৰ্থিকভাৱে ভালেখিনি কষ্ট ভোগ কৰাৰ পিছত ভোকেন্দ্ৰই শেষত চোৰাংচোৱাগিৰি কৰিবলৈ লয় আৰু কিছু সকাহ লাভ কৰে। এই গল্পটোত ভোকেন্দ্ৰৰ *চৰিত্ৰৰ মাজেদি সংগ্ৰামী চেতনা এটা মূৰ্ত্তিমান হৈছে যদিও কৰ্মস্পৃহাহীন, সোৱোপা স্বভাৱ এটাৰো চিত্ৰ অংকন কৰিছে।*[২১]

**ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলা ঃ**

*ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলাত* বেজবৰুৱাই ভোকেন্দ্ৰক এজন বিশ্বাসঘাতক, ভুৱা দেশপ্ৰেমিক ৰূপে অংকন কৰিছে। চোৰাংচোৱাগিৰি কৰি আৰম্ভণিতে ভালদৰেই সংসাৰ

চলোৱা ভোকেন্দ্ৰই পিছত অকৰ্মন্যতাৰ বাবে সেই কামো বাদ দিবলগীয়া হয়। শেষত তেওঁ ভুৱা দেশপ্ৰেমিকৰ ৰূপ লয়। *মৰাণ সভা* পাতি মৰাণসকলৰ উন্নতিৰকল্পে লাট চাহাবক *মেমোৰিয়েল* দিবলৈ কলিকতালৈ যাবলৈ ওলায়। সৰ্বসাধাৰণ লোকসকলে সামৰ্থ অনুসৰি দান-বৰঙণি তুলি ভোকেন্দ্ৰৰ হাতত জমা দিয়ে। এই ধনেৰে ভোকেন্দ্ৰই জাহাজৰ প্ৰথম শ্ৰেণীত উঠি কলিকতালৈ যায় আৰু তাত গৈ বজাৰ-সমাৰ, ৰং-ৰহইচ কৰি ফস্তিমাৰি সুখেৰে খাই-বৈ এপষেক পিছত দেশলৈ ঘূৰি আহে। গল্পটোত বেজবৰুৱাই ভোকেন্দ্ৰৰ দৰে লোকৰ চৰিত্ৰৰ কেনেকৈ অধঃপতন ঘটিছে তাক সুন্দৰকৈ দেখুৱাইছে।

**ভেমপুৰীয়া মৌজাদাৰ ঃ**

*ভেমপুৰীয়া মৌজাদাৰ* এটা চৰিত্ৰ প্ৰধান গল্প। সমকালীন অসমীয়া সমাজৰ এচাম তথাকথিত ডাঙৰ মানুহৰ জঘন্য চৰিত্ৰক বেজবৰুৱাই এই গল্পটোৰ জৰিয়তে নিৰ্মমভাৱে ব্যঙ্গ কৰিছে। গল্পটোৰ শ্ৰীযুত লম্বোদৰ শৰ্মা বৰুৱা, সমাজত ভেমপুৰীয়া মৌজাদাৰ নামেৰে জনাজাত। আনকি নিজৰ ঘৈণীয়েকেও তেওঁক লম্বোদৰ বুলিলে নিচিনি ভেমপুৰীয়া বুলিলেহে চিনি পায়। দেখাত সম্ভ্ৰান্ত, তিনি সন্ধ্যা পূজা কৰি সাজে-পোছাকে তেওঁ মহাপুৰুষ সদ্ ব্ৰাহ্মণ, কিন্তু প্ৰকৃততে তেওঁ এজন জঘন্য চৰিত্ৰৰ লোকহে। সাধাৰণ লোকৰ ওপৰত বৰমতা দেখুওৱা দয়ামায়াহীন এইগৰাকী মৌজাদাৰ ঘোচখোৰ, বগা চাহাবৰ পদলেহী, আত্মসন্মানহীন, আক্ৰোহী আৰু প্ৰতিহিংসা পৰায়ণ। কথকৰ ভাষাৰে —

> *ডাঙৰীয়াৰ মৌজাতো ঘৰ আছে, নগৰতো ঘৰ আছে। ডাঙৰীয়া মৌজালৈ গ'লে মৌজাৰ মাটি তলৰ পৰা ওপৰ হয়, নগৰলৈ আহিলে নগৰৰ মাটিৰো সেই দশা। ... বৰ চাহাব মফস্বললৈ গ'লে মৌজাদাৰ ডাঙৰীয়াৰ কপাল ফুলে বুলি শুনা যায়। একেবাৰেই হেনো এবছৰলৈ ডাঙৰীয়াৰ নিজ খোৰাকৰ দুখ গুচে। ৰাইজৰ পৰা বিনামূলীয়াকৈ আদায় কৰা 'ৰচত' বৰ চাহাবলৈ যদি এগুণ যায়, ডাঙৰীয়াৰ ভড়ালত হাতৰ-পাচ তাৰ ৯ গুণ বৈ যায়। কুলি ধৰাতো ডাঙৰীয়া হেনো কালান্তক যম। এই অমৃতক্ষণ পৰিলে হেনো ডাঙৰীয়াৰ "আখেজ"ৰ ডাঙৰ খালবিলাকত ধুমাধুমিকৈ মাটি পৰি পোট খাই যায়।*
>
> *(ভেমপুৰীয়া মৌজাদাৰ ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৫৪)*

ঘৰৰ লগুৱা-লিগিৰাক দৰমহা বিচাৰিলে মাৰ-ধৰ কৰা ডাঙৰীয়াই হেনো বৰচাহাবৰ ছাপৰাচীৰ আগতো হাতযোৰকৈ কথা কয়। কিন্তু তেওঁৰ ওচৰে-পাজৰে থকা সাধাৰণ লোকসকলে তেওঁক সততে তোষামোদ কৰি নাথাকিলে, তেওঁ বিচৰা বস্তুবোৰ সঠিক পৰিমাণত নিদিলে, সিহঁতৰ ওপৰত প্ৰতিশোধ লোৱাৰ মনেৰে সুবিধা বিচাৰি ফুৰে। ডাঙৰীয়াৰ চৰিত্ৰৰ আন এটা বদ্‌গুণৰ ইংগিতো গল্পটোত বেজবৰুৱাই দিছে। ঘৰৰ বান্দী-বেটীৰৈ সৈতেও তেওঁৰ অবৈধ সম্পৰ্ক আছে। ভেমপুৰীয়া মৌজাদাৰৰ চৰিত্ৰৰ সমস্ত বদ্‌গুণ প্ৰশংসাৰ চলেৰে, অতি ৰসালকৈ বেজবৰুৱাই গল্পটোৰ মাজেৰে বৰ্ণনা কৰিছে।

**ঘণ্টাকৰ্ণ শৰ্মা ঃ**

*ঘণ্টাকৰ্ণ শৰ্মা* এটা চৰিত্ৰ প্ৰধান গল্প। হাস্য ৰসাত্মক এই গল্পটোত ঘণ্টাকৰ্ণ শৰ্মা নামৰ এজন লোকৰ লোভ, দৰ্প, অহংকাৰ আৰু নিবুৰ্দ্ধিতা বেজবৰুৱাই দাঙি ধৰিছে।

চাহ বাগানৰ বৰমহৰী চাকৰি কৰা ঘণ্টাকৰ্ণ শৰ্মাই অসৎ উপায়েৰে ধন ঘটি কম দিনতে ধনী হয়। এই কথা গম পাই বাগানৰ বৰচাহাবে তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰে। ঘণ্টাকৰ্ণই সেইবাবে বৰচাহাবৰ ওপৰত আপীল কৰিবলৈ কলিকতালৈ যায়।

কলিকতালৈ গৈ তেওঁ প্ৰথমে অসমীয়া ছাত্ৰসকলৰ মেছতে থাকিবলৈ ঠিক কৰিলে। মেছত থাকি কিন্তু তেওঁৰ অকনো ভাল নালাগিল, কিয়নো মেছৰ ছাত্ৰসকলে তেওঁৰ লগত কথা-বাৰ্তা, ফুৰা-চকা নকৰি পঢ়িহে থাকে। জেপত শকত ধনৰ টোপোলা লৈ যোৱা শৰ্মাৰ কিন্তু কলিকতাত ভাল ভাল ঠাই ঘূৰি-পকি চাবলৈ আৰু ৰং-ৰহইচ কৰিবলৈয়ো মন। তেওঁৰ মনৰ কথা জানি যজ্ঞৰাম নামৰ এজন অসমীয়া ছাত্ৰৰূপী ঠগে কলিকতা ফুৰাম বুলি টকা-পইচা সকলো আত্মসাৎ কৰি সৰ্বশ্ৰান্ত কৰি এৰি দিয়ে। ঘণ্টাকৰ্ণৰ দৰে তেওঁৰ লগুৱা মহুৱাৰ গাতো কলিকতাৰ হাৱা লাগে। তাৰ মতি-গতি সেই কেইদিনতে সলনি হয়। ঘণ্টাকৰ্ণ শৰ্মাই যজ্ঞৰামৰ সৈতে বাহিৰত ঘূৰি ফুৰাৰ সুযোগতে সি জোতা-মোজা, চুৰিয়া, চেলেং পিন্ধি গা

ঘেলাই ফুৰিবলৈ ধৰিলে। সি আনকি অসমীয়াৰ সলনি খিচিৰি বঙালী ভাষা ক'বলৈও লৈছিল আৰু কলিকতাতে এঠাইত *নিকা*[২২] কৰি গৃহস্থী পাতি থাকিবলৈয়ো ঠিক কৰিছিল। শেষত যেনিবা অসমীয়া ছাত্রসকলৰ কেইজনমানে কষ্টেৰে তাক কলিকতাৰ মোহ এৰুৱাই শৰ্মাৰ লগত পঠিয়াই দিলে। গল্পটিত দায়িত্বজ্ঞানহীন ঘণ্টাকৰ্ণ শৰ্মা আৰু মহুৱাৰ বুদ্ধিহীন কাম-কাজৰ বাবে হোৱা লটিঘটিৰ বৰ্ণনাই হাস্যৰসৰ সৃষ্টি কৰিছে।

**নাঙলুচন্দ্ৰ ঃ**

*নাঙলুচন্দ্ৰ দাস* এটা চৰিত্ৰ প্ৰধান গল্প। এই গল্পটোৰ সুৰ ধেমেলীয়া। গল্পটোত নাঙলুচন্দ্ৰ দাস নামৰ যুৱক এজনৰ কাব্য চৰ্চাৰ ইতিবৃত্ত আৰু এই গুণটোৰ বাবে হোৱা তেওঁৰ লটি-ঘটিৰ সৰস বৰ্ণনাই পাঠকক হাঁহিৰ খোৰাক যোগায়।

এণ্ট্ৰেন্স পৰীক্ষা পাছ নকৰোতেই নাঙলুচন্দ্ৰৰ অন্তৰত প্ৰেম আৰু কবিতাৰ বীজ অংকুৰিত হৈছিল। প্ৰতিকুল পৰিস্থিতিত প্ৰেমে বিকশিত হোৱাৰ সুযোগ নাপালে যদিও কবিতা চৰ্চাৰ কিন্তু অন্ত নপৰিল; কিছুদিনলৈ যতিহে পৰিছিল। এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ কলেজত পঢ়িবলৈ আহোতে তেওঁৰ আকৌ কবিতাৰ ৰাগি লাগিল। কল্পনা কুঁৱৰীক লৈ তেওঁ কবিতা লিখিবলৈ ল'লে। তেওঁ লিখা কবিতাৰ নানান অৰ্থ উলিয়াই বন্ধু-বান্ধৱে তেওঁক নাকনি-কাননি কৰিলে। কবিতাৰে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ গৈ তেওঁ কেইবা ঠাইতো মিছা অপবাদ মূৰ পাতি লৈ আশ্ৰয় স্থলো এৰিবলগীয়া হ'ল। এবাৰ মেছৰ বয়সীয়া, কুশ্ৰী চাকৰণী এজনীয়েও তেওঁৰ পিছত এনেকৈ লাগিল যে তেওঁ মেছ এৰিবলৈ বাধ্য হ'ল। তাৰ মাজতে তেওঁ বি.এ. পাছ কৰি কলিকতা এৰিলে আৰু লগতে চিৰদিনলৈ কবিতাকো বিসৰ্জন দিলে। গল্পটোত নাঙলুচন্দ্ৰৰ প্ৰেম আৰু কবিতা চৰ্চাৰ ৰসাল বৰ্ণনাই হাস্যৰস সৃষ্টিৰ লগতে কৰুণাৰো উদ্ৰেক কৰে।

**জগৰামণ্ডলৰ প্ৰেমাভিনয় ঃ**

*জগৰা মণ্ডলৰ প্ৰেমাভিনয়* এটা পৰিস্থিতি প্ৰধান গল্প। বেজবৰুৱাই ইংৰাজী উপন্যাসৰ প্ৰেমৰ প্ৰভাৱত হোৱা জগৰামণ্ডলৰ প্ৰেমৰ বিকাৰ আৰু নাটকীয়তা গল্পটোত অতি সুন্দৰকৈ উপস্থাপন কৰিছে। এজন চিনাকি উকীলৰ মুখৰ পৰা ইংৰাজী উপন্যাস এখনৰ প্ৰেমৰ মনোৰম বৰ্ণনা শুনি ভৰ বয়সত জগৰা মণ্ডলৰ প্ৰেম কৰিবলৈ মন যায়। ঘৰলৈ গৈ ঘৈণীয়েক জগৰাণীৰ আগত তেওঁৰ মনৰ ভাব প্ৰকাশ কৰি কৈছে—

> *... আমি বিয়া কৰিলো, ল'ৰা-ছোৱালীৰ বাপেক-মাক হ'লোহঁক, ঘোঁৰাত উঠি ছুটি মেলাদি মেলিলো, কিন্তু পেম কি বস্তু তাৰ ভু-ভা লবলৈ ক'তো এখোজ ৰবলৈ নহ'ল। সেইদেখি আমি স্বৰ্গৰ পেমৰ পৰা বঞ্চিত হ'লো। গৰু-ম'হেও পোৱালি ফুকাইছে, আমিও ল'ৰা-ছোৱালী ওপজাইছোঁ; কিন্তু সৰগৰ প্ৰেমৰ ভু গৰু-ম'হেও নাপালে আমিও নাপালো। দেখ নিচলীৰ মাকঙ্গ মই মনতে ভাবি থিৰ কৰিছোঁ যে আমাৰ জীৱনৰ যিছোৱা এইদৰে গ'ল গ'ল কিন্তু বাকীছোৱা আৰু এইদৰে যাবলৈ নিদিওঁ; পেম কৰি পেমৰ সোৱাদ লৈহে তাক পঠিয়াম। ... বিধি-পথালি নকৰিবি; মই তোৰে সৈতে আজিৰ পৰা পেম কৰিম।" ... পিয়াঙ্গ পিয়ত্তমাঙ্গ তুমি এতিয়াও একোকে বুজি নাপালা, লাহে লাহে পাবা; মই পাব লাগিছো। আহা পেম কি সোৱদ, কি মউ।*
>
> *(জগৰা মণ্ডলৰ প্ৰেমাভিনয় ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭০৫-৭০৬)*

জগৰাণীয়ে মণ্ডলৰ প্ৰেমালাপ একো বুজি নাপাই—*"এইখন পেম নহয় দেওহে, কিবা ঠেটা মস্কৰাহে... এইখন অলিয়া-বলিয়া গাই নাথাকিবা।*[২৩] বুলি উঠি যাব খোজোতে জগৰাই *নাযাবা পিয়া নাযাবা। বিৰহৰ অগ্নিয়ে মোক পুৰি মাৰিব, ... তোমাৰ ৰঙা চৰণত ঠাই দিয়া"*[২৪] বুলি ঘৈণীয়েকৰ ভৰিত ধৰিব খোজোতে ঘৈণীয়েকে জগৰাই ক'ৰবাত ভাং-চাং খাই আহি এইবোৰ বলিয়ালি কৰিছে বুলি ভাবিলে। তেওঁ লৰালৰিকৈ পানী একলহ আনি গিৰিয়েকৰ মুৰত ঢালি দিলে। ঘৈণীয়েকৰ ব্যৱহাৰত মণ্ডলৰ মুখৰ মাত হেৰাল। তেওঁ তিতা কাপোৰ সলাই পাতিত পৰিলগৈ আৰু ঘৈণীয়েকক এই কথা আনৰ আগত ক'বলৈ

মানা কৰিলে। লগতে তেওঁৰ যে একো হোৱা নাই, সেই কথাও ক'লে। এই গল্পটো টেটকুটি আৰু বহুৱালিৰ সুন্দৰ নিদৰ্শন। চৰিত্ৰ দুটাৰ মুখত দিয়া ভাষাৰ গ্ৰাম্য ৰূপ আৰু পৰিস্থিতিৰ নাটকীয়তাই হাঁহিৰ জোঁৱাৰ আনে।

**লম্বোদৰ ডেকা ঃ**

*লম্বোদৰ ডেকা* গল্পৰ কাহিনীটো গল্পকাৰে এজন কথকৰ জৰিয়তে বৰ্ণনা কৰিছে। কথকজনে কাহিনীটো প্ৰথম পুৰুষত বৰ্ণনা কৰিছে। কাহিনী মতে লম্বোদৰ ডেকা নামৰ এজন ডেকাই গোচৰ এটা আপীল কৰিবলৈ গুৱাহাটীলৈ যাব লগা হৈছিল। তেওঁ এখন নাৱেৰে যাত্ৰা আৰম্ভ কৰিলে। মাজনদীত নাৱৰ বুকুতেই লম্বোদৰৰ ভীষণ জ্বৰ উঠিল। জ্বৰৰ প্ৰকোপত তেওঁ অজ্ঞান হৈ পৰিল। তিনিদিনৰ পিছত তেওঁ যেতিয়া জ্ঞান ঘূৰাই পায়, তেতিয়া তেওঁ *'ভোক ঔ পিয়াহ ঔ' কৰিবলৈ ধৰিলে* [২৫]। নাৱৰীয়া কেইজন বিপদত পৰিল, কাৰণ সিহঁত আছিল লম্বোদৰতকৈ  সৰু জাতৰ মানুহ। সিহঁতে বামুণৰ ল'ৰা লম্বোদৰক খোৱা বস্তু ৰান্ধি দিবলৈ সংকোচ কৰিছিল। সেই কথা গম পাই লম্বোদৰে শেহাই শেহাই ক'লে—*ককাইহঁতঙ্গ জাতটো পিছৰ কথা। সম্প্ৰতি ভাতৰ মণ্ড এটোপা মোৰ মুখত নিদিলে মোৰ প্ৰাণ যায়।* [২৬] লম্বোদৰৰ অনুৰোধ শুনি আৰু তেওঁৰ দেহৰ অৱস্থা দেখি ব্ৰহ্মবধৰ ভাগী হোৱাৰ ভয়ত সিহঁতে নাৱতে লম্বোদৰক ভাতৰ মণ্ড সিজাই খুৱালে। ভাত এমুঠি পেটত পৰাত লম্বোদৰ কিছু সুস্থ হ'ল। গুৱাহাটী পায় এঘৰ আত্মীয়ৰ তাত থাকিল। ভালদৰে সুস্থ হোৱাৰ পিছত তেওঁ গোচৰ তৰিলে আৰু গোচৰত জিকি ঘৰলৈ উভতি আহিল। ইতিমধ্যে তেওঁ আহি ঘৰ পোৱাৰ আগতেই সৰু জাতৰ মানুহৰ হাতেৰে তেওঁ নাৱত ভাত খোৱা কথাটো গাঁৱত ৰাষ্ট্ৰ হৈ পৰিল। সমাজৰ বৰমূৰীয়া সকলে জাত গ'ল বুলি লগে লগে লম্বোদৰক এঘৰীয়া কৰিলে। এই বিপদৰ সময়ত বন্ধু-বান্ধৱ, মিতিৰ-কুটুম কোনেও তেওঁৰ প্ৰতি সহানুভূতি নেদেখুৱালে। লম্বোদৰ নিঠৰুৱা হ'ল। সমাজৰ নিন্দা,

মানসিক উৎপীড়ণ আৰু অকলশৰীয়া হোৱা যন্ত্ৰণা সহ্য কৰিব নোৱাৰি লম্বোদৰ বলিয়া হ'ল। লম্বোদৰৰ অৱস্থা দেখি কথকে বেদনা অনুভৱ কৰিছে আৰু তেওঁক উদ্ধাৰ কৰিবলৈ উপায় চিন্তা কৰিছে। সেই বিষয়ে পৰামৰ্শ কৰিবলৈ সমাজৰ বৰমূৰীয়া চিৰস্তাদাৰৰ ঘৰলৈ গৈছে। চিৰস্তাদাৰে কিন্তু তেওঁক সঁহাৰি জনোৱা নাই, বৰং তেওঁ কৈছে—*হিন্দু ধৰ্মৰ মতে তেওঁৰ জাত গ'ল, আৰু উদ্ধাৰ নাই। হীন জাতৰ ভাত খালে বামুণৰ জাত ক'ত থাকে হেঁ?*[২৭] কথকে কিন্তু এই কথাৰ প্ৰতিবাদ কৰিছে আৰু হিন্দুধৰ্মৰ উদাৰতাৰ বিষয়ে যুক্তি দিছে। মানুহ যে ধৰ্ম, জাত-পাতৰ বিচাৰৰ উৰ্দ্ধত সেই কথা প্ৰতিপন্ন কৰিবলৈ তেওঁ কেইজনমান বন্ধু লগত লৈ যুঁজ দিবলৈ সংকল্প লৈছে। লেখকৰ সমাজ সংস্কাৰ সাধনৰ প্ৰয়াস গল্পটোৰ মাজেৰে স্পষ্টকৈ প্ৰকাশ পাইছে।

**জাতিৰামৰ জাত ঃ**

*জাতিৰামৰ জাত* গল্পটোত বেজবৰুৱাৰ সমাজ সংস্কাৰৰ মনোভাৱ স্পষ্ট ৰূপে প্ৰকাশ পাইছে। অসমীয়া সমাজত প্ৰচলিত জাত-পাতৰ সংকীৰ্ণতাক এই গল্পটোত তেওঁ তীব্ৰভাৱে ব্যঙ্গ কৰিছে। নিজকে উচ্চ জাতৰ বুলি গণ্য কৰা এচাম লোকৰ ভণ্ডামী আৰু অন্তঃসাৰ শূন্যতাক তেওঁ উজাৰি দিছে। গল্পৰ কাহিনীত জাতিৰাম শৰ্মাই মীনধৰ উকীলৰ পুতেকে কলিকতাত বঙালী বামুণৰ হাতে ভাত খোৱাৰ কাৰণে জাত গ'ল বুলি কৈ ফুৰিছে। কথাটো শুনি উকীলেও খঙতে অগ্নিশৰ্মা হৈ জাতিৰাম শৰ্মাৰ ভণ্ডামী উদঙাই দিছে। তেনেতে সেই ঠাইত কথকৰ এজন বন্ধু মধুৰাম নেওগ গৈ উপস্থিত হৈছেগৈ। নেওগে মীনধৰ উকীলো যে জাত-পাত সম্পৰ্কে থকা কু-সংস্কাৰৰ উৰ্দ্ধত নহয় সেইকথা তেওঁক গাত লগাকৈ কয় আৰু অসমীয়া মানুহৰ এই কু-সংস্কাৰৰ বিষয়ে এটা অতি দীঘলীয়া বক্তৃতা দিয়ে —

> *ডাঙৰীয়াইও চল পালে লোকৰ জাত-কুল গোধ খুচৰিবলৈ নেৰে। এতিয়া নিজৰ গা পাইছেহি দেখি ডাঙৰীয়াই, লুইতৰ দৰে বঠাৰ কোব নিজৰ গাত কিমান দূৰলৈ*

*বহিছে বুজিব পাৰিছে। পৰৰ নিন্দা কুবাদ বিচাৰি ফুৰাজনক শাস্ত্ৰই খহু বিচাৰি ফুৰা মাখি নাম দিছে। অৱশ্যে মৌমাখি নহয়, গেৰেকনিত ওপজা আৰু গেৰেকনিত প্ৰতিপালিত হৈ ডাঙৰ দীঘল হোৱা সাধাৰণ মাখিহে। পৰৰ দোষ বিচাৰা সকল সদায় নিজৰ দোষৰ ফালে চকু মুদা হয়।*

*(জাতিৰামৰ জাত ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬১৬)*

নিজৰ গাত দোষ পৰা দেখি উকীলে কথকৰ বন্ধু নেওগক কয়— *আপুনি বৌদ্ধ কি খৃষ্টান কিবা এটা হৈছে, নতুবা এইবোৰ বামাণয় শাস্ত্ৰৰ মত উলিয়াই বেদপন্থ ছন কৰি লোকৰ মন মুহিবলৈ যাব কিয়? আপোনাৰ কথা আৰু যুক্তি শুনিলে পাপ হয়।'*[২৮]

নেওগেও *"পাপ হয় যদি নালাগে শুনিব। জাতিৰামৰ জাতৰ হিচাপ-কিতাপৰ 'নিকাচ' কৰি পুণ্য কৰি থাওক"*[২৯] বুলি তাৰ পৰা গুচি আহি গল্পৰ কথকৰ আগত ঘটনাটো কৈছিল। কথকেও নেওগৰ পৰা শুনা ঘটনাটো হুবহু পাঠকৰ আগত দাঙি ধৰিছে।

গল্পটোৰ উপস্থাপনশৈলী অভিনৱ। বক্তব্য প্ৰধান গল্পটোৰ মাজেৰে বেজবৰুৱাৰ প্ৰগতিশীল দৃষ্টিভঙ্গী আৰু সমাজ সচেতনতা প্ৰৱলভাৱে প্ৰকাশ পাইছে।

**ভদৰী ঃ** গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত *ভদৰী* বেজবৰুৱাৰ এটা উল্লেখযোগ্য গল্প। *গাঁৱৰ সহজ-সৰল কৃষক স্বামী-স্ত্ৰী যথাক্ৰমে শিশুৰাম আৰু ভদৰীৰ দৈনন্দিন খেয়ালী সাংসাৰিক জীৱনৰ আৱৰণৰ তলত এক মোহনীয় প্ৰেমৰ স্বচ্ছতাই গল্পটোৰ বিষয়বস্তু।*[৩০] গল্পটোত এগৰাকী সাধাৰণ নাৰী ভদৰীৰ পতিভক্তি আৰু সহনশীলতাৰ চানেকী বেজবৰুৱাই দাঙি ধৰিছে। ভদৰী শিশুৰামৰ পত্নী। তাই প্ৰায়ে হকে বিহকে স্বামী শিশুৰামৰ মাৰ-কিল খায়। বৈবাহিক জীৱনত এইবোৰ থাকেই বুলি তাই সহ্য কৰি আহিছে। কিন্তু এদিন সেই সীমা পাৰ হ'ল। হালবাই আহি ভাত হোৱা নাই কিয় বুলি শিশুৰামে ভদৰীক গালি পাৰিবলৈ ধৰিলে। কেঁচাখৰি ফুঁৱাই ফুঁৱাই বিৰক্ত হোৱা ভদৰীয়েও সেইদিনা এনেদৰে ফেপেৰি পাতি ধৰিলে —

*গেৰেহা কেঁচা খৰি ফুঁৱাওতে ফুঁৱাওতে হাৰাশাস্তি হৈছো। নুবুজা নেমেলাকৈ দুপদুপাই উঠিলেই হ'ল নেকি?*

*(ভদৰী, বেঃ গ্ৰঃ প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৪৫)*

ঘৈণীয়েকৰ কথা শুনি শিশুৰামৰ খঙে চুলিৰ আগ পালেগৈ। *বেটী কি বুলিলি?*[৩১] বুলি সি মৈদাখনেৰে ভদৰীৰ পিঠিত ওপৰা ওপৰিকৈ দুকোব মাৰিলে। তৃতীয় কোৰ মৰাৰ আগতে শিশুৰামৰ ভায়েকে আহি হাতত থাপ মাৰি ধৰিলে। তেজেৰে তুমুৰলি হৈ ভদৰীয়ে জ্ঞান হেৰুৱাই বাগৰি পৰিল। ভদৰীক আঘাত কৰাৰ অপৰাধত শিশুৰাম হাজোতলৈ যাব লগা হ'ল।

চিকিৎসালয়ত তিনিদিনৰ মূৰত ভদৰীয়ে জ্ঞান ঘূৰাই পালে। জ্ঞান ঘূৰাই পায়েই প্ৰথমে ভদৰীয়ে কাষত থকা ডেৰেচীজনক গিৰিয়েকৰ খবৰ সুধিলে। শিশুৰাম হাজোতত থকা বুলি কোৱাত ভদৰী পুনৰ অজ্ঞান হৈ পৰিল। ভদৰীৰ অৱস্থা দেখি ডাক্তৰৰ পৰামৰ্শ মতে শিশুৰামক ভদৰীৰ ওচৰলৈ অনা হ'ল। কিছু সময়ৰ পিছত জ্ঞান পাই ভদৰীয়ে সন্মুখত শিশুৰামক থিয় হৈ থকা দেখি তেওঁৰ গা কেনে আছে, ভাত খালেনে নাই, তেওঁৰ ভাত খোৱাত অসুবিধা হৈছে নেকি ইত্যাদি কথা সুধিবলৈ ধৰিলে।

ভদৰীৰ কথা শুনি শিশুৰামৰ দুচকুৰে দুধাৰ চকুলো বৈ গ'ল। নিজৰ কুকৰ্মৰ বাবে তেওঁৰ অনুশোচনা ওপজিল। ভদৰীয়ে ডাক্তৰৰ আগত মিছা মাতি ক'লে যে—শিশুৰামৰ গাত কোনো দোষ নাই; মাছ বাছিবলৈ যাওঁতে উজুটি খাই মৈদাত পৰোতেহে তাইক কাটিছে। ভদৰীৰ কথা শুনি সকলো অবাক হ'ল। শিশুৰামেও নিজকে সম্বৰণ কৰিব নোৱাৰি হুকহুকাই কান্দিবলৈ ধৰিলে। ভদীৰৰ মুখৰ এই কেইষাৰ বাক্যই পাঠকৰ মনত চৰিত্ৰটোৰ প্ৰতি গভীৰ সহানুভূতি জাগ্ৰত কৰে; লগতে ভদৰীৰ ত্যাগ আৰু আদৰ্শই অন্তৰত সাঁচ বহুৱায়।

কিছুদিন পিছত ভদৰী সুস্থ হ'ল। শিশুৰামৰ নিদোৰ্ষিতা প্ৰমাণ কৰিবলৈ ভদৰীয়ে মিছা

মাতিলে যদিও শিশুৰামৰ তিনিমাহৰ কাৰাবাস হয়। শিশুৰামে হাঁহিমুখে নিজৰ শাস্তি গ্ৰহণ কৰিবলৈ সাজু হ'ল কিন্তু ভদৰীয়ে কান্দি কাটি, দুখমনেৰে ঘৰলৈ ঘূৰি আহিল।

*মুক্তি* ঃ

*মুক্তি* বেজবৰুৱাৰ অন্যতম শ্ৰেষ্ঠ গল্প। গল্পটোত শিশু মনস্তত্বৰ এটা দিশত আলোকপাত কৰা হৈছে। গল্পটোৰ মুখ্য চৰিত্ৰ সুকুমাৰ। চৈধ্য বছৰীয়া সুকুমাৰ ইংৰাজী স্কুলৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। সি মাক-বাপেকৰ আলাসত ডাঙৰ হোৱা ল'ৰা। পঢ়া-শুনাতকৈ প্ৰকৃতিৰ লগতহে তাৰ ঘনিষ্ঠ সম্পৰ্ক। গাঁৱৰ হাবি-বননি, চৰাই-চিৰিকতি, জীৱ-জন্তুৰ প্ৰতি সি গভীৰ তান অনুভৱ কৰে—

> *সুকুমাৰে আগত কিতাপ মেলি লৈ আকাশ-পাতাল ভাবে। ক'ত গছত পকা আম, দহেচীয়া মধুৰিআম আছে, ক'ত ঘৰৰ পানী পাছৰ চুকত বৰলে বাঁহ সাজিছে, সেই বৰলৰ বাঁহ ভাঙি তাৰ টোপ লৈ ক'ৰ পুখুৰীত বৰশী বাই পুঠিমাছ ধৰা যাব, ক'ত গছৰ বাঁহৰ পৰা চৰাই পোৱালি আনি পুহিব লাগিব; পোহনীয়া মেকুৰী, কুকুৰ, পহু পোৱালিৰে কেনেকৈ ধেমালি কৰিব লাগিব ইত্যাদি কথাৰে সুকুমাৰৰ মন ভৰপূৰ; তাত স্কুলৰ পাঠ্য কিতাপৰ কথালৈ ঠাই তাকৰ।*
>
> (*মুক্তি, বেঃ গ্ৰঃ প্ৰথম খণ্ড, পৃষ্ঠা ঃ* ৭৪১)

সুকুমাৰৰ ককায়েক দেৱকুমাৰ এগৰাকী নামী উকীল, ভায়েকৰ পঢ়া-শুনালৈ অমনোযোগী স্বভাৱে তেওঁক চিন্তিত আৰু কঠোৰ কৰি তুলিলে। মাক-দেউতাকে বেছি মৰম কৰি তাক নষ্ট কৰিলে বুলি দেৱকুমাৰে তাক দিবৰুলৈ লৈ গ'ল। নিজৰ লগত ৰাখি ভালকৈ পঢ়ুৱাবলৈ যত্ন কৰি দেৱকুমাৰ ব্যৰ্থ হ'ল। সুকুমাৰৰ পঢ়া-শুনাৰ কোনো উন্নতি নহ'ল, বৰং তাৰ স্বাভাৱিক বুদ্ধি-বৃত্তি ভোটা হৈহে পৰিল।

এদিন সন্ধিয়া পঢ়া নোৱাৰা কাৰণে দেৱকুমাৰে ভায়েকক খুব মাৰিলে আৰু সি বংশৰ কলংক বুলি গালি-শপনিও পাৰিলে। ৰাতি সুকুমাৰৰ ভীষণ জ্বৰ উঠিল আৰু সেই জ্বৰতে চৈধ্য দিনৰ দিনা সুকুমাৰে মৃত্যুক সাৱটি ল'লে।

মানুহৰ অদূৰদৰ্শিতা আৰু অবিবেচনাই সৰল মন-প্ৰাণ কেনেকৈ ধ্বংস কৰি পাৰে, সেই কথা গল্পটোৰ মাজেৰে প্ৰকাশ পাইছে।

**ৰাপিৰাম ঃ**

বেজবৰুৱাৰ এটা সংবেদনশীল গল্প *বাপিৰাম*। জোঁকতলী মৌজাৰ এগৰাকী সম্ভ্ৰান্ত ব্যক্তি সিধাই খাটনিয়াৰৰ পুৰণি লগুৱা বাপিৰাম। বাপিৰামৰ নৈতিকতা, গৃহস্থৰ প্ৰতি থকা দায়িত্ববোধেই গল্পটোৰ মূল উপজীব্য।

স্বৰ্গীয় সিধাই খাটনিয়াৰৰ একমাত্ৰ বালবিধৱা কন্যা তিলকা। ঘাটমাউৰা তিলকা খুড়াক-খুড়ীয়েকৰ তত্ত্বৱধানত থাকে। বাপিৰামে তাইক নিজৰ ল'ৰাটোতকৈও বেছি মৰম কৰে। তিলকাৰ খুড়াক ভূধৰ দীঘলিটিং চাহ বাগিছাৰ বৰমহৰি। উচ্চাকাংক্ষী ভূধৰে লোভৰ বশৱৰ্তী হৈ সেই বাগিছাৰে স্কট চাহাবৰ নিৰ্দেশত ভতিজাকক ভেটিবলৈ সিদ্ধান্ত লয়। বাপিৰামে এই সিদ্ধান্তৰ কথা গম পাই বিৰোধিতা কৰা বাবে স্কট চাহাবে তেওঁক ধৰাই আনি মাৰ-ধৰ কৰে।

নিজৰ স্বাৰ্থৰ কথা নাভাবি তিলকা আৰু পৰিয়ালৰ মান-সন্মান ৰক্ষা কৰিবলৈ বাপিৰামে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিলে। তেওঁ স্কট চাহাবক বাগিছাৰ মাজতে কোবাই চিৰদিনৰ কাৰণে ঘূণীয়া কৰি নিজে তিনিবছৰৰ কাৰাবাস খাটে। বাপিৰামৰ ত্যাগ আৰু মানৱীয়তাই ভূধৰৰ চকু মুকলি কৰে। তেওঁ বাপিৰামৰ ওচৰত নিজৰ ভুল স্বীকাৰ কৰি বাগিছাৰ চাকৰি বাদ দি গাঁৱলৈ ঘূৰি আহে।

*ইংৰাজ চাহ খেতিয়কৰ কমিনী লোলুপতাৰ বিৰুদ্ধে এজন সাধাৰণ খাটি খোৱা অশিক্ষিত মানুহৰ আত্মবলিদানে গল্পটিৰ মহত্ব বঢ়াই তুলিছে।*[৩২]

**ধোঁৱাখোৱা ঃ**

*ধোঁৱাখোৱা* বেজবৰুৱাৰ এটা উল্লেখযোগ্য গল্প। এটা প্ৰাচীন আঢ্যৱন্ত পৰিয়ালৰ অৱক্ষয় গল্পটোৰ মূল উপজীৱ্য।

গঙ্গাৰাম ডাঙৰীয়া এটা অভিজাত পৰিয়ালৰ লোক। হাঁতীদাতৰ চুলাদিয়া কঠাল কাঠৰ খৰম, ডিঙিত জগন্নথীয়া মালা আৰু ৰূপৰ ধোঁৱাখোৱাৰে থুলন্তৰ চেহেৰাৰ ডাঙৰীয়াই নিজৰ পৰিয়ালৰ প্ৰাচীন ঐতিহ্য বজায় ৰাখিব খোজে।

গঙ্গাৰাম ডাঙৰীয়াৰ পুত্ৰ ৰামেশ্বৰেও পিতৃৰ পদাংক অনুসৰণ কৰি ৰূপৰ ধোঁৱাখোৱাৰে ধপাত খাবলৈ শিকিলে। কিন্তু পিতৃৰ মৃত্যুৰ পিছত পৰিয়ালৰ ঐতিহ্য ৰক্ষা কৰিবলৈ তেওঁ অপাৰগ হ'ল, এপদ এপদকৈ তেওঁৰ পৈতৃক সম্পত্তিও নোহোৰা হ'ল। আনকি পিতাকৰ ৰূপৰ ধোঁৱাখোৱাটোও অৱশেষত তেওঁৰ হাতৰ পৰা গ'ল। তাৰ ঠাই ল'লে এটা নাৰিকলৰ ধোঁৱাখোৱাই। ধোঁৱাখোৱা সলনি হ'লেও অভ্যাস একেই থাকিল।

কিছুদিন পিছত ৰামেশ্বৰ ডাঙৰীয়াই এজন এজনকৈ পৰিয়ালৰ আটাইকে হেৰুৱাই অকলশৰীয়া হ'ল। কিহৰ কাৰণে তেওঁৰ এই বিপৰ্যয় ঘটিল, সেয়া কোনেও নাজানিলে।

পৰিয়াল-পৰিজন, ধন-সম্পত্তি হেৰুৱাই ৰামেশ্বৰ ডাঙৰীয়া অকলশৰীয়া হ'ল। নাৰিকলৰ ধোঁৱাখোৱাটো হাতত লৈ তেওঁ টলৌ টলৌকৈ ফুৰিবলৈ ধৰিলে। এনেকৈ ঘূৰি ফুৰোতে এদিন অমুকা পণ্ডিতৰ সৈতে ৰামেশ্বৰ ডাঙৰীয়াৰ দেখা হ'ল। পণ্ডিতে লগ ধৰাত তেওঁ দক্ষিণপাট সত্ৰলৈ বুলি নাৱেৰে যাত্ৰা কৰিলে। সত্ৰলৈ বুলি হাত তুলি সেৱা কৰিবলৈ লওঁতে তেওঁৰ হাতৰ পৰা হঠাতে নাৰিকলৰ ধোঁৱাখোৱাটো নদীৰ পানীত সৰি পৰিল। আগপিছ নাচাই ৰামেশ্বৰ ডাঙৰীয়াই পানীৰ সোঁতত উটি যোৱা ধোঁৱাখোৱাটো ধৰিবলৈ বুলি নৈৰ বুকুত জাপ মাৰি দিলে। তেওঁক আৰু বিচাৰি পোৱা নগ'ল।

*এটা সাধাৰণ খোঁৱাখোৱাই ব্যক্তিৰ জীৱন কিদৰে পৰিচালিত কৰিছে সেইকথা ক'বলৈ যোৱাৰ প্ৰসঙ্গত লেখকে কানি, মদ, ভাং আদি বস্তুৱে মানুহক কিদৰে ধ্বংসৰ মুখলৈ ঠেলি পঠিয়াই, সেই কথাও ব্যক্ত কৰিছে।* [৩৩]

**পাতমুগী ঃ**

*পাতমুগী* বেজবৰুৱাৰ এটা অসাধাৰণ গল্প। নাৰী মনস্তত্বৰ এক উজ্বল চানেকী এই গল্পটোৰ মাজেদি পৰিস্ফুট হৈছে।[৩৪]

*পাতমুগী* গল্পৰ কাহিনী পাতমুগী নামৰ গাভৰু এগৰাকীক কেন্দ্ৰ কৰি নিৰ্মাণ হৈছে। ডবকা মৌজাৰ এগৰাকী বিধৱা আলতীবাইৰ সুন্দৰী কন্যা পাতমুগী। বকতা মৌজাত সিহঁতকৈ উচ্চবৰ্ণৰ যুৱক এজনেৰে পাতমুগীৰ মনৰ মিল হয়। গাঁৰৰ মানুহে এই বিষয়ে আলোচনা কৰাত সি তাইক কেতিয়াও নেৰে আৰু তাইক বিয়া কৰাই ইয়াতে থাকিব বুলি এখন কাগজত লিখি দিলে আৰু পাতমুগীহঁতৰ ঘৰতে থাকিবলৈ ল'লে।

এবছৰমান পিছত এদিন সি হঠাতে নোহোৱা হ'ল। কান্দি কাটি পাতমুগী বাউলী হ'ল। গল্পৰ কথকে বকতালৈ গৈ গম পালে, সি তাৰ গাঁৱলৈ গৈ পৰাচিত হৈ জাতত উঠিল আৰু নিজৰ জাতৰ ছোৱালী এজনী বিয়া কৰালে। গিৰিয়েকৰ এই কাৰ্যৰ বাবে পাতমুগীয়ে গোচৰ তৰিবলৈ ঠিক কৰিলে। এদিন মাক আৰু সম্বন্ধীয় দদায়েকৰ (গল্পৰ কথক) লগত তাই কাছাৰীলৈ বুলি ওলাল।

কাছাৰীলৈ যোৱাৰ বাটত আদহীয়া দদায়েকৰ তাইৰ প্ৰতি প্ৰদৰ্শন কৰা দুৰ্বলতা আৰু কাছাৰীত পোৱা উকীলৰ নিৰ্দয় ব্যৱহাৰ দেখি তাইৰ মন সলনি হ'ল। গিৰিয়েকৰ ওপৰত গোচৰ নতৰিবলৈ তাই সিদ্ধান্ত ল'লে। কাৰণ *পুৰুষ জাতিৰ প্ৰৱঞ্চনা, নিষ্ঠুৰতা আৰু দুৰ্বলতাৰ বিষয়ে তাইৰ যি অভিজ্ঞতা হ'ল তাৰ পিছত তাইৰ গিৰিয়েকৰ প্ৰতি ক্ষোভ ৰখাৰ কোনো অৰ্থ নাই।* [৩৫] কিয়নো তাইৰ গিৰিয়েকেই কেৱল এই দোষত দোষী নহয়।

এই অভিজ্ঞতাই পাতমুগীক এগৰাকী অন্য নাৰীলৈ ৰূপান্তৰ কৰিলে। তাই নিজৰ জীৱন মানৱ সেৱাৰ বাবে উৎসৰ্গা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে।

**কন্যা ঃ**

বেজবৰুৱাৰ এটা অন্যতম শ্ৰেষ্ঠ গল্প *কন্যা*। *কন্যা গল্পটোত মানুহ আৰু প্ৰকৃতিৰ মাজৰ নিবিড় সম্পৰ্ক মূৰ্ত হৈ উঠিছে। টমাছ হাৰ্ডিৰ উপন্যাসত প্ৰকৃতি যিদৰে এটা জীৱন্ত চৰিত্ৰলৈ ৰূপান্তৰিত হৈছে, সেইদৰে বেজবৰুৱাৰ এই গল্পটোতো কন্যা নদীটোৱে সজীৱ চৰিত্ৰৰ ৰূপ লাভ কৰা দেখা গৈছে।* [৩৬] গল্পৰ পটভূমি *কন্যা* নামৰ পাহাৰী নৈখনৰ পাৰ। গল্পৰ কথকে কৰ্মসূত্ৰে কিছুদিন তাত বাস কৰিছিল। কোল জনজাতিৰ আবাস থলী উৰিষ্যাৰ এই ঠাইখনৰ প্ৰাকৃতিক পৰিৱেশ অতি মনোৰম। তাৰ পৰিৱেশে তেওঁক মুগ্ধ কৰিছে। সেয়ে গল্পটোৰ প্ৰায় আধা অংশই নদীখন আৰু ঠাইখনৰ বৰ্ণনাই আগুৰি আছে।

গল্পটোত *কন্যা* নদীৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি তোলা এহাল ডেকা-গাভৰুৰ সহজ-সৰল প্ৰেম আৰু সিহঁতৰ কৰুণ পৰিণতিৰ কাহিনী ৰূপায়িত হৈছে। গল্পৰ নায়ক এগৰাকী কুৰি বছৰীয়া কোল ডেকা। সি সদায় আবেলিৰ পৰা গধূলিলৈকে নৈখনৰ ঘুলি এটাত বৰশী বায়, তাৰ উদ্দেশ্য কিন্তু মাছ ধৰা নহয়, নৈখনৰ সিপাৰে অকলশৰে পানী নিবলৈ অহা কোল গাভৰু এগৰাকীৰ সৈতে দৃষ্টি বিনিময়হে। গাভৰু গৰাকীয়েও নিতৌ পানী নিবলৈ আহি মাটিৰ কলহটোকে ঘঁহি-পিহি তালৈ কেৰাহিকৈ চাই সময় পাৰ কৰে। সেয়ে সন্ধিয়ালৈ তাইৰ কলহটোৱে ভৰোৱা নহয়। সিহঁতক কিন্তু কোনোদিনে এষাৰিও কথা পতা কথকে দেখা নাই।

এদিন ল'ৰাজনে বৰশী বোৱা ঠাই টুকুৰাতে অজগৰ সাপ এডালে লৰচৰ কৰি দিয়াত সি উচপ খায় জাপ মাৰি দিওতে পানীত পৰে আৰু তাৰ মৃত্যু হয়। কেইদিনমান পিছত সেই ঠাই টুকুৰাতে পানীত ওপঙি থকা অৱস্থাত গাভৰুগৰাকীৰ মৃতদেহো উদ্ধাৰ হয়।

এইদৰে এহাল ডেকা-গাভৰুৰে কৰুণ মৃত্যুক সাৰটি লোৱা ঘটনাৰ স্মৃতিয়ে কথকক আমনি কৰে।

**জলকুঁৱৰী ঃ**

*জলকুঁৱৰী* এটা আকৰ্ষণীয় গল্প। প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ আৰু বাস্তৱ জীৱনত জাগ্ৰত হোৱা সময় সচেতনতাৰ প্ৰকাশ, গল্পটোৰ মূল উপজীব্য।

প্ৰকৃতিৰ কোলাত, ৰূপহী নৈৰ বুকুত খেলি ডাঙৰ হোৱা ছোৱালী এজনীৰ জীৱনলৈ যৌৱন আহে। এদিন তাইৰ বিয়া ঠিক হয়। ৰূপহীৰ প্ৰতি থকা তাইৰ তীব্ৰ আকৰ্ষণে ভাবি স্বামীক অসন্তুষ্ট কৰে। তাইক এৰি তেওঁ বিদেশলৈ যাবলৈ ওলাল। তাই বিপাঙত পৰে যদিও, সময়ত সঠিক সিদ্ধান্ত গ্ৰহণ কৰে। মনৰ উদ্বিগ্নতাৰে নৈৰ পাৰত বহি থাকোতে তাইৰ ভাবি স্বামীয়ে আহি তাইৰ দুচকু জপাই ধৰে। তেওঁক দেখাৰ পিছত *দুইৰো মাজত হাঁহিৰ ধুম পৰি গ'ল* [৩৭], তেতিয়া *বাকী খাগৰি যি আছিল আটাইকেইডাল তাই গোটাই আনি একেবাৰেই ছাকনৈয়াত পেলাই দি* ঘৰলৈ ঘূৰি আহিল।[৩৮]

*ছোৱালীজনীয়ে হ'ব খোজা স্বামীৰ সৈতে ৰস পাই, মুকলি মনেৰে হঁহা কথাটোৱে তাই সহজে বাস্তৱতাক স্বীকাৰ কৰি ল'ব পৰা কথাটোৰ ইংগিত দিছে—তাই জানে তাই চিৰদিন এনেকৈ মুকলিমুৰীয়াকৈ থাকিব নোৱাৰে, সেই মুকলিমুৰীয়া দিনবোৰ এৰি অহাত বিষাদো আছে, আনন্দও আছে।* [৩৯]

**২.৬ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বিষয়বস্তু ঃ**

চুটিগল্পৰ এটা প্ৰধান উপাদান হ'ল বিষয়বস্তু বা কথাবস্তু। লেখকে কোনবোৰ বিষয়ক চুটিগল্পৰ বাবে নিৰ্বাচন কৰিব তাৰ কোনো ধৰাবন্ধা নিয়ম নাথাকে। কিয়নো *আমি সদায় দেখি থকা কথা এটাও লেখকৰ বাবে তাৎপৰ্যপূৰ্ণ হৈ উঠিব পাৰে। এই বৈচিত্ৰ বা তাৎপৰ্য*

*নির্ভৰ কৰে লেখকৰ দৃষ্টিভঙ্গীৰ ওপৰত। যিকোনো কথাকে বিশেষ দৃষ্টিভঙ্গীৰ দ্বাৰা লেখকে অৰ্থব্যঞ্জক কৰি গল্পৰ উপাদান কৰি তুলিব পাৰে।*[৪০]

*লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বিষয়বস্তু আৰু ভাববস্তু বহু বৰ্ণময় নহয়; সমকালীন সমাজ চেতনাৰ পৰাই বেজবৰুৱাই গল্পৰ বিষয়বস্তু গ্ৰহণ কৰা দেখা যায়।*[৪১] *বেজবৰুৱাই ঘাইকৈ তিনিটা উৎসৰ পৰা তেওঁৰ গল্পৰ বিষয়বস্তু গ্ৰহণ কৰিছিল। (১) সমসাময়িক অসমীয়া সমাজ (২) কলিকতা আৰু সম্বলপুৰ আদি ঠাইৰ প্ৰবাসী অভিজ্ঞতা (৩) অসমৰ অতীত বুৰঞ্জী আৰু জন উপাখ্যান আদি।*[৪২]

১। লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ কেইটামান গল্পৰ বিষয়বস্তু ৰূপে গ্ৰহণ কৰিছিল ঊনৈশ শতিকাৰ অসমীয়া সমাজৰ কিছুমান অৰ্ধশিক্ষিত, ইংৰাজী সংস্কৃতিৰ অন্ধ অনুকৰণকাৰী লোকৰ কাৰ্য-কলাপ। *আত্ম প্ৰত্যয়হীন, তথাকথিত বৰলোক বোলোৱা এক শ্ৰেণী লোকে শাসকবৰ্গৰ বাহ্যিকতাত মোহ গৈ নিজকে তাৰ সাঁচত ঢালিবলৈ চেষ্টা কৰি ধন্য হৈছিল।*[৪৩] *ইংৰাজী শিক্ষা গ্ৰহণ কৰি নিজৰ সাংস্কৃতিক প্ৰমূল্যসমূহৰ গুৰুত্ব বুজিবলৈ অসমৰ্থ হোৱা, নকল চাহাবৰ ভাও দিবলৈ লোৱা ডেকা কিছুমানৰ শাৰীৰিক শ্ৰমক শ্ৰদ্ধা কৰিবলৈ এৰা মনোভাব প্ৰায়েই বেজবৰুৱাৰ ব্যঙ্গৰ লক্ষ্য হৈ পৰিছিল।*[৪৪] *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা, ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা* আৰু *ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলা* আদি এই শ্ৰেণীৰ গল্পৰ অন্তৰ্গত।

২। লক্ষ্মীনাথ বেজবৰুৱাই সমসাময়িক সমাজৰ ইংৰাজী শিক্ষাৰ সংস্পৰ্শলৈ অহা কিছুমান লোক কেতবোৰ কাৰ্য-কলাপৰ জৰিয়তে উদ্ভৱ হোৱা উদ্ভট আৰু হাস্যকৰ পৰিস্থিতিক তেওঁৰ কেইটামান গল্পৰ বিষয়বস্তু ৰূপে গ্ৰহণ কৰিছে। বিশেষকৈ পাশ্চাত্য সাহিত্যৰ নাটক, উপন্যাস আৰু কবিতা অধ্যয়নৰ পোনপটীয়া আৰু আওপকীয়া প্ৰভাৱে

সমাজত এচাম লোকৰ মাজত কেনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল তাৰ চিত্ৰ *জগৰা মণ্ডলৰ প্ৰেমাভিনয়, নাঙলুচন্দ্ৰ দাস, আমাৰ সংসাৰ-১* আৰু *প্ৰথম দৰ্শনত ওপজা প্ৰেম* আদি গল্পৰ মাজেৰে ৰূপায়িত হৈছে।

৩। লক্ষ্মীনাথ বেজবৰুৱাই আন কেইটামান গল্পত লোভী আৰু অৰ্থহীন সামাজিক মূল্যবোধত বিশ্বাসী, ইংৰাজী শাসকবৰ্গৰ অনুগত কিছুমান আমোলা, ডাঙৰীয়া আৰু মৌজাদাৰ শ্ৰেণীৰ লোকৰ কাৰ্য-কলাপক বিষয়বস্তু হিচাপে গ্ৰহণ কৰিছে। *ভেমপুৰীয়া মৌজাদাৰ* আৰু *ঘণ্টাকৰ্ণ শৰ্মা* এই শ্ৰেণীৰ গল্প।

৪। ইংৰাজ শাসকবৰ্গৰ অনুগত সত্ৰাধিকাৰসকলে সাধাৰণ প্ৰজাৰ ওপৰত চলোৱা অত্যাচাৰো বেজবৰুৱাৰ গল্পৰ বিষয়বস্তু ৰূপে নিৰ্বাচিত হৈছিল। *জুৰমন ৰাইডঙীয়া* গল্পত সাধাৰণ খেতিয়ক জুৰমনক সত্ৰাধিকাৰ প্ৰভুৱে চলোৱা শাৰীৰিক-মানসিক অত্যাচাৰৰ কাহিনী ৰূপায়ণ কৰিছে।

৫। লক্ষ্মীনাথ বেজবৰুৱাই ঊনবিংশ শতিকাৰ ভাৰতীয় হিন্দু সমাজত জাত-পাতৰ নামত প্ৰচলিত বৈষম্যকো কেইবাটাও গল্পৰ বিষয়বস্তু ৰূপে গ্ৰহণ কৰিছে। এই গল্পসমূহত তেওঁ পূৰ্বপুৰুষৰ নাম লৈ বৰজাতৰ বুলি গপত ওফন্দি থকা অসমীয়াৰ জাত্যাভিমানক নিন্দা কৰিছে। জাত-পাত আৰু ধৰ্মীয় সংকীৰ্ণতাই সেই সময়ৰ সমাজৰ কিছুমান নৰ-নাৰীৰ জীৱনলৈ কেনেদৰে দুৰ্ভাগ্য আৰু কাৰুণ্য কঢ়িয়াই আনিছিল সেই কথাও তেওঁ কেইটামান গল্পৰ মাজেৰে অতি মৰ্মস্পৰ্শীভাৱে উপস্থাপন কৰিছে।

সেই সময়ত শিশু সকলো এই কু-সংস্কাৰৰ গ্ৰাসৰ পৰা হাত সাৰিব পৰা নাছিল। *ধৰ্মধ্বজ ফয়চলা নবিচ* গল্পটোত জয়চন্দ্ৰৰ নাবালক ল'ৰা নোমলে ফয়চলা নবিচৰ পুখুৰীত পানী খোৱা বাবে তেওঁৰ নানান ককৰ্থনা শুনিব লগা হয়। ফলত জয়চন্দ্ৰই মনৰ দুখতে

ধৰ্মান্তৰিত হয়। *নিস্তাৰিণী দেৱী* গল্পটোত ৰৰ্দ্ধমান জিলাৰ বামুণগাঁৱৰ ৭ বছৰীয়া নিস্তাৰিণীয়ে ঈদৰ দিনা মুছলমান মানুহ এঘৰত ছেৰৈ খোৱা বাবে সমাজৰ কঠোৰ শাস্তিৰ গ্ৰাসত পৰি গোটেই জীৱন জীয়াতু ভুগিব লগা হৈছে। *লম্বোদৰ ডেকা, জাতিৰামৰ জাত, কাশিবাসী* আদি গল্পতো এনে বৈষম্য আৰু কাৰুণ্যৰ কাহিনী ৰূপায়ণ কৰিছে।

৬। বেজবৰুৱাৰ সমসাময়িক সমাজত ইংৰাজে অবাধে কানিৰ ব্যৱসায় চলাইছিল। কানিৰ লগতে ভাং আৰু ফটিকাৰো অবাধ প্ৰচলন আছিল। কানি সেৱনৰ ব্যাপকতা, কানিৰ ক্ষতিকাৰক দিশ আৰু কানি পাণ কৰা সোৰোপা অসমীয়াৰ ব্যভিচাৰো বেজবৰুৱাৰ গল্পৰ বিষয়বস্তু আছিল। *মিলাৰামৰ আত্মজীৱনী, আমাৰ কানিয়া সভাৰ অধিৱেশন, আৰ্জি, চেনিচম্পা, ভুৰুকী বৌ* আদি এনে বিষয়বস্তুৰে ৰচিত গল্প।

৭। লক্ষ্মীনাথ বেজবৰুৱাই মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কক লৈয়ো কেইবাটাও গল্প ৰচনা কৰিছে। *জলকুঁৱৰী, কন্যা, নকওঁ, ৰতনমুণ্ডা, কেহোঁকলি, মুক্তি* আদি গল্পত মানুহ আৰু প্ৰকৃতিৰ মাজৰ নিবিড় সম্বন্ধৰ কাহিনী ৰূপায়ণ কৰিছে। *জলকুঁৱৰী*ৰ বিষয়বস্তু প্ৰকৃতিৰ সৈতে এগৰাকী ৰূপহী গাভৰুৰ অন্তৰংগতা। ৰূপহী নৈৰ বুকুত ইকৰা-খাগৰীৰে খেলি থাকি দিনৰ বেছিভাগ সময় পাৰ কৰা গাভৰু গৰাকীয়ে বিয়াত বহিবলৈ মান্তি হৈ ঘৰলৈ ঘূৰি আহোতে বাকী থকা ইকৰা-খাগৰী সোপাকে নৈৰ বুকুৰ চাকনৈয়ালৈ দলিয়াই দিয়ে। তিনিটা হাত চাপৰি মাৰি তাই কৈছে—*এই চাকনৈয়াত এজনী ছোৱালী এতিয়াই বুৰি মৰিল। মই মইনা চৰাই; মোক সজাত সুমাই থোৱাগৈ, ব'লা।*[৪৬] গাভৰু গৰাকীৰ এই উক্তিয়ে তাইৰ মনৰ বেদনাৰাশি প্ৰকাশ কৰিছে। এই কাৰ্যত এটা স্বাধীন সত্বাৰ মৃত্যু হৈছে। প্ৰকৃতিৰ সতে হোৱা বিচ্ছেদৰ যন্ত্ৰণা আৰু কাৰুণ্য গল্পটোৰ মাজেৰে প্ৰকাশ পাইছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ *মুক্তি* গল্পটোত প্ৰকৃতিৰ সতে উমলি-জামলি ডাঙৰ হোৱা মুকলিমূৰীয়া সুকুমাৰৰ প্ৰকৃতিৰ সৈতে বিচ্ছেদ ঘটিছে। ককায়েকে শাসনৰ শৃংখলাৰে

চহৰলৈ নি সুকুমাৰক বন্দী কৰি ৰাখে। প্ৰকৃতিৰ বুকুৰ পৰা আঁতৰি থকাৰ যন্ত্ৰণা সহ্য কৰিব নোৱাৰি সুকুমাৰ এই পৃথিৱীৰ পৰা আঁতৰি যায়। *কেহোঁকলি* গল্পতো প্ৰকৃতিৰ সৈতে বতাহীৰ অভিন্ন সম্পৰ্কক বিষয়বস্তু ৰূপে গ্ৰহণ কৰিছে।

৮। *বেজবৰুৱাৰ ৰতনমুণ্ডা, কন্যা, নকওঁ আদি গল্পৰ বিষয়বস্তু প্ৰকৃতি জগতৰ সৈতে মানুহৰ সহাৱস্থান আৰু প্ৰেমৰ পটভূমি ৰূপে প্ৰকৃতিৰ অৱদান।* *ৰতনমুণ্ডাত* ৰতন আৰু জুমুৰীৰ প্ৰেম আৰু মিলনত ঘৰৰ মানুহে হেঙাৰ ৰূপে থিয় হোৱাত প্ৰেমিক যুগলে অৰণ্যৰ মাজলৈ পলাই গৈ প্ৰকৃতিৰ বুকুত আশ্ৰয় লৈছে। *কন্যাতো* প্ৰকৃতিৰ বুকুতে কন্যা নদীৰ পাৰত এহাল কোল ডেকা-গাভৰুৰ নীৰৱে মনৰ মিলন ঘটিছে। বেজবৰুৱাৰ *নকওঁ* নামৰ গল্পটোত গাঁৱৰ পৰা পলাই যোৱা এহাল ডেকা-গাভৰুৱে সমাজৰ চকুৰ আঁৰত অৰণ্যৰ মাজত গোপনে যুগ্মজীৱনৰ পাতনি মেলিছে। সমাজৰ আপোনজনৰ মাজত থকাতকৈ অটব্য অৰণ্যৰ মাজতহে তেওঁলোকে নিজকে নিৰাপদ অনুভৱ কৰিছে।

৯। বেজবৰুৱাই তেওঁৰ এই গল্পসমূহত প্ৰকৃতিৰ অনাবিল সৌন্দৰ্য, শান্ত সমাহিত ৰূপৰ বৰ্ণনা কৰাৰ লগে লগে ইয়াৰ নিজম, গহীন আৰু জয়াল ৰূপো দাঙি ধৰিছে। তেওঁৰ গল্পত প্ৰকৃতিয়ে মানুহক যেনেকৈ আশ্ৰয়, নিৰাপত্তা আৰু সঙ্গ দিছে, তেনেকৈ ইয়াৰ ভয়াৱহতাই মানুহক নিঃসঙ্গও কৰিছে। *কন্যা* আৰু *ৰতন মুণ্ডাত* বেজবৰুৱাই এই দুয়োটা ৰূপকে দাঙি ধৰিছে। *কন্যাত* কোল ডেকাজনে বৰশী বোৱা ঠাইতে অজগৰ সাপ এডালে লৰচৰ কৰি দিাত সি ভয় খাই পানীত জাপ মাৰি পৰে। তাতে ডেকাজনৰ মৃত্যু ঘটে। সেই ঠাইতে দুদিনমান পিছত গাভৰু গৰাকীয়েও একে পথকে অনুসৰণ কৰি সৰল প্ৰেমৰ চানেকী দাঙি ধৰিছে। *ৰতনমুণ্ডাত* ৰতন আৰু জুমুৰীয়ে অৰণ্যৰ মাজত আশ্ৰয় লৈ থকা সময়তে এদিন এটা পৰ্বতীয়া জুৰিত গা ধুবলৈ যোৱা ৰতন নিখোজ হয়। ৰতন আহিব বুলি

অকলশৰে ৰৈ থকা জুমুৰীক কমিশ্যনাৰ চাহাবে হাবিৰ পৰা উদ্ধাৰ কৰি আনে। গাঁৱৰ মানুহ আনকি মাক-বাপেকেও তাইক যখিনী বুলি ঘৰত আশ্ৰয় নিদিয়াত চাহাবে জুমুৰিক ছাইৰাচৰ খ্ৰীষ্টান মিশ্যনেৰীৰ বৰ্ডিঙত থৈ দিয়ে।

বেজবৰুৱাৰ *নকওঁ* গল্পটোত প্ৰকৃতিৰ মৌন, গহীন ৰূপ আৰু *এৰাবাৰীত* সজীৱ সহানুভূতিশীল ৰূপ ফুটি উঠিছে। *এৰাবাৰীত* তেওঁ প্ৰকৃতি জগতক মানৱীয় গুণেৰে জীৱন্ত কৰি তুলিছে।

১০। বেজবৰুৱাৰ কেইটামান গল্পৰ বিষয়বস্তু নৰ-নাৰীৰ মানৱীয় প্ৰেমৰ বিভিন্ন দিশ। তেওঁ কেইটামান গল্পত গ্ৰাম্য জীৱনৰ সৰল, গভীৰ প্ৰেম-প্ৰণয়ক বিষয়বস্তু ৰূপে গ্ৰহণ কৰাৰ বিপৰীতে আন কেইটামান গল্পত অগভীৰ আৰু ভণ্ড প্ৰেমৰ স্বৰূপ আৰু পৰিণতি দেখুৱাইছে। *ভদৰী ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ* আদি গল্পৰ বিষয়বস্তু খহতা ৰূপৰ তলত লুকাই থকা সৰল দাম্পত্য প্ৰেম, *মাধৈমালতীত* সাধাৰণ কেৰাণী সনাতনলৈ মাধৈমালতীৰ আৰু *কনকলতাত* গগনৰ প্ৰতি কনকলতাৰ গভীৰ প্ৰেম। বেজবৰুৱাৰ *প্ৰথম দৰ্শনত ওপজা প্ৰেম* গল্পত অগভীৰ প্ৰেমৰ পৰিণতি দেখুৱাইছে। *পাতমুগীত* জৈৱিক কামনাকে প্ৰেমৰ নাম দি ভণ্ড প্ৰেমিক বামুণৰ ল'ৰাই পাতমুগীক বিয়া কৰাই এবছৰ পিছতে এৰি থৈ গৈছে।

১১। বেজবৰুৱাই ভাৰতীয় পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ স্থান আৰু মৰ্যদাক বিষয়বস্তু ৰূপে লৈ কেইবাটাও গল্প ৰচনা কৰিছে। সাধাৰণ কথাতে ঘৈণীয়েকক শাৰীৰিক, মানসিকভাৱে অপদস্ত কৰা, ঘৰৰ পৰা জীয়ৰী-বোৱাৰীক খেদি দি আশ্ৰয়হীন কৰা কাহিনী তেওঁ *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ, ভদৰী, যেনে চোৰ তেনে টাঙোন, কাশীবাসী, নিস্তাৰিণী দেৱী* আদি গল্পত ৰূপায়িত কৰিছে। চাকৰিৰ উন্নতিৰ বাবে *বাপিৰামত* নিজৰ বাল বিধবা ভতিজাকক ভূধৰে চাহাবক ভেটিবলৈ ওলাইছে। *শিৱপ্ৰসাদ* আৰু *আমালৈ নেপাহৰিব* গল্পত কেইটামান টকাৰ লোভত গিৰিয়েক ৰূপী শিৱপ্ৰসাদে লছমনীয়াক আৰু পাণ্ডাৰ

ল'ৰাই অসমীয়া গাভৰু এগৰাকীক কুলিৰ ডিপোত বেচিছে। *এৰাবাৰীৰ* সৰু বৌ আৰু *লাওখোলাৰ* নলিনীয়ে পুৰুষৰ ভোগৰ সামগ্ৰী হৈ শেষত মৃত্যুক সাৱটি লৈছে। *সেউতী* গল্পত কুসংস্কাৰৰ বশৱৰ্তী হৈ *সেউতী*ক জাশাহু আৰু শাহুৱেকে মিলি ভাতৰ লগত বিহ দি হত্যা কৰিছে। *চেনিচম্পাত* ডেকাসকলৰ পৰা বিনা পইচাই কানি আৰু ফটিকা খাবলৈ পোৱাৰ আশাত নিজৰ দেউতাকেই পন্য সমাগ্ৰীৰ দৰে চেনিচম্পাক ব্যৱহাৰ কৰিছে। *ৰচিত* আৰু *ললিতী কাকতীত* স্বামীৰ অকথ্য নিৰ্যাতন সহ্য কৰিব নোৱাৰি বৃন্দা আৰু ললিতী পিতৃগৃহলৈ ঘূৰি আহিছে। ললিতীয়ে কিন্তু স্বামীৰ এনে কাৰ্যৰ প্ৰতিবাদ নকৰাকৈ থকা নাই। তেওঁ হাকিম স্বামীৰ স্বৰূপ বৰ্ণনা কৰি *বাঁহী*ৰ সম্পাদকলৈ এখন চিঠি লিখি নিজৰ মনৰ ক্ষোভ প্ৰকাশ কৰিছে। চিঠিত কেৱল স্বামী শ্ৰীকান্তই নহয় তেওঁৰ দৰে সমগ্ৰ পুৰুষ জাতিৰ প্ৰতি ঘৃণা আৰু বিদ্বেষ পোষণ কৰি তাৰ প্ৰতিবাদ কৰিছে। পুৰুষে নাৰীক এনেদৰে প্ৰৱঞ্চনা কৰা অধিকাৰ যে নাই, সেই কথা ললিতীৰ মুখেৰে বেজবৰুৱাই ব্যক্ত কৰাইছে। পাতমুগীত পুৰুষৰ প্ৰৱঞ্চনা, দুৰ্বলতা আৰু নিষ্ঠুৰতাৰ প্ৰমাণ পোৱা পাতমুগীয়ে সাধাৰণ সামাজিক জীৱন ত্যাগ কৰি দেশ সেৱাৰ নামত নিজকে অৰ্পণ কৰিছে।

১২। অসমৰ অতীত বুৰঞ্জীক বিষয়বস্তু হিচাপে লৈ বেজবৰুৱাই কেইবাটাও গল্প ৰচনা কৰিছে। *এইবোৰ গল্পৰ মাজেৰে বেজবৰুৱাই ইতিহাসৰ কোনো এটা ঘটনাক দাঙি ধৰিবলৈ চেষ্টা কৰা নাই।*[৪৯] গল্পবোৰৰ কেতবোৰ চৰিত্ৰৰ মাজেৰে তেওঁ সেই সময়ৰ কিছুমান চিত্ৰহে দাঙি ধৰিছে। *মালতী* আৰু *মৈদাম* গল্পত আহোম স্বৰ্গদেউ আৰু ৰাজ বিষয়াসকলৰ স্বেচ্ছাচাৰী শাসন আৰু অমানৱীয় আচৰণ দাঙি ধৰিছে। *কনকলতাৰ* পটভূমি স্বৰ্গদেউ জয়ধ্বজ সিংহৰ সময়ৰ মুছলমানৰ আক্ৰমণ। অসমীয়া ভীৰু ৰজাৰ তুলনাত তলতীয়া কৰ্মচাৰীৰ বিক্ৰমহে বেজবৰুৱাই গল্পটোত দাঙি ধৰিছে। *জয়ন্তী, কাশীবাসী* আৰু *ধৰ্মধ্বজ ফয়চলা নবিচ*ত মানৰ আক্ৰমণ, তাৰ বিভীষিকা আৰু পৰিণতি ৰূপায়িত হৈছে।

১৩। সপোনক সাৰথি কৰি বেজবৰুৱাই কেইবাটাও গল্প লিখিছে। ওপৰত উল্লেখ কৰা *মৈদাম* গল্পটো সপোনৰ আধাৰত ৰচিত। *লোভ, স্বৰ্গাৰোহণ, বিহু, এৰাবাৰী* আৰু *লাওখোলা* গল্পও একেধৰণৰ সপোনৰ আলমত ৰচিত। *লোভ* এটা নিচেই চুটিগল্প। *এবাহ পোণামাছৰ মাজৰ পৰা বৰশী টোপাই শ'লমাছ এটা ধৰি আনি খোৱাৰ পিছত ৰাতি সপোনত সেই নিঠৰুৱা পোণামাছ বাহেই এজাক কেঁচুৱা হৈ আহি মাকক ধৰি খোৱা নিষ্ঠুৰ মানুহজনক বেঢ়ি কান্দিব লাগিছে।*[৫০]

*স্বৰ্গাৰোহণত* মানুহে স্বৰ্গ, স্বৰ্গ বুলি মিছাতে হাবাথুৰি খাই শেষত সকলো অসাৰ বুলি গম পালে কেনেদৰে হতাশ হয়, তাকে সপোনত দেখা কাহিনী এটাৰে বেজবৰুৱাই বৰ্ণনা কৰিছে। সপোনক আধাৰ কৰি লিখা বেজবৰুৱাৰ এটা বিশিষ্ট গল্প *বিহু*। এই গল্পটোত মূৰত আঘাট পাই অজ্ঞান হৈ থকা অৱস্থাতে সপোনত দেখা কাহিনী কথকে বৰ্ণনা কৰিছে। সেই সময়ৰ কিছুমান শিক্ষিত, অৰ্ধশিক্ষিত লোকৰ *বিহু* বিৰাগ আৰু কিছুমান সাধাৰণ লোকে যে বিহুটিক কিমান আদৰ-সাদৰেৰে পালন কৰি জীয়াই ৰাখিছে সেই বিষয়বস্তুকে তেওঁ ইয়াত গল্পৰ ৰূপ দিছে।

*এৰাবাৰী* গল্পত কথক এগৰাকী পিটিচন ৰাইটাৰ। ঘৈণীয়েকৰ লগত কাজিয়া কৰি আহি তেওঁ এখন এৰাবাৰীত সোমাল। কানীয়া পিটিচন ৰাইটাৰৰ কানিৰ ৰাগী লাগি তাতেই টোপনি আহিল। টোপনিতে তেওঁ দেখা সপোনৰ কাহিনীকে তেওঁ *এৰাবাৰী* গল্পটোত বৰ্ণনা কৰিছে।

*লাওখোলা* গল্পটো কথকে ৰাতি টোপনিত পৰাৰ পিছত লগ পোৱা এটা ভৌতিক চৰিত্ৰই বৰ্ণনা কৰা কাহিনীহে। গল্পৰ কথকে বাগনবাড়ীত পুখুৰীৰ পাৰত মুকলিতে শুইছিল। সেইদিনা সেই পুখুৰীটোত মাছ মাৰোতে জালত এটা লাওখোলা উঠি আহিছিল। লাওখোলাতো কথকে কাষৰ নৰ্দমাত পেলাই দিয়ালে। ৰাতি সেই লাওখোলাটোৱেই এগৰাকী নাৰীৰ ৰূপত তেওঁক দেখা দি নিজৰ জীৱনৰ কৰুণ কাহিনী শুনায়।

১৪। বেজবৰুৱাৰ কেইটামান চুটিগল্পৰ বিষয়বস্তু হ'ল ৰেলযাত্ৰাৰ অভিজ্ঞতা। ৰেলত লগ পোৱা কেইগৰাকীমান ব্যক্তিৰ কাহিনীৰে তেওঁ *মিষ্টাৰ ফিপ্সন, ডাক্তৰ বাবু, ছাইমন, মগনিয়াৰ বুঢ়া, মাৰ্জাৰি* আদি গল্প ৰচনা কৰিছে। *মিষ্টাৰ ফিপ্সন* গল্পত বেজবৰুৱাই এজন দুৰ্ভগীয়া সন্তানে মাতৃৰ সন্ধান কৰি ব্যৰ্থতাৰ মুখ দেখাৰ কৰুণ কাহিনী ব্যক্ত কৰিছে। *ছাইমন* এগৰাকী প্ৰবাসী অসমীয়া মহিলাৰ কাহিনী। অসমৰ পৰা সৰুতে কলিকতালৈ যোৱা ছোৱালী এজনীয়ে ডাঙৰ হৈ এজন চীনা মানুহক বিয়া কৰাই বোম্বাই পালেগৈ। ডাঙৰ পুতেকৰ বিলাসপুৰৰ ঘৰলৈ আহোতে তেওঁ গল্পৰ কথকক তাতে লগ পাই তেওঁৰ সমস্ত কাহিনী বিৱৰি কৈছে। সৎ আৰু দয়ালু মানৱপ্ৰেমী ডাক্তৰ পুতেকৰ লগত তেওঁ সুখী যদিও অসমত থকা মাকৰ স্মৃতিয়ে তেওঁক আমনি কৰে বুলি কথকক কৈছে আৰু পাৰে যদি মাকক বিচাৰি খবৰ ল'বলৈ অনুৰোধ কৰিছে।

*ডাক্তৰ বাবুত* এজন ডাক্তৰে চোৰ কৰি ধৰা পৰা এটা সৰু ল'ৰাক ঘৰলৈ নি ডাঙৰ-দীঘল কৰিছে। পিছত সৎপথলৈ আহি গৃহস্থক মৰম লগাব পৰা ল'ৰাজনে প্ৰেমৰ বাবে কৰুণ মৃত্যুক আকোঁৱালি লৈছে। আত্মহত্যা কৰা ল'ৰাজনক নিজে প'ষ্টমৰ্টেম কৰিব লগা হোৱাৰ দুখ ডাক্তৰ বাবুৱে সহযাত্ৰী সকলৰ আগত বৰ্ণনা কৰোতে গল্পৰ কথকে শুনিছে। *মগনিয়াৰ বুঢ়াত* ৰেলত যাত্ৰা কালত লগ পোৱা মগনিয়াৰ এজনৰ কৰুণ কাহিনী বৰ্ণিত হৈছে। মানুহৰ ঠগ-প্ৰৱঞ্চনাৰ বলি হৈ কল্পনাতীত দুখ-কষ্ট ভোগ কৰা মানুহজনৰ কাহিনী শুনি কথকে একো উত্তৰ দিব নোৱাৰি মৌন হৈ ৰৈছে।

১৫। অসমীয়া সমাজৰ প্ৰাচীন আঢ্যৱন্ত পৰিয়াল কিছুমানৰ অৱক্ষয় বেজবৰুৱাৰ কেইবাটাও গল্পৰ বিষয়বস্তু আছিল। এই লোকসকলে বৃটিছৰ ঔপনিৱেশিক শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ পূৰ্বে ৰজাঘৰীয়া বিভিন্ন সা-সুবিধা ভোগ কৰি আছিল। বৃটিছৰ শাসন প্ৰৱৰ্তনৰ পিছত সেই সা-সুবিধাবোৰ হেৰুৱাই তেওঁলোক ৰাজনৈতিক আৰু অৰ্থনৈতিক দুৰ্যোগৰ সন্মুখীন হয়।

এই পৰিয়ালবিলাকৰ অধঃপতনত বেজবৰুৱাই উপহাস বা ব্যঙ্গ কৰিছে যদিও তাৰ মাজেৰেই তেওঁলোকৰ জীৱনৰ কাৰুণ্যৰ আভাসো দিছে। *ধোঁৱাখোৱা, চোৰ* আৰু *মাউৰা* বেজবৰুৱাৰ এই বিষয়ৰ গল্প। *ধোঁৱাখোৱাত* এটা প্ৰাচীন অভিজাতপূৰ্ণ বংশৰ পতন আৰু সেই প্ৰাচীন অভিজাত্য তথা মৰ্যদাৰ বাবে মানুহে কিদৰে চেষ্টা কৰে এইষাৰ কথাকে যথেষ্ট শিল্পসন্মতভাৱে প্ৰকাশ কৰিছে। *চোৰ* গল্পটোত *‘উজনিৰ এজন লেখৰ মানুহ’*[৫১] চক্ৰধৰ ফুকনৰ পৰিয়ালৰ অৱক্ষয়ৰ কাহিনী বৰ্ণিত হৈছে। *মাউৰাত* মৌজাদাৰে উপযুক্ত শিক্ষা আৰু প্ৰতিপালন নকৰাৰ বাবে পুতেক কৰ্মেশ্বৰে *মাউৰা* বুলি লোকৰ সহায় বিচাৰি গোটেই জীৱন কেৱল খুন্দা খুন্দলিহে খাইছে।

১৬। লক্ষ্মীনাথ বেজবৰুৱাই ব্যক্তিগত অভিজ্ঞতাৰে নিজে লগ পোৱা ভালেমান সৰু সৰু মানুহৰ জীৱনৰ কাৰ্য-কলাপ গল্পৰ বিষয়বস্তু ৰূপে নিৰ্বাচন কৰিছে। *দচ্‌মন্তৰ, ভৈৰা* আৰু *বাৰীছোৱা* তেওঁৰ তিনিজন লগুৱাৰ কাহিনীৰে ৰচিত গল্প। তিনিওটা গল্পতে তেওঁ লগুৱা কেইজনৰ স্বভাৱ-চৰিত্ৰ আৰু কাৰ্য-কলাপ আন্তৰিকতাৰে তুলি ধৰিছে।

১৭। ভাৰতীয় সমাজত বেজবৰুৱাৰ সময়ত পুৰণি মূল্যবোধৰ অৱক্ষয় ঘটিছিল। জ্যেষ্ঠজনক, পিতৃ-মাতৃক আদৰ-স্নেহ, শ্ৰদ্ধা কৰাৰ পৰিৱৰ্তে কিছুমান আত্মীয়ই অপমানিতহে কৰিছিল। এনে অনাদৃত পিতৃৰ কাহিনীক বিষয়বস্তু ৰূপে লৈ বেজবৰুৱাই *পুত্ৰৱান পিতা* গল্পটো ৰচনা কৰিছে। গল্পটোত এফালে পুত্ৰৰ প্ৰতি পিতৃৰ স্নেহ আৰু আনফালে পিতৃৰ প্ৰতি পুত্ৰসকলে কৰা অবিচাৰৰ কাহিনী বৰ্ণনা কৰিছে। *যি পুত্ৰক পিতৃয়ে ইহকালত সাৰ বস্তু বুলি বুকুত বান্ধি আছিল সেই পিতৃক পুতেকহঁতে কেলেহুৱা কুকুৰৰ নিচিনাকৈ খেদি দিছে।*[৫১] *ৰচিত* আৰু *ললিতী কাকতী* গল্পটো পিতৃসম ব্যক্তিক জোঁৱায়েক দুজনে অনাহকত গালি-শপনি পাৰি অপমানিত কৰিছে।

### ২.৭ বেজবৰুৱাৰ চুটিগল্পৰ চৰিত্ৰ ঃ

আধুনিক চুটিগল্পৰ এটা অপৰিহাৰ্য উপাদান চৰিত্ৰ। চৰিত্ৰৰ কাৰ্য-কলাপৰ মাজেৰে চুটিগল্পৰ প্লট নিৰ্মাণ হয়। চৰিত্ৰ নোহোৱাকৈ গল্পৰ কল্পনা অসম্ভৱ। *আধুনিক মনস্তাত্বিক গল্প কিছুমানত প্লটেই কেতিয়াবা নাথাকিব পাৰে; কিন্তু চৰিত্ৰক বাদ দি চুটিগল্প হ'ব নোৱাৰে।*[৫২] অৱশ্যে *চুটিগল্পৰ চৰিত্ৰই জীৱনৰ সামগ্ৰিকতা প্ৰকাশ কৰিব নোৱাৰিব পাৰে, কিন্তু চুটিগল্পৰ সীমিত পৰিসৰৰ ভিতৰতে চৰিত্ৰৰ মনোজগতৰ বৈচিত্ৰপূৰ্ণ দিশ একোটা উদঙাই দেখুৱায়।*[৫৩]

*সাহিত্যৰ চৰিত্ৰ লেখকৰ মনেগঢ়া। বাস্তৱ জীৱনৰ চানেকী বা আহিলা লৈ লেখকৰ কল্পনাই এই চৰিত্ৰবোৰ সৃষ্টি কৰে। গতিকে প্ৰকৃত জীৱন জিজ্ঞাসা আৰু পৰ্যবেক্ষণ ক্ষমতা নাথাকিলে নাইবা পৈনত কলা-কৌশল আয়ত্ব কৰিব নোৱাৰিলে কোনো লেখকে জীৱন্ত চৰিত্ৰ সৃষ্টি কৰিব নোৱাৰে।*[৫৪]

লক্ষ্মীনাথ বেজবৰুৱা আছিল এগৰাকী বাস্তৱবাদী সমাজ সচেতন লেখক। অসমীয়া সমাজখনৰ সূক্ষ্ম পৰ্যবেক্ষণৰ জৰিয়তে তেওঁ গল্পৰ চৰিত্ৰসমূহ নিৰ্মাণ কৰিছিল। *তেওঁ বাস্তৱ সমাজৰ পৰা চৰিত্ৰবোৰ আহৰণ কৰি সিবোৰক বাস্তৱিকভাবেই উত্থাপন কৰে। বাস্তৱৰ লগত অৱশ্যে প্ৰয়োজনানুসাৰে খনিকৰৰ সুদক্ষ হাতৰ স্পৰ্শও পৰিছে। ফলত চৰিত্ৰবোৰ কেতিয়াবা অধিক আকৰ্ষণীয় হৈ উঠিছে। কিন্তু তেওঁৰ চৰিত্ৰ বাস্তৱৰ সামান্য স্কেছ নহয়। বাস্তৱত লেখকে যিটো দেখিছে সেইটো স্পষ্টভাৱে দাঙি ধৰিছে চত্ৰিবোৰৰ মাজেদি।*[৫৫] *সেয়ে বেজবৰুৱাৰ গল্প পঢ়ি যাওঁতে আমাৰ সন্মুখত তেজ মঙহৰে জীৱন্ত একোজন ব্যক্তি উপস্থিত হোৱা যেন লাগে।*[৫৬]

১। বেজবৰুৱাই তেওঁৰ কেইবাটাও গল্প একো একোটা চৰিত্ৰৰ নামেৰে নামকৰণ কৰিছে আৰু সেই চৰিত্ৰবোৰ আগবঢ়াই নিছে। তেওঁ অসমীয়া সমাজৰ সৰু-বৰ সকলো

লোকৰে চৰিত্ৰ অংকন কৰিছে যদিও সমসাময়িক সমাজৰ কিছুমান লোকৰ দোষ-ত্ৰুটি উদঙাবলৈ এক শ্ৰেণীৰ বিশেষ চৰিত্ৰ নিৰ্মাণত গুৰুত্ব দিছিল। অসমীয়া ভাষা, সংস্কৃতি পাহৰি যোৱা লোকসকলক ব্যঙ্গ কৰি এই চৰিত্ৰবোৰ তেওঁ অংকন কৰিছে। *তেওঁলোকৰ চৰিত্ৰৰ বিশেষ একোটা ফালৰ ওপৰত গুৰুত্ব দি সেইবোৰ তেওঁ দক্ষতাৰে আঁকিছিল। যদিও সেইবোৰত একোটা সুকীয়া ব্যক্তিত্ব আৰোপ কৰাত নাইবা সেইবোৰৰ বিশ্লেষণ কৰাত তেওঁ বিশেষ জোৰ দিয়া নাছিল।*[৫৭] কলিকতা আৰু উৰিষ্যাত বেজবৰুৱাই লগ পোৱা লোকসকলৰ চৰিত্ৰও তেওঁ কেইবাটাও গল্পৰ মাজেৰে অংকন কৰিছে।

২। লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ গল্পত ভালেমান পুৰুষ আৰু মহিলাৰ চিত্ৰ অংকন কৰিছে। *মুক্তি, আমাৰ সংসাৰ-১, সেউতী, দচ্‌মন্তৰ, লোভ, নকওঁ* আদি গল্পত কেইবাটাও কিশোৰৰ চৰিত্ৰ তেওঁ অংকন কৰিছে। বেজবৰুৱাই অংকন কৰা পুৰুষ চৰিত্ৰসমূহৰ ভিতৰত ভালেমান চৰিত্ৰই আছিল টাইপ চৰিত্ৰ। অৱশ্যে *বাপিৰাম* গল্পৰ বাপিৰামৰ দৰে গতিশীল চৰিত্ৰও অংকন কৰিছে। দৈনন্দিন জীৱনত লগ পোৱা সৰু সৰু মানুহৰ আদৰ্শ চৰিত্ৰও তেওঁ নিখুঁতভাৱে অংকন কৰিছে।

৩। বেজবৰুৱাই তেওঁৰ গল্পত ভালেমান নাৰী চৰিত্ৰৰ সমাৱেশ ঘটাইছে। *তেওঁ গল্পত সৃষ্টি কৰা পুৰুষ চৰিত্ৰসমূহৰ ভণ্ডামি, কপটতা, ঠগ, প্ৰৱঞ্চনাৰ বিপৰীতে নাৰী চৰিত্ৰসমূহ অধিক আদৰ্শৰ ওপৰলৈ উঠিছে। ... চৰিত্ৰ একোটা সাধাৰণতে দোষ গুণৰ সমষ্টি হয় যদিও বেজবৰুৱাৰ নাৰী চৰিত্ৰসমূহৰ মাজত সততে কোনো দোষ দেখা পোৱা নাযায়। কোনো চৰিত্ৰত সাময়িক দোষ দুৰ্বলতাৰ উমান পোৱা যায় যদিও গল্পকাৰে যুক্তিৰে তাক খণ্ডন কৰি চৰিত্ৰটোক সমাজৰ ওচৰত নিষ্কলংক কৰি তুলিছে।*[৫৮] অৱশ্যে দুই এটা ব্যতিক্ৰমী নাৰী চৰিত্ৰও তেওঁ সৃষ্টি কৰিছে।

৪। বেজবৰুৱাই তেওঁৰ গল্পত ভাৰতীয় সমাজৰ পৰম্পৰা মানি চলা সহনশীল নাৰী চৰিত্ৰ আৰু ভাৰতীয় পৰম্পৰাক মানি লৈয়ো পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাক প্ৰত্যাহ্বান জনাব পৰা, নিজস্ব চিন্তা আৰু অধিকাৰ সম্পৰ্কে সচেতন নাৰী চৰিত্ৰও সৃষ্টি কৰিছে।

৫। বেজবৰুৱাই কোনো কোনো গল্পত বিপৰীত মুখী চৰিত্ৰও অংকন কৰিছে। *বাপিৰাম*ত ভূধৰৰ স্বাৰ্থপৰ, নীচ চৰিত্ৰৰ বিপৰীতে বাপিৰামক সৎ, উদাৰ আৰু নিঃস্বাৰ্থ ব্যক্তি ৰূপে অংকন কৰিছে।

*চোৰ* গল্পত লোকেশ্বৰ বৰুৱাৰ প্ৰথম পত্নী ইন্দুমতীৰ মৰমীয়াল আৰু পতি পৰায়ণতাৰ বিপৰীতে দ্বিতীয় পত্নীগৰাকীক বিশ্বাসঘাতক আৰু চৰিত্ৰহীন ৰূপে অংকন কৰিছে। *ৰচিত* গল্পত বৃন্দাৰ স্বামী জে. আৰ. বৰুৱাৰ লোভী আৰু স্বাৰ্থপৰ চৰিত্ৰৰ বিপৰীতে শহুৰেক কমললোচন বৰুৱাক এগৰাকী সৎ আৰু আত্মসন্মানবোধ থকা পিতৃ ৰূপে অংকন কৰিছে। বেজবৰুৱাৰ কেইটামান উল্লেখযোগ্য চৰিত্ৰ হ'ল ঃ

**২.৭.১ পুৰুষ চৰিত্ৰ ঃ**

***মলক গুইন গুইন*** **ঃ** মলক গুইন গুইন (*মলক গুইন গুইন*) বেজবৰুৱাৰ এটা উল্লেখযোগ্য চৰিত্ৰ। তেওঁৰ প্ৰকৃত নাম মলখু। চেতিয়া গাঁৱৰ তোলন সাজতোলাৰ পুতেক মলখুৱেই ইংৰাজী শিকি প্ৰথমে মিষ্টাৰ এম. গগৈ আৰু পিছত মলক গুইন গুইন হয়।

মলখু এজন ভণ্ড প্ৰকৃতিৰ যুৱক। তেওঁ কলিকতাৰ কলেজত পঢ়িবলৈ গৈ পঢ়া-শুনা কৰাৰ সলনি নিজকে চাহাব সাজিবলৈহে উঠিপৰি লাগিল। কলিকতাৰ কলেজত পঢ়ি তেওঁ বি.এ. পাছ কৰিব নোৱাৰিলে। কিন্তু পিতৃ প্ৰদত্ত নাম আৰু সংস্কাৰ বাদ দি ভুলে ভালে দুটামান ইংৰাজী শিকি, বগা চাহাবৰ সাজ-পোছাক চাল-চলন, আদৰ-কায়দা আৰু খিচিৰি কথাৰে চাহাবৰ ভাও দিবলৈ ল'লে।

মলখুৰ আত্মসন্মানবোধো নাছিল। সেয়ে বি.এ. পাছ কৰিব নোৱাৰিলেও বগা চাহাবৰ ভৰিত ভালকৈ তেল-টেঙা ঘঁহিব পাৰিছিল। অসমলৈ ঘূৰি আহি হাকিম পাৰ্টিচিয় চাহাবৰ দয়াত তেওঁ প্ৰথমে স্কুলৰ ইন্সপেক্টৰ আৰু কিছুদিন পিছতে তহবিলদাৰৰ পদবী লাভ কৰে।

মলখু এজন ভণ্ড, নীচ আৰু অকৃতজ্ঞ ব্যক্তি আছিল। তেওঁৰ উন্নতিত গৌৰৱান্বিত পিতৃ-মাতৃক তেওঁ এবাৰো দেখা কৰিবলৈ নগ'ল। বৰং তেওঁক দেখা কৰিবলৈ অহা পিতাকক তেওঁ *তুমি ক'ৰ পৰা আহিছে? কোন আছে মই তোমাক চিনি নাপাওঁ। ইয়াৰ পৰা এতিয়াই তুমি গুচি যাব লাগে।* [৬০] বুলি চিনি নোপোৱাৰ ভাও জুৰি ছাপৰাচীৰ হতুৱাই খেদিহে পঠিয়ায়। ইমানৰ পিছতো সাজতোলাই ঘৈণীয়েকৰ অনুৰোধ এৰাব নোৱাৰি মলখুক বন্ধু এজনৰ দ্বাৰা বুজাই-বঢ়াই ঘৰলৈ যাবলৈ সন্মত কৰায়। ঘৰলৈ গৈ তেওঁ দুদিনমান থাকি সকলোকে নাকনি-কাকনি খুৱাইছে। এই চৰিত্ৰটোৰ জৰিয়তে বেজবৰুৱাই ইংৰাজী শিকি বিষয়বাব পাই চাহাব হ'বলৈ বিচৰা কিছুমান অসমীয়া যুবকৰ ভেম আৰু ভণ্ডামি উদঙাই দেখুৱাইছে।

***ভোকেন্দ্ৰ বৰুৱা*** ঃ *ভোকেন্দ্ৰ বৰুৱা* বেজবৰুৱাৰ *(ভোকেন্দ্ৰ বৰুৱা, ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা* আৰু *ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলা)* এটা উল্লেখযোগ্য চৰিত্ৰ। তেওঁৰ আচল নাম ভোকোন্দি। ভোকোন্দি মাজুলীৰ গোন্ধাই গোৱালৰ পুতেক। গোন্ধাই গোৱালে নিজৰ আৰ্থিক দুৰৱস্থালৈ কাণ নিদি পুতেক ভোকোন্দিক কলিকতাৰ কলেজত পঢ়িবলৈ পঠিয়ায়।

ভোকোন্দি এজন ভণ্ড আৰু ইংৰাজী সংস্কৃতিৰ অন্ধ অনুকৰণকাৰী যুৱক। তেওঁ কলেজত পঢ়িবলৈ লৈয়ে প্ৰথমে নিজৰ নাম সলনি কৰি ভোকেন্দ্ৰ বৰুৱা কৰি লয় আৰু পিতাক-মাক আৰু ভনীয়েককো নিজৰ নিজৰ নাম সলনি কৰি ল'বলৈ উপদেশ দি ইংৰাজী-অসমীয়া মিহলি ভাষাৰে চিঠি লিখে। পিতাকৰ সাতামপুৰুষীয়া গোৱালৰ বৃত্তিকো '*Shameful*'[৬১] বুলি এৰিবলৈ কয়। ভোকোন্দিয়ে কলেজত পঢ়ি থাকোতেই পিতাক ঢুকাল। পিতাকে তেওঁলৈ কিছু ঋণৰ বোজাও এৰি থৈ যায়।

কৰ্মবিমুখ আৰু এলেহুৱা ভোকোন্দিয়ে কলিকতাত পঢ়া-শুনাত মনোযোগ নিদি প্ৰথমে অমিত্ৰাক্ষৰ ছন্দত মহাকাব্য লিখি *কবি* হ'বলৈ আৰু পিছত '*Author*'[৬২] হ'বলৈ কছৰৎ কৰি থাকোতে দুবাৰ '*curred ফাষ্ট আৰ্টচ*'[৬৩] পৰীক্ষাত ফেল কৰে। উপায় নাপাই ভোকোন্দি ঘৰলৈ ঘূৰি আহে।

কলিকতাৰ পৰা ঘূৰি অহাৰ পিছত ভোকোন্দিৰ সুবিধাবাদী, লোভী আৰু প্ৰতাৰক চৰিত্ৰৰ আত্মপ্ৰকাশ কৰে। ঘৰলৈ আহি তেওঁ প্ৰথমে বিপাঙত পৰিল; কিয়নো স্কুল, কাছাৰীত চাকৰি কৰিবলৈ গ'লে তেওঁৰ কলিকতীয়া ভেম বজাই ৰাখিব নোৱাৰিব আৰু ডিগ্ৰী সম্পূৰ্ণ কৰি নহা বাবে ডাঙৰ বিষয়বাবও তেওঁ নাপায়। কিন্তু সুবিধাবাদী ভোকোন্দিৰ বাবে আন এটা সুযোগ ওলাল। শগুণবাহী মৌজাৰ মৌজাদাৰে তেওঁলৈ জীয়েকক বিয়া দিবলৈ প্ৰস্তাৱ আগবঢ়ায়। সেই সুযোগ গ্ৰহণ কৰি তেওঁ ৫০০/- টকাৰ যৌতুক লৈ মৌজাদাৰৰ জীয়েকক বিয়া কৰালে। বিয়াৰ পিছতে তেওঁ গাঁও এৰি চহৰবাসী হয়। চহৰলৈ গৈ তেওঁ চোৰাংচোৰাগিৰি কৰি জীৱিকা মুকলি কৰে। কৰ্মস্পৃহাহীন ভোকোন্দিয়ে এই কামতো লাগি থাকিব নোৱাৰিলে। শেষত হঠাৎ *'পেট্ৰিয়ত'*[৬৪] হৈ মৰাণ সকলৰ উন্নতিৰ হকে কাম কৰিবলৈ দান-বৰঙণি তোলে। কলিকতালৈ গৈ তেওঁ মৰাণ সভাৰ প্ৰতিনিধি হৈ লাট চাহাবৰ আগত *'মেমৰিয়েল'*[৬৫] দৰ্খাস্ত দিব বুলি ৰাইজক প্ৰতাৰণা কৰি তেওঁলোকৰ বৰঙণিৰ ধনেৰে কলিকতাত এপযেক ৰং-ৰহইচেৰে কটায় ঘৰলৈ ঘূৰি আহে।

সেই সময়ৰ অসমীয়া এচাম যুৱকৰ চৰিত্ৰৰ অধঃপতন এই চৰিত্ৰটোৰ জৰিয়তে বেজবৰুৱাই দাঙি ধৰিছে।

***ভেমপুৰীয়া মৌজাদাৰ* ঃ** ভেমপুৰীয়া মৌজাদাৰ (*ভেমপুৰীয়া মৌজাদাৰ*) বেজবৰুৱাৰ এটা উল্লেখযোগ্য চৰিত্ৰ। বেজবৰুৱাৰ সমকালীন সমাজৰ ডাঙৰীয়া শ্ৰেণীৰ

কিছুমান লোকৰ সুবিধাবাদী, লম্পট আত্মসন্মানহীন চৰিত্ৰৰ প্ৰতিনিধি হ'ল এই চৰিত্ৰটো। কথকৰ ভাষাত

> *শ্ৰীযুত লম্বোদৰ শৰ্মা বৰুৱা উজনিৰ ভেমপুৰ মৌজাৰ মৌজাদাৰ। মানুহে তেওঁক ভেমপুৰীয়া মৌজাদাৰ নামেৰেহে জানে। ভেমপুৰীয়া মৌজাদাৰ বগা চাহাবৰ পদলেহী। আত্মসন্মানহীন এইগৰাকী ডাঙৰীয়াই বগা চাহাবৰ ভৰিৰ বুটজোতাও খুলি দিয়ে, আনকি চাহাবৰ ছাপৰাচীটোৰেও ডাঙৰীয়াৰ হতুৱাই তাৰ ভৰিৰ ফটুৰাই বিলাকত তপত তেল দিয়াই লব পাৰে।*
>
> *(ভেমপুৰীয়া মৌজাদাৰ ঃ বেঃ গ্ৰঃ প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭২৮)*

ভেমপুৰীয়া মৌজাদাৰ এজন অতিশয় লোভী, দুৰ্নীতিপৰায়ণ, নিৰ্দয় আৰু সুবিধাবাদী লোক। মফস্বললৈ গ'লে তেওঁ ৰাইজৰ পৰা বিনামূলীয়াকৈ ৰচদ আদায় কৰে আৰু দহ ভাগৰ এভাগ চাহাবক দি নিজে ন ভাগ ৰাখে। তেওঁ কুলি ধৰি ডিপোত দিয়ে। ঘৰৰ চাকৰ-নাকৰৰ ওপৰত তেওঁ বৰমতা। দৰমহা বিচাৰিলে তেওঁ সিহঁতৰ ওপৰত শাৰীৰিক নিৰ্যাতন চলায়। তেওঁ নিজকে উচ্চ বংশজাত সদ্ ব্ৰাহ্মণ বুলি কৈ ফুৰে। সাধাৰণ মানুহৰ ঘৰত সেয়ে তেওঁ পানী এটোপাও গ্ৰহণ নকৰে। দুৰ্গা, কালী, শিৱ পূজা কৰা ডাঙৰীয়াই কিন্তু ভেটী খায় আৰু তেওঁৰ স্বাৰ্থ পূৰণত সহায় নকৰা লোকৰ ওপৰত প্ৰতিশোধ ল'বলৈ সুযোগ চাই থাকে। গল্পকাৰে শেষত লম্পট চৰিত্ৰৰ ডাঙৰীয়াৰ বান্দী-বেটীৰে থকা অবৈধ সম্পৰ্কৰ ইংগিতো দিছে।

***হাকিম ডম্বৰুধৰ বৰুৱা মনচুপ*** ঃ হাকিম ডম্বৰুধৰ বৰুৱা মনচুপ *(ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ)* বেজবৰুৱাৰ আন এটা অন্যতম চৰিত্ৰ। অহংকাৰী, কঠোৰ হৃদয়ৰ, অবিবেচক, ঘৈণীয়েকৰ ওপৰত বৰমতা দেখুওৱা এইগৰাকী ডাঙৰীয়া এগৰাকী অসন্তোষীয়া লোক। আঞ্জাত নিমখ কম হোৱাৰ বাবে ভাতৰ পাতৰ পৰা উঠি ঘৈণীয়েকক মাৰিবলৈ যাওঁতে পুতেকৰ সৈতে জোতা-পুতি লাগে। তেওঁ পৰি যায় আৰু দাঁতে-ওঁঠে লাগি তেজ ওলায়।

সেই খণ্ডতে তেওঁ কাছাৰীলৈ গৈ কেবাজনো লোকক সৰু সৰু ভুলতে গুৰুতৰ শাস্তি দিয়ে। তেওঁ খণ্ডৰ ভমকতে আদালতত নিৰ্দোষী বুলি প্ৰমাণ হোৱা জিৎৰাম কলিতাক দোষী বুলি তিনিমাহ কাৰাবাস শাস্তিৰ হুকুম দিয়ে। উকীল বিদ্যাৰাম শইকীয়াই এই কথাৰ প্ৰতিবাদ কৰিব খোজাত তেওঁক কুৰি টকা জৰিমণা ভৰায়।

এই চৰিত্ৰটোৰ জৰিয়তে বেজবৰুৱাই সমকালীন সমাজৰ আমোলা শ্ৰেণীৰ দম্ভ, অহংকাৰ আৰু স্বেচ্ছাচাৰীতাৰ চিত্ৰ দাঙি ধৰিছে।

***ঘণ্টাকৰ্ণ শৰ্মা* ঃ** ঘণ্টাকৰ্ণ শৰ্মা *(ঘণ্টাকৰ্ণ শৰ্মা)* বেজবৰুৱাৰ উল্লেখযোগ্য সৃষ্টি। দাম্ভিক, অহংকাৰী, লোভী ঘণ্টাকৰ্ণ শৰ্মাই ৰংখং চাহ বাগিছাত তিনিবছৰ বৰমহৰীৰ কাম কৰিছিল। অবাটে ঘটা ধনেৰে তেওঁ অলপ দিনৰ ভিতৰতে বহু টকাৰ মালিক হয়। বাগিছাৰ বৰ চাহাবৰ চকুত কথাতো ধৰা পৰিল। তেওঁ সাধাৰণ অজুহাততে ঘণ্টাকৰ্ণক কামৰ পৰা বৰ্খাস্ত কৰিলে। সেই খণ্ডতে ঘণ্টাকৰ্ণই বৰচাহাবৰ বিৰুদ্ধে মোকৰ্দমা কৰিবলৈ কলিকতালৈ গ'ল। লগত তেওঁ লগুৱা মহুৱাকো লৈ যায়। নিজৰ অজ্ঞতা, অহংকাৰ আৰু দায়িত্বহীনতাৰ বাবে কলিকতাত তেওঁৰ নগুৰ-নাগতি হয়। যজ্ঞৰাম নামৰ ছাত্ৰৰূপী প্ৰতাৰক এজনৰ হাতত পৰি তেওঁ সৰ্বশ্ৰান্ত হয়। শেষত অসমীয়া মেছৰ ছাত্ৰসকলৰ সহায়তহে তেওঁ অসমলৈ ঘূৰি আহিবলৈ সক্ষম হয়। ঘণ্টাকৰ্ণ শৰ্মাৰ দৰে তেওঁৰ লগুৱা মহুৱাও কলিকতাৰ হাৱা পানীত উছন হ'ল। *লেখকে এই দুই চৰিত্ৰৰ মাজেদি সমাজৰ কামত নহা দায়িত্ব-জ্ঞানহীন এচাম মানুহৰ বিচাৰ বুদ্ধিহীন কামৰ এক নিদৰ্শন দাঙি ধৰিছে।*[৬৫]

***ধৰ্মধ্বজ ফয়চলা নবিচ* ঃ** ধৰ্মধ্বজ ফয়চলা নবিচ *(ধৰ্মধ্বজ ফয়চলা নবিচ)* বেজবৰুৱাৰ এটা উল্লেখযোগ্য চৰিত্ৰ। ফয়চলা নবিচ হিন্দুধৰ্মৰ তথাকথিত '*ৰক্ষক*'[৬৬]। জাত্যাভিমানী, অহংকাৰী এইগৰাকী ব্যক্তিৰ বাবে এটা অসমীয়া হিন্দু পৰিয়াল ধৰ্মান্তৰিত

হ'ব লগা হয়। তথাপিও তেওঁৰ অন্তৰত অলপো সহানুভূতিৰ উদয় নহ'ল। তেওঁৰ বাবে এটা পৰিয়াল ধৰ্মান্তৰিত হোৱা বুলি গম পোৱাৰ পিছতো লাজতে তেওঁৰ মূৰ দো নাখালে, বৰং "*বেছ হ'লঙ্গ আমাৰ সনাতন হিন্দুধৰ্মৰ গৌৰৱ অক্ষুণ্ণ হৈ ৰ'ল।*"[৬৭] বুলিহে আত্মপ্ৰসাদ লাভ কৰিলে। ফয়চলা নবিচৰ একে গাঁৱৰে জয়চন্দ্ৰ ভূএাৰ দেউতাক কৃষ্ণচন্দ্ৰক মানে ধৰি নিছিল। মানৰ হাতৰ পৰা তেওঁ কোনোমতে পলাই সাৰি আহিল; কিন্তু মানৰ হাতেৰে ভাত খোৱাৰ অপৰাধত গাঁৱৰ মানুহে তেওঁক এঘৰীয়া কৰিলে। কৃষ্ণচন্দ্ৰৰ মৃত্যুৰ পিছতো সেই অপবাদৰ অন্ত নপৰিল। তেওঁলোকে হিন্দুধৰ্মৰ সকলো নিয়ম-নীতি নিষ্ঠাৰে পালন কৰি থাকিল যদিও সমাজৰ বাবে তেওঁলোক অস্পৃশ্য হৈয়েই ৰ'ল। সেইজন জয়চন্দ্ৰৰ ৯ বছৰীয়া ল'ৰা নোমলচন্দ্ৰই ফয়চলা নবিচৰ পুখুৰীত পানী খোৱা অপৰাধত তেওঁ অজাতিৰ সন্তান বুলি অতি নিৰ্মমভাৱে আৰু অকথ্য ভাষাৰে গালি পাৰিলে। সেই দুখতে জয়চন্দ্ৰহঁতৰ পৰিয়ালটোৱে ইছলাম ধৰ্ম গ্ৰহণ কৰি সমাজত মানুহৰ প্ৰাপ্য অধিকাৰ লাভ কৰিছে। এই ঘটনাত গাঁৱৰ সাধাৰণ লোকে দুখ প্ৰকাশ কৰিলে, কিন্তু সংকীৰ্ণ মনৰ ফয়চলা নবিচে সন্তোষহে প্ৰকাশ কৰিলে।

***মিলাৰাম*** ঃ মিলাৰামৰ আত্মজীৱনী *(মিলাৰামৰ আত্মজীৱনী, চেনিচম্পা, কেকো ককা* আৰু *আৰ্জি)* বেজবৰুৱাৰ এটা উল্লেখযোগ্য সৃষ্টি। *মিলাৰামৰ আত্ম জীৱনীত* মিলাৰামে নিজৰ কু-খ্যাত বংশ গৌৰৱক লৈ গৌৰৱান্বিত এজন যুৱক। নিজৰ আত্ম জীৱনীত পূৰ্বপুৰুষৰ গুণ গায় গায় তেওঁ নিজৰ বিষয়ে লিখিবলৈকে পাহৰিলে।

*চেনিচম্পা, কেকো ককা* আৰু *আৰ্জিত* তেওঁ এজন কানীয়া, মদাহী লোক। *চেনিচম্পাত* মিলাৰাম চেনিচম্পাৰ এগৰাকী প্ৰণয় প্ৰাৰ্থী। তেওঁ চেনিচম্পাৰ গুণমুগ্ধ। সেয়ে তেওঁ তাইক বিয়া কৰাব খোজে। কিন্তু আত্মবিশ্বাসহীন দুৰ্বল, কানিয়া মিলাৰামে একো

সিদ্ধান্ত সঠিকমতে নিজে ল'ব নোৱাৰে। নিজৰ *'মনটো কি পদাৰ্থ, চেতন নে অচেতন নে উদ্ভিদ'* [৬৮] তেওঁ নিজেই ধৰিব নোৱাৰে। অস্থিৰ চৰিত্ৰৰ মিলাৰামে কানিৰ ৰাগীত পিতাকৰ আত্মাক লগ পায়। পিতাকে চেনিচম্পাক বিয়া কৰাবলৈ বাধা দিয়ে। একো সিদ্ধান্ত ল'ব নোৱাৰি মনৰ বেজাৰতে মিলাৰাম গাওঁ এৰি গুচি যায়।

***নাঙলুচন্দ্ৰ দাস*** **ঃ** নাঙলু চন্দ্ৰ দাস *(নাঙলু চন্দ্ৰ দাস)* এগৰাকী অনুভূতি প্ৰৱণ কবিতা প্ৰিয় ছাত্ৰ। ইংৰাজী আৰু বঙালী প্ৰেমৰ কবিতা পঢ়ি, স্কুলীয়া অৱস্থাতে তেওঁ প্ৰেমৰ কবিতা লিখি লটিঘটি হয়। কলিকতাৰ কলেজত পঢ়িবলৈ গৈয়ো তেওঁ কবিতাৰ ৰাগীত মতলীয়া হৈ থাকিল। তেওঁ কল্পনা কুঁৱৰীক লৈ লিখা কবিতাৰ বিবিধ অৰ্থ উলিয়াই তেওঁৰ লগৰীয়া সকলে নগুৰ-নাগতি কৰিলে। কামিনীমোনি দাসি নামেৰে এগৰাকী মেচৰ বয়সীয়া *'ৰী'* [৬৯] য়ে তেওঁৰ কবিতা পঢ়ি তেওঁৰ পিছত পৰে। তাইৰ কাৰণে তেওঁৰ আশ্ৰয়স্থল মেচো ত্যাগ কৰিব লগা হয়। শেষত হোটেলত থাকি বি.এ. পৰীক্ষা দি উত্তীৰ্ণ হয়। বি.এ. পাছ কৰাৰ পিছতে তেওঁ কবিতা আৰু কলিকতা একেবাৰে ত্যাগ কৰি অসমলৈ ঘূৰি আহে। বেজবৰুৱাই নাঙলুচন্দ্ৰৰ মাজেৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নজনা এজন যুৱকৰ চিত্ৰ অংকন কৰিছে।

***জগৰা মণ্ডল*** **ঃ** ইংৰাজ সাহিত্যৰ আধা ডুখৰীয়া প্ৰভাৱে মগজুৰ বিকাৰ ঘটোৱা এজন মধ্যবিত্ত আমোলা জগৰা মণ্ডল *(জগৰা মণ্ডল)* আদহীয়া লোক। চহৰত চিনাকি উকীল এজনৰ মুখত ইংৰাজী উপন্যাসৰ ৰোমাণ্টিক প্ৰেমৰ বৰ্ণনা শুনি তেওঁৰো প্ৰেম কৰিবলৈ মন যায়। তেওঁৰ মনৰ ভাৰ ঘৈণীয়েকৰ আগত ব্যক্ত কৰে আৰু অদ্ভুত ধৰণেৰে ঘৈণীয়েকক প্ৰেম নিবেদন কৰে। সহজ-সৰল জগৰাণীয়ে কিন্তু তেওঁৰ প্ৰেম নিবেদনৰ কথা বুজি নাপালে। ইফালে আকোঁৰগোজ জগৰাই জগৰাণীৰে প্ৰেম কৰিহে এৰিবলৈ সিদ্ধান্তত অলৰ-অচৰ। চাওঁতে চাওঁতে জগৰাৰ প্ৰেমাভিনয় ইমান চৰা হ'ল যে, জগৰাণীয়ে শেষত

গিৰিয়েক পগলা হ'ল বুলি জগৰাৰ মূৰত একলহ পানী ঢালি দিলে। কিছু সময়ৰ পিছত জগৰাৰ চেতনা ঘূৰি আহে। ভৱিষ্যতে আৰু তেনেকুৱা একো নঘটে বুলি শপত দি তেওঁ যে বলিয়া হোৱা নাই সেই কথাও ঘৈণীয়েকক কয়।

***বাপিৰাম*** **ঃ** বাপিৰাম *(বাপিৰাম)* বেজবৰুৱাৰ এটা উল্লেখযোগ্য চৰিত্ৰ। তেওঁ এজন সৎ, সাহসী আৰু মালিকৰ একান্ত বিশ্বাসী লগুৱা। তেওঁৰ মালিক সিধাই খাটনিয়াৰৰ পৰিয়ালৰ মান-সন্মান ৰক্ষা কৰিবলৈ এজন বগা চাহাবক প্ৰহাৰ কৰি হাঁহিমুখে ফাটেকলৈ গৈছে। সিধাই খাটনিয়াৰৰ ভায়েক ভুধৰে বিধৱা ভতিজা জীয়েক তিলকাক ক্ষমতা আৰু ধনৰ লোভত চাহাবক ভেটিবলৈ ওলোৱাৰ কথা গম পাই তেওঁ প্ৰথমে ভুধৰক তেনে কাম নকৰিবলৈ কয়। আৰু তেওঁ জীয়াই থাকোতে তেনে কাম কেতিয়াও হ'বলৈ নিদিয়ে বুলি কয়। কিন্তু লগুৱা এজনৰ কথা মানিবলৈ অমান্তি হোৱা ভুধৰে চাহাবৰ হতুৱাই বাপিৰামক মাৰ-ধৰ কৰোৱায়। উপায় নাপাই বাপিৰামে বাগানৰ মাজতে চাহাবক লাঠীৰে কোবাই গুৰুতৰভাৱে আঘাট কৰি নিজে গৈ থানাত হাজিৰ হয়। গল্পকাৰে বাপিৰামৰ চৰিত্ৰক আদৰ্শ ৰূপত গঢ় দিছে। ভুধৰৰ স্বাৰ্থপৰ, নীচ চৰিত্ৰৰ বিপৰীতে বাপিৰামক উদাৰ আৰু নিস্বাৰ্থ ব্যক্তি ৰূপে অংকন কৰিছে।

বেজবৰুৱাৰ গল্পত বিস্তৃতি লাভ কৰা এই পুৰুষ চৰিত্ৰসমূহৰ বাহিৰেও আন ভালেমান সৰু-বৰ পুৰুষ চৰিত্ৰই আত্ম প্ৰকাশ কৰিছে। ক্ষন্তেক সময়ৰ বাবে হ'লেও এই চৰিত্ৰসমূহে পাঠকৰ মনত ৰেখাপাত কৰিবলৈ সক্ষম হৈছে। বেজবৰুৱাৰ ব্যঙ্গ আৰু হাস্য ৰসাত্মক গল্পসমূহৰ ভিতৰত কেইবাটাও চৰিত্ৰৰ কাৰ্য-কলাপে পাঠকক ভোকেন্দ্ৰ বৰুৱা, মলক গুইন গুইন আদিলৈ মনত পেলায়। *ললিতী কাকতী*ৰ শ্ৰীকান্ত হাজৰিকা আৰু *ৰচিত* গল্পৰ বৃন্দাৰ স্বামী মিষ্টাৰ জে আৰ বৰুৱা সেই শ্ৰেণীৰে প্ৰতিনিধি। তেওঁলোক উচ্চ শিক্ষিত যদিও মদাহী আৰু চৰিত্ৰহীন। দুয়োজনে প্ৰথম পত্নীক শাৰীৰিক, মানসিক নিৰ্যাতন দি ঘৰৰ পৰা

খেদি পঠিয়াইছে আৰু দ্বিতীয় বিবাহ কৰাইছে। ললিতীৰ স্বামী শ্ৰীকান্ত হাজৰিকাই দ্বিতীয় গৰাকীকো খেদি দি তৃতীয় বাৰৰ বাবে বিয়া কৰিবলৈ সাজু হৈছে। দুয়োজনেই পিতৃ তুল্য শহুৰেকক অকথ্য ভাষাৰে গালি পাৰিছে। বেজবৰুৱাই জে আৰ বৰুৱা ওৰফে জিনাৰামৰ বিপৰীতে শহুৰেক কমললোচন বৰুৱাৰ চৰিত্ৰটো অংকন কৰিছে। *কমললোচন বৰুৱা এগৰাকী আত্মমৰ্যদা সম্পন্ন, স্ব-নিৰ্ভৰশীল আৰু স্বাধীনচেতিয়া লোক।*[৭০] জীয়েক বৃন্দা আৰু নাতিয়েকৰ দখল বিচাৰি তেওঁলৈ লিখা চিঠিৰ উত্তৰত তেওঁ জীয়েকক পালে, লগতে নাতিয়েককো, বুলি এক অনীয়া ষ্টাম্প লগাই জোঁৱায়েকলৈ এখন *ৰচিত* পঠিয়াই দিছে।

বেজবৰুৱাৰ গল্প *মাউৰা* আৰু *ধোঁৱাখোৱাৰ* দুটা চৰিত্ৰ কৰ্মেশ্বৰ আৰু ৰামেশ্বৰ। ঔপনিৱেশিক শাসন ব্যৱস্থাই পঙ্গু কৰা আঢ্যৱন্ত শ্ৰেণীৰ প্ৰতিনিধি এই চৰিত্ৰ দুটা। মৌজাদাৰৰ পুতেক কৰ্মেশ্বৰে মৌজাদাৰ জীয়াই থাকোতে আলাসতে ডাঙৰ-দীঘল হৈ এলেহুৱা আৰু পৰনিৰ্ভৰশীল হৈ পৰে। সেয়ে পিতাক-মাক ঢুকুৱাৰ পিছত মাউৰা বুলি আনৰ দয়া বিচাৰি সৰ্বত্ৰে কেৱল অৱহেলা আৰু অপমানহে পাইছে। ৰামেশ্বৰে কম বয়সৰ পৰাই পিতৃক অনুসৰণ কৰি ৰাগিয়াল দ্ৰব্য খাবলৈ শিকে। ৰূপৰ ধোঁৱাখোৱাৰে আৰম্ভ কৰা বদ অভ্যাস থাকি গ'ল কিন্তু ৰূপৰ ধোঁৱাখোৱা আৰু পৰিয়ালৰ সা-সম্পত্তিহে তেওঁ ৰাখিব নোৱাৰিলে। শেষত নাৰিকলৰ সাধাৰণ ধোঁৱাখোৱা এটাৰ বাবে তেওঁ প্ৰাণ দিব লগা হয়।

*অমুকা পণ্ডিত* ধোঁৱাখোৱা গল্পৰ এটা সৰু অথচ গুৰুত্বপূৰ্ণ চৰিত্ৰ। অতি কৃপণ পণ্ডিতে ৰামেশ্বৰৰ লগত ব্ৰহ্মপুত্ৰৰে দক্ষিণপাতলৈ যাবলৈ আহিছিল। ৰামেশ্বৰ নদীত পৰি উটি যোৱাৰ পিছত নাৱৰ কেৰেয়া দিব লগা হোৱাত আধাখিনি বাটৰহে *কেৰেয়া*[৭১] দিব বুলি নাৱৰীয়াহঁতক কৈছে। তেওঁৰ চৰিত্ৰত তোষামোদকাৰী, সুবিধাবাদী লক্ষণ স্পষ্ট। এই চৰিত্ৰটোৰ বিপৰীতে সাধাৰণ মানুহৰ অসাধাৰণ গুণৰ পৰিচয় দিছে নাৱৰীয়া দুজনৰ

জৰিয়তে। তেওঁলোকে ৰামেশ্বৰক হেৰুৱাই দুখ প্ৰকাশ কৰিছে আৰু ৰামেশ্বৰৰ জীৱনৰ তুলনাত নাৱৰ *কেৰেয়াক* তুচ্ছ জ্ঞান কৰি *কেৰায়া* গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ বাৰীচোৰা আৰু ভৈৰা দুটা বিশিষ্ট চৰিত্ৰ। এই দুটা চৰিত্ৰৰ মাজেৰে দুজন সাধাৰণ মানুহৰ বাস্তৱ চিত্ৰ তেওঁ অংকন কৰিছে। দত্মন্তৰো বেজবৰুৱাই আন্তৰিকতাৰে অংকন কৰা এটা ১০ বছৰীয়া সাধাৰণ ল'ৰাৰ চৰিত্ৰ। আইতাকৰ সৈতে কঠোৰ জীৱন সংগ্ৰাম চলাই যোৱা এই ল'ৰাটোৱে সততাৰে কথকৰ ঘৰত কাম কৰিছিল। অন্যায়ৰ বলি হৈয়ো সি অন্যায়ৰ বিৰুদ্ধে মাত মাতিছে, কিন্তু সংসাৰৰ কুটিল চক্ৰত সি হঠাতে হেৰাই গ'ল।

## ২.৭.২ বেজবৰুৱাৰ কেইটামান উল্লেখযোগ্য নাৰী চৰিত্ৰ ঃ

***ভদৰী* ঃ** বেজবৰুৱাৰ গল্পৰ নাৰী চৰিত্ৰসমূহৰ ভিতৰত এটা উল্লেখযোগ্য চৰিত্ৰ হ'ল ভদৰী (ভদৰী)। *গল্পত বহু বিস্তৃতিযুক্ত চৰিত্ৰ সৃষ্টিৰ সুবিধা কম। কিন্তু ভদৰী গল্পত নিৰ্দ্ধাৰিত সীমাৰ ভিতৰতে ভদৰীয়ে চাৰিত্ৰিক গতি সলনি কৰি নিজকে বহু বিস্তৃতযুক্ত চৰিত্ৰ হিচাপে গঢ়ি তুলিছে। প্ৰথম অৱস্থাত ভদৰীয়ে অতি মুখ চোকা দন্দুৰী তিৰোতাৰূপে আত্ম প্ৰকাশ কৰাৰ পিছতে গভীৰ স্বামী অনুৰক্তা তিৰোতা হিচাপে ধৰা দিছে।*[৭২] ভদৰী এগৰাকী পৰম্পৰাগত ভাৰতীয় নাৰী। তেওঁ বসুমতীৰ দৰে সহনশীল। ভদৰীৰ স্বামী শিশুৰাম। কথাই কথাই ভদৰীৰ ওপৰত বৰমতা দেখুওৱা তেওঁৰ স্বভাৱ। *গিৰিয়েকৰ এনে ৰুক্ষ ব্যৱহাৰ, মাৰ-কিল ভদৰীয়ে আই বসুমতীৰ দৰে পিঠি পাতি দি সদায় সহি থাকে।*[৭৩] কথকে ভদৰীৰ বিষয়ে কৈছে যে—

> *বাস্তৱিক পক্ষত ভদৰীৰ এনে বিশ্বাস হৈ গৈছিল যে ভুকুটো, ঢকাটো, চৰটো, গোৰটো আৰু কাঠখৰি আৰু ঢেকিঠোৰাৰ মাৰটো, উঠা-বহা, খোৱা-লোৱাৰ লগতে বিবাহিত জীৱনৰ এটা অপৰিহাৰ্য অঙ্গ।*
>
> *(ভদৰী ঃ বেঃ গ্ৰঃ, পৃষ্ঠা ঃ ৬৪৫)*

এদিন শিশুৰামে পথাৰৰ পৰা আহি যথাসময়ত ভাত নোহোৱাৰ বাবে দুপদুপাই উঠিল। গেৰেহা খৰি ফুৰাই ফুৰাই নাকৰ পানী আৰু চকুৰ পানীয়ে একে হোৱা ভদৰীয়েও '*মোৰ মুৰটোৰে ভাত ৰান্ধি দিম নেকি? খৰি এডাল বুলিবলৈ নাইঙ্গ*'[৭৪] বুলি গিৰিয়েকক উত্তৰ দিলে। ঘৈণীয়েকৰ উত্তৰ শুনি খঙতে একো নাই হৈ শিশুৰামে মৈদাৰে ভদৰীৰ পিঠিত ওপৰা ওপৰিকৈ দুকোব মাৰিলে। অজ্ঞান ভদৰীক চিকিৎসালয়ত ভৰ্ত্তি কৰালে আৰু শিশুৰাম জেল হাজোতলৈ গ'ল। চিকিৎসালয়ত তিনিদিনৰ পিছত জ্ঞান ঘূৰাই পোৱা ভদৰীয়ে প্ৰথমে শিশুৰামৰ খবৰহে ল'লে। শিশুৰাম হাজোতত থকা বুলি শুনি ভদৰী পুনৰ অজ্ঞান হৈ পৰিল। ভদৰীয়ে জ্ঞান ঘূৰাই পায়েই চিপাহী দুটাৰ মাজত শিশুৰামক থিয় হৈ থকা দেখি '*তোমাৰ গা কেনে আছে? আজি ভাত খালানে? তোমাৰ ভাত পানী খোৱাত মহা দুখ হৈছে ছাগৈ?*'[৭৫] বুলি সুধিলে আৰু ডাক্তৰলৈ চাই ক'লে —

> *দেউতা ঈশ্বৰঙ্গ ধৰ্ম্মাৱতাৰঙ্গ এওঁৰ কোনো দোষ নাই, এওঁক এৰি দিয়ক। বেটী গোলামীয়ে চুলি ছিঙি কাতৰ কৰি মাতিছোঁ, মোৰ গিৰিহঁতক এৰি দিয়ক। মাছ বাচিবলৈ যাওঁতে উজুটি খাই পাতি থোৱা মৈদাত পৰি বেটী গোলামীৰ গা কাটিছে।*
>
> *(ভদৰী ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৪৫-৪৬)*

***জয়ন্তী* ঃ** জয়ন্তী *(জয়ন্তী)* বেজবৰুৱাৰ এটা উল্লেখযোগ্য নাৰী চৰিত্ৰ। বেজবৰুৱাই জয়ন্তীক সুন্দৰী, সাহসী, বুদ্ধিমতী আৰু পতিব্ৰতা এগৰাকী আদৰ্শ অসমীয়া নাৰী ৰূপে অংকন কৰিছে। কথকৰ ভাষাৰে —

> *জয়ন্তী ডাঙৰ মানুহৰ জীয়ৰী, ডাঙৰ মানুহৰ ঘৈণী; সৰুতে বাপেকৰ ঘৰত সুখত উঠা আৰু ডাঙৰত গিৰিয়েকৰ ঘৰত সৌভাগ্যৰ কোলাত লালিতা। ... বাপেকৰ ঘৰতে গুণৱতী মাকৰ যতন আৰু শিকনিত ভৱিষ্যত ঘৰুৱা জীৱনৰ প্ৰায় সকলো আৱশ্যকীয় কামত জয়ন্তী সুশিক্ষিতা হৈ উঠিছিল। ... সঁচাসঁচিকৈয়ে ৰমানাথ বৰুৱাৰ পত্নী শ্ৰীমতী জয়ন্তী দেৱী পুৰণি আসামৰ ৰাজধানী ৰংপুৰ নগৰৰ মাজত সাবিত্ৰীৰ নিচিনা সতী, কমলাৰ নিচিনা সুন্দৰী, শচীৰ দৰে সৌভাগ্যৱতী বুলি ৰাষ্ট্ৰ আছিল।*
>
> *(জয়ন্তী ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৩৩)*

এই গৰাকী জয়ন্তীৰ সৌভাগ্যৰ বেলিত হঠাতে গ্ৰহণ লাগিল। এদিন ব্ৰহ্মদেশৰ মানহঁতে অসম আক্ৰমণ কৰিলে। সকলো ফালে সন্ত্ৰাসৰ সৃষ্টি হ'ল। জয়ন্তীহঁতৰ চিনাকি-অচিনাকি বহুলোকে নিজ ঘৰবাৰী এৰি নিৰাপদ ঠাইলৈ আঁতৰি গ'ল। জয়ন্তীৰ গিৰিয়েক ৰমানাথ বৰুৱায়ো তেওঁলোকৰ সাঁচতীয়া আয় অলংকাৰ টকা-শিকা সকলোবোৰ গুৱাহাটীত থকা ভায়েকৰ ঘৰলৈ পঠিয়াই দি নিজেও এসপ্তাহমানৰ ভিতৰতে ৰংপুৰ এৰি যাবলৈ সংকল্প ল'লে। কিন্তু তেওঁৰ ভবা কথা সিদ্ধি নহ'ল। এদিন দুপৰীয়া হঠাতে তিনিটা মান সেনা জয়ন্তীহঁতৰ ঘৰত সোমাই আয়-অলংকাৰ, টকা-শিকা বিচাৰি সন্ত্ৰাসৰ সৃষ্টি কৰিলে। ধন-সোণ একো নাপাই সিহঁতে ৰমানাথক বান্ধি লৈ বহুত অত্যাচাৰ কৰিবলৈ ধৰিলে। জয়ন্তীয়ে সিহঁতক কাবৌ মিনতি কৰি সেইবোৰ আগতেই ভায়েকৰ তালৈ দি পঠোৱা বুলি ক'লে আৰু গিৰিয়েকক এৰি দিবলৈ অনুৰোধ কৰিলে। জয়ন্তীৰ কথাত মানহঁত মান্তি নহ'ল। সিহঁতে ৰমানাথক বান্ধি লৈ যাবলৈ ওলাল। গিৰিয়েকৰ লগতে জয়ন্তীকো সিহঁতে বান্ধি ল'লে। সেই সময়তে আত্মসংযমত অভ্যস্ত জয়ন্তীয়ে চৰম দুঃসাহস আৰু বুদ্ধিমত্তাৰ পৰিচয় দাঙি ধৰিলে। তেওঁ ভয়, দুখ, বেজাৰ সকলো ত্যাগ কৰি নিজৰ বান্ধ খোলায় আৰু তিনিওটা মান সেনাক গাতত পেলায় কাটিলে। গিৰিয়েকক তেওঁ বন্ধনৰ পৰা মুক্ত কৰিলে। এই ভয়ানক কাৰ্য সংঘটিত কৰি জয়ন্তী উন্মাদিনী হৈ পৰিল। *মোৰ স্বামীৰ হাতৰ বান্ধ মোকোলালো*[৭৬] বুলি তেওঁ নাচিবলৈ ধৰিলে। গিৰিয়েক আৰু আত্মীয়-স্বজনৰ অশেষ যত্ন আৰু চিকিৎসাৰ পিছতো কিন্তু জয়ন্তীয়ে পুনৰ স্বাভাৱিক জীৱন ঘূৰাই নাপালে। কিছুদিনৰ পিছত উন্মাদিনী অৱস্থাতেই তেওঁ মৃত্যুক সাৱটি ল'লে। বেজবৰুৱাই জয়ন্তীৰ চৰিত্ৰটোক গল্পৰ নিৰ্দ্ধাৰিত সীমাৰ ভিতৰতে চাৰিত্ৰিক গতি সলনি কৰি বিকাশ লাভ কৰা এটা বিশিষ্ট চৰিত্ৰ ৰূপে গঢ় দিছে।

***সেউতী*** **ঃ** সেউতী *(সেউতী)* লক্ষ্মীনাথ বেজবৰুৱাৰ এটা উল্লেখযোগ্য নাৰী চৰিত্ৰ। গল্পটোৰ আৰম্ভণিত সেউতী এজনী ন বছৰীয়া মৰম লগা ছোৱালী। বেজবৰুৱাৰ ভাষাত —

> *সেউতী যে সেউতীয়েই। ৰোহ নাই ঠেহ নাই, ধুন নাই, পেচ নাই গোটেই দিপ্‌লিপ্ ছোৱালীটি। কথাত মানুহ ভোল যায়, মাত শুনি থাকিবৰ মন যায়, বুকুত ল'লে বুকু জুৰায়, চাই থাকিলে চকু ৰয়, এনেটি ছোৱালী সেউতী। মাকৰ সোণৰ চেকুৰা, বাপেকৰ আলাসৰ লাডু, ককায়েকৰ দেহলাও আৰু উমলিবৰ লগ সেউতী।*
>
> *(সেউতী ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৬৪)*

সমাজৰ আওভাও বুজি নোপোৱা সেউতীক তাইৰ ন বছৰ বয়সতে মাক-বাপেকে ভাল দৰা চাই বিয়া দিলে। বিয়াৰ পিছদিনা সৰু মানুহৰ ঘৰলৈ আৰু বোৱাৰীয়েকক পঠিয়াবলৈ অমান্তি হোৱা দৰা ঘৰে তাইক কেইদিনমান পিছতে একেবাৰে পঠিয়াই দিলে। ছোৱালী দৰাৰ সম্বন্ধ লগা বুলি সমাজত বু-বু বা-বা ওলাল। মাকৰ ওচৰলৈ ঘূৰি আহিবলৈ পাই সেউতীয়ে ভালেই পালে। কিন্তু কেই বছৰমান পিছত তাই গিৰিয়েকৰ ঘৰলৈ যাবলৈ ইচ্ছা কৰিলে যদিও দৰাঘৰ অমান্তি হ'ল। উপায় নাপায় দেউতাকে মোকৰ্দমা কৰাত দৰাঘৰে তাইক আনিলে। এইবাৰ কিন্তু তাইৰ স্থান হ'ল বান্দী-বেটীৰ লগত ঢেঁকীশালতহে। সেউতীৰ দুখ দেখি গিৰিয়েকৰ তাইলৈ মৰম উপজিল। লুকাই লুকাই স্বামী-স্ত্ৰীৰ মিল হ'বলৈ ধৰিলে। এই কথা সেউতীৰ শাহুৱেক আৰু বাই শাহুৱেকে গম পাই সহ্য কৰিব নোৱাৰিলে। তেওঁলোকে তাইক ভাতৰ লগত বিহ দি হত্যা কৰিলে।

গল্পৰ কাহিনী বিকাশত সেউতী চৰিত্ৰটোৰ কোনো সক্ৰিয় ভূমিকা নাই। পৰিস্থিতিয়ে তাইক য'লৈ নিচে তাই তালৈকে গৈছে যদিও তাইৰ সীমিত কাৰ্যকলাপ আৰু আচৰণৰ মাজেৰে এগৰাকী সহজ-সৰল, নিৰীহ ছোৱালীৰ স্বামী ভক্তি প্ৰকাশ পাইছে।

***নলিনী*** **ঃ** বেজবৰুৱাৰ এটা উল্লেখযোগ্য নাৰী চৰিত্ৰ নলিনী *(লাওখোলা)*। লাওখোলাত নলিনীয়ে এটা ভৌতিক চৰিত্ৰৰূপে আত্ম প্ৰকাশ কৰিছে। গল্পৰ কথকে

কলিকতাৰ বাগানবাড়ীৰ বন্ধু এজনৰ ঘৰৰ এটা পুখুৰীত মাছ মাৰোতে জালত এটা লাওখোলা উঠি আহে। এই লাওখোলাটোৰ পৰাই নিশা এগৰাকী নাৰীৰ আবিৰ্ভাৱ ঘটে। এই নাৰী গৰাকীয়েই নলিনী। তেওঁ কথকৰ আগত নিজৰ করুণ জীৱন কাহিনী বৰ্ণনা কৰে।

নলিনী বাল বিধৱা আছিল। বিয়া কি নজনাকৈয়ে, গিৰিয়েকক দেখাৰ আগতেই তাই বিধৱা হয়। বাল্য বিবাহেই তাইৰ জীৱনলৈ দুখৰ বোজা কঢ়িয়াই আনিছিল। পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীক যে পণ্য হিচাপে ব্যৱহাৰ কৰা হয়, সেইকথা নলিনীৰ বক্তব্যৰ মাজেৰে গল্পকাৰে দাঙি ধৰিছে। বিধৱা হোৱাৰ সময়ত মাক-দেউতাকৰ লগতে থকা নলিনী তেওঁলোকৰ মৃত্যুৰ পিছত আশ্ৰয়হীন হৈ পৰে। উপায়হীন অৱস্থাত তাই পতিগৃহলৈকে যাব লগা হয়। তাত বৰজনাকৰ আশ্ৰয়ত নলিনী থাকিবলৈ লয়। নলিনীৰ বৰজনাক আছিল সমাজৰ এজন বৰমূৰীয়া ব্যক্তি, কিন্তু তেওঁ আছিল জঘন্য চৰিত্ৰৰ দুৰ্ঘোৰ মদপী, বেশ্যাসক্ত এজন পশুতকৈয়ো অধম ব্যক্তি। বৰজনাকৰ চৰিত্ৰৰ বিষয়ে প্ৰথমতে নলিনীয়ে একো নাজানিছিল। তেওঁৰ চৰিত্ৰৰ বিষয়ে লাহে লাহে তাই সকলো গম পালে। তেওঁৰ পাপচকু নলিনীৰ ওপৰতো যে পৰিবলৈ ধৰিছে সেয়াও তাই অনুভৱ কৰিলে। তাই এই বিষয়ে জাকক কৈ তেওঁলোকৰ ঘৰ এৰি যাবলৈ ওলাল। কিন্তু জাকৰ অনুৰোধত তেওঁ সেই সিদ্ধান্ত সলনি কৰি তেওঁৰ লগতে থাকিবলৈ ল’লে।

বৰজনাকৰ সকলো স্বভাৱ জানিও তেওঁৰ কামনাৰ গ্ৰাসৰ পৰা নলিনী সাৰিব নোৱাৰিলে। তাই লাহে লাহে বৰজনাকৰ সৈতে পাপত নিমজ্জিত হ’ল। ফলস্বৰূপে তাই এদিন গৰ্ভৱতী হ’ল। নিজকে কলংকমুক্ত কৰিবৰ কাৰণে সমাজত বৰমানুহ বোলোৱা বৰজনাকে নলিনীক হত্যা কৰি ডিঙিত এটা ডাঙৰ শিল বান্ধি পুখুৰীত পেলাই দিলে। নিজক ৰক্ষা কৰিবলৈ কোনো সুযোগ নোপোৱা নলিনীয়ে প্ৰেতাত্মাৰ ৰূপেৰে আবিৰ্ভাৱ হৈ কথকৰ আগত খেদ প্ৰকাশ কৰি কৈছে—

*"হৰি হৰিঙ্গ তিৰোতাৰ জীৱন দুখৰ জীৱন। তাক আৰু দুৰ্ভগীয়া কৰিবলৈ মতা সদায় সাজুঙ্গ বিয়া কাক বোলে তাক জনাৰ আগেয়েই আৰু স্বামী কাক বোলে তাক চকুৰে দেখাৰ আগেয়েই অৰ্থাৎ প্ৰকৃত পক্ষে স্বামীক পোৱাৰ আগেয়েই মই স্বামী হেৰুৱালো, বিধবা হ'লোঙ্গ তোমালোক পুৰুষৰ কেনে যুক্তিঙ্গ কেনে ন্যায়ঙ্গ তোমালোক আপোনপেটীয়া স্বাৰ্থপৰ জাতি। তিৰোতাৰ আগত বৰমতা বোলোৱা তোমালোকৰ স্বভাৱ।"*

*(লাওখোলা ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৫৯৭)*

নিজকে শক্তিশালী শত্ৰুৰ কবলৰ পৰা বচাব নোৱাৰি, জানি শুনিও বৰজনাকে পেলোৱা কামনাৰ জালত ভৰি পেলাইছিল নলিনীয়ে। পুৰুষ প্ৰধান সমাজত নিজৰ সীমাৱদ্ধতাৰ বিষয়ে উপলব্ধি কৰি তেওঁ কৈছে—

*মই মোৰ জেঠোতৰ ঘৰলৈ যাবৰ দিনাৰে পৰা তেওঁৰ পপীয়া চকু মোৰ ওপৰত পৰিছিল; আৰু তেওঁৰ নানা বিধ গঢ় গতিত সেই কথা ফুটি ওলাইছিল। মই মোৰ বিষম বিপদ বুজিও, ঈশ্বৰৰ চৰণত একান্ত নিৰ্ভৰ কৰি জাৰ মৰমৰ মায়া জৰিডাল চিঙিব নোৱাৰি তাতে আছিলো। দিনকদিনে মোৰ বৰজনাই মোক জালত পেলাবলৈ নানা চক্ৰান্ত কৰিবলৈ ধৰিলে। শেষত অজগৰ সাপৰ আকৰ্ষণত নিৰুপায় হৰিণী তাৰ মুখৰ ভিতৰত সোমোৱাদি গৈ মই পাপ অজগৰৰ মুখত সোমালো। মোৰ সৰ্বনাশ ঘটিল। কলঙ্কৰ পাচি মই মুৰত তুলি ল'লো।*

*(লাওখোলা ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৫৯৭)*

জীৱিত কালত বৰজনাকৰ কাৰ্যৰ প্ৰতিবাদ কৰিবলৈ কোনো সুযোগ নোপোৱা নলিনীৰ অশৰীৰি ৰূপে আত্মপ্ৰকাশ কৰাৰ পিছত এগৰাকী বিদ্ৰোহিনীলৈ ৰূপান্তৰ ঘটিছে। কথকৰ আগত সেয়ে তেওঁ মনৰ সকলো ক্ষোভ উজাৰি প্ৰচলিত প্ৰথাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে।

***ললিতী কাকতী*** **ঃ** ললিতী কাকতী *(ললিতী কাকতী)* কাকতী গাঁৰৰ শ্ৰীযুত সুন্দৰ কাকতীৰ একমাত্ৰ কন্যা। ললিতী দেখাত যিমান ধুনীয়া, স্বভাৱ-চৰিত্ৰও সিমানেই ভাল। কথকৰ ভাষাত —

*ললিতী নগৰত থাকি বালিকা স্কুলত লিখা-পঢ়া শিকা ছোৱালী আৰু আজিকালিৰ নব্য ধৰণৰ; ধানবনা, পানী অনা, চোতাল সৰা ইত্যাদি কামত তাই একেবাৰেই*

*অনভ্যস্ত; .... ললিতী দেখিবলৈকো বৰ ধুনীয়া। তাইক বৰণত লোকে পাটমুগী বুলিছিল আৰু চলন, ফুৰণ, কথা-বাৰ্তাত বিতোপন বুলি কৈছিল। ললিতীৰ স্বভাৱো সুন্দৰ বুলি সেই অঞ্চলত প্ৰখ্যাত আছিল। তাইৰ দোষৰ ভিতৰত এইটোৱেই যে তাই অলপ জেদী আছিল।*

*(ললিতী কাকতী ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৫৪)*

এজনীয়ে ছোৱালী বাবে মাক-দেউতাকে তাইক আতোলতোলকৈ ডাঙৰ-দীঘল কৰিছিল।

মাকৰ পছন্দ মতে এদিন বকৰাগ্ৰামৰ বি. এ. পাছ চাব ডেপুটি হাকিম শ্ৰীকান্ত হাজৰিকাৰ সৈতে ললিতীৰ বিয়া হৈ গ'ল; কিন্তু তাইৰ বৈবাহিক জীৱন সুখৰ নহ'ল। শ্ৰীকান্ত ললিতীৰ বাবে উপযুক্ত পাত্ৰ নাছিল। চৰিত্ৰহীন শ্ৰীকান্তৰ দাম্ভিক, অহংকাৰী স্বভাৱ এমাহমানৰ ভিতৰতে চকুত পৰিল। শহুৰেক-শাহুৰেকৰ লগত নাৰাখি তেওঁ তাইক মফস্বলৰ ঘৰলৈ লৈ গৈছিল। তালৈ নি শ্ৰীকান্তই ললিতীৰ ওপৰত অমানৱীয় শাৰীৰিক, মানসিক নিৰ্যাতন চলাবলৈ ধৰিলে। হাকিম জোঁৱাইৰ প্ৰকৃত স্বৰূপ প্ৰকাশ পোৱাৰ পিছত জীয়েকৰ দুখৰ কথা শুনি দেউতাকে তাইক ঘৰলৈ আনিবলৈ গ'ল। শ্ৰীকান্ত হাজৰিকাই শহুৰেককো নানান গালি-শপনি পাৰি, ললিতীৰ গহনা-গাথৰি, ভাল কানি-কাপোৰ সকলো কাঢ়ি ৰাখিলে। কিছুদিনৰ পিছত তেওঁ দ্বিতীয় বিবাহ কৰালে। এই খবৰ শুনি সুন্দৰ কাকতীয়ে জীয়েকৰ দুখত তিনিমাহৰ ভিতৰতে নশ্বৰদেহ ত্যাগ কৰিলে।

এই ঘটনাবোৰ ঘটি যোৱাৰ পিছত ললিতী কিন্তু হাত সাৰটি বহি নাথাকিল। তাই গিৰিয়েকলৈ এখন চিঠি লিখিলে। চিঠিখনৰ নকল একপি তাই *বাঁহী*ৰ সম্পাদকলৈয়ো পঠিয়ালে। গিৰিয়েকলৈ লিখা চিঠিখনত ললিতীয়ে গিৰিয়েকৰ চৰিত্ৰৰ স্বৰূপ প্ৰকাশ কৰিছে আৰু তেওঁৰ সকলো অন্যায় কাৰ্যৰ প্ৰতিবাদ কৰিছে। ললিতীয়ে লিখিছে—

*মোৰ আষাৰচেৰেক কথা আপোনাক ক'বৰ সকাম আছে, মুখেৰে কবৰ উপায় নাই দেখি চিঠিৰে লেখি দিলো। মই জানো, যে এই চিঠি আপুনি পঢ়ি ফালি পেলাব, কাকো নেদেখুৱায়; সেইদেখি ইয়াৰ নকল এখন শ্ৰীযুত 'বাঁহী'ৰ সম্পাদক*

*ডাঙৰীয়ালৈকো পঠিয়াই দিলো, বাঁহীত ছপা কৰিবলৈ; যাতে আপুনি চিঠিখন লুকাই ৰাখিব নোৱাৰে। ...আপুনি শিক্ষিত আৰু বিশ্ববিদ্যালয়ৰ ছাব-মোহৰ পোৱা 'গ্ৰেজুৱেট'। কিন্তু মোক কওকচোন, বিশ্ববিদ্যালয়ৰ শিক্ষাত এইটো শিকনি দিয়ে নে যে লোকৰ সৰু ছোৱালী এজনী বিয়া কৰাই আনি তাইক দিনৌ চোৰ কিলোৱাদি কিলাব পায় আৰু হালৰ গৰু বোৱাদি বাব পায়? আৰু তাইৰ মাক বাপেকৰ চৈধ্য পুৰুষ উকতি গালি পাৰিব পায়? ... চৰিত্ৰ ৰক্ষা কৰাটো অকল তিৰুতাৰহে কৰ্তব্যৰ ভিতৰত, পুৰুষৰ নহয় নে? ... পুৰুষে তিৰুতাৰ স্বভাৱ চৰিত্ৰ নিৰ্ম্মল হৈ থাকিবৰ নিমিত্তে দেখোন বৰ কট্‌কটীয়া বিধি বিধান দিয়ে, কিন্তু তেওঁলোকৰ নিজৰ ফালে তেনে বিধি বিধানৰ বান্ধোনবোৰ ঢিলাশোলোকা কৰি লয় কিয়?*

*(ললিতী কাকতী ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৫৬)*

এনেদৰে পুৰুষৰ সপক্ষে আৰু তিৰুতাৰ বিপক্ষে থকা সমাাজিক নিয়ম-কানুনক ললিতীয়ে সমালোচনা কৰিছে। তিৰুতাৰ স্বাধীনতা খৰ্ব কৰা নীতি-নিয়ম প্ৰণয়ন কৰা ঋষি-মুনি সকলকো তেওঁ সমালোচনা কৰিছে আৰু পুৰুষৰ দৰে স্বাধীন আৰু স্বাৱলম্বী হৈ জীয়াই থকাৰ অধিকাৰ তিৰুতাৰো থকা উচিত বুলি মন্তব্য কৰিছে। ললিতীয়ে বিবাহ আৰু স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ তাৎপৰ্য বুজি নোপোৱা পুৰুষসকলৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ আৰু বিদ্ৰোহ ঘোষণা কৰিছে। পশু প্ৰকৃতিৰ দুৰাচাৰ স্বামীৰ সৈতে সংসাৰ কৰাতকৈ কুমাৰী হৈ থাকিবলৈ ভাল পাব বুলিও তেওঁ চিঠিত কৈছে আৰু তেনে বিবাহকো তেওঁ অস্বীকাৰ কৰি কৈছে— *আপুনি সামাজিকতো নাভাবিব যে মোক পৰিত্যাগ কৰিলে বুলি মই জীৱন্ততে মৰিলোঁ। আপোনাৰ নিচিনা পাপ-শিকলিৰ বান্ধৰপৰা মুকলি হৈ মই জীলোঁ জানিবা।*[৭৭] চিঠিখনত লিখা ললিতীৰ বক্তব্যৰ মাজেৰে ললিতীৰ সাহস আৰু স্বাভিমান প্ৰকাশ পাইছে লগতে প্ৰকাশ পাইছে নাৰীবাদী আদৰ্শও। স্বামীৰ বৰ্তমানতো নিজকে কুমাৰী বা স্বাধীন বুলি ঘোষণা কৰা ললিতীক বেজবৰুৱাই আধুনিক মনৰ নাৰীৰ প্ৰতিনিধি ৰূপে অংকন কৰিছে। স্বামীৰ দ্বাৰা নিৰ্যাতিতা, পৰিত্যক্তা হ'লেও ললিতী দুৰ্বল নহয়, তেওঁ স্বাধীনচিতীয়া, সাহসী আৰু প্ৰতিবাদী কণ্ঠৰ গৰাকী।

বেজবৰুৱাই ললিতীৰ বক্তব্যৰ মাজেৰে তাইৰ দুখীয়া দৰিদ্ৰৰ প্ৰতি থকা দৰদ আৰু

প্ৰাচীন মূল্যবোধৰ প্ৰতি থকা শ্ৰদ্ধাও দাঙি ধৰিছে। চিঠিখনৰ শেষত তাই মানৱসেৱাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে আৰু শ্ৰীকান্তক সুমতি দিবলৈ তেওঁ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

***পাতমুগী*** **ঃ** পাতমুগী *(পাতমুগী)* ডবকা মৌজাৰ এগৰাকী বিধৱা মাতৃ আলতী বাইৰ একমাত্ৰ গাভৰু জীয়েক। দেখিবলৈ ধুনীয়া পাতমুগী *যেন সদৰামিনৰ ঘৰৰহে জীয়ৰী।* [৭৮] পাতমুগী জাত-পাত আৰু পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ চিকাৰ হৈছে। এজন বামুণৰ ল'ৰাই তাইক বিয়া কৰাই সিহঁতৰ ঘৰতে এবছৰ ঘৰজোঁৱাই হৈ থাকে। কিন্তু এবছৰ পিছত এদিন হঠাতে তাইক মনে মনে এৰি থৈ সি নিজৰ সমাজৰ ওচৰ চাপেগৈ। পিছত পা-পৰাচিত হৈ একেজাতৰে ছোৱালী এজনী বিয়া কৰায়। প্ৰথম অৱস্থাত পাতমুগী ভাগি পৰিছিল। এই অন্যায়ৰ বিপক্ষে তাই আদালতৰ কাষ চাপিছে। গিৰিয়েকে তাইক কৰা প্ৰৱঞ্চনাৰ বাবে দণ্ড দিব বিচৰা পাতমুগীয়ে দদায়েকৰ তাইৰ প্ৰতি জাগি উঠা খন্তেকৰ দুৰ্বলতা দেখি সিদ্ধান্ত সলনি কৰিছে। তাইৰ চকুৰ আগতে গিৰিয়েক, দদায়েক আৰু উকীল এই তিনিজন পুৰুষৰ দুৰ্বলতা, প্ৰৱঞ্চনা আৰু নিষ্ঠুৰতা ধৰা পৰিছে। *বয়স আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য নাৰাখি আদিম বাসনাই ভাৱাক্ৰান্ত কৰা পুৰুষ শ্ৰেণীটোৰ লালসা দেখি পাতমুগী আচৰিত হৈছে।* [৭৯] সেয়ে তাই কাছাৰীত উকীলৰ আগত গিৰিয়েকৰ বিপক্ষে আৰু গোচৰ নতৰো বুলি স্পষ্টকৈ কৈ দিয়ে। উকীলে তাইক "*তেন্তে কিয় আহিছিলি?*" [৮০] বুলি সোধাত তাই কৈছে —

> *"গোটাদেক কথাৰ প্ৰমাণ চাবলৈ।"*
> *"কি কথাৰ?"*
> *"পুৰুষ জাতিৰ প্ৰৱঞ্চনা, নিষ্ঠুৰতা আৰু দুৰ্ব্বলতাৰ।"*
> *"প্ৰমাণ পালি নে?"*
> *"পালোঁ।"*
> *"ক'ত?"*

*“আগেয়েও পাইছিলো, এতিয়াও পালো।”*

*(পাতমুগী ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৫৯)*

বেজবৰুৱাই গল্পৰ আৰম্ভণিতে পাতমুগীক নিজৰ দুখত ভাগি পৰা এগৰাকী সাধাৰণ যুৱতীৰূপে উপস্থাপন কৰিছে। কিন্তু পৰিস্থিতিয়ে তাইক নিজৰ দোষ দুৰ্বলতাৰ বিষয়ে স্পষ্টকৈ অনুমান কৰিব পৰা আৰু পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পৰা এগৰাকী বলিষ্ঠ ব্যক্তিত্বৰ যুৱতীলৈ উত্তৰণ ঘটাইছে। কাছাৰীলৈ যোৱাৰ বাটত ঔটেঙা পাৰোতে দদায়েকৰ তাইৰ প্ৰতি ওপজা দুৰ্বলতা উপভোগ কৰি তাই প্ৰথমে আনন্দ পাইছে আৰু দদায়েকক কৈছে— *“দদাইঙ্গ ৰ লাগি কি চাইছা? নামি আহাঙ্গ পিচলি পৰিবা চাবা।”*[৮১] আকৌ যেতিয়া দদায়েকে নিজৰ কাৰ্যত লজ্জিত হৈ হতভম্ব হৈছে, তেতিয়া তাই কৈছে —

*“দদাইঙ্গ ঔটেঙা খোৱা। মিছাকৈ কিবোৰ ভাবি আছা? চাওঁ তোমাৰ বুকুখন।”*

*“... ইস্ঙ্গ মাখিছাল ছিগি গৈছেঙ্গ যাওক, ওপৰে ওপৰেহে; ভিতৰলৈ সোমাব পৰা নাই।”*

*(পাতমুগী ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৫৯)*

বুলি ঠাট্টা কৰি কৈছে যদিও পিছত একধৰণৰ বেদনাদায়ক উপলব্ধিয়ে তাইক জীৱনক দকৈ উপলব্ধি কৰিবলৈ শিকালে। এই উপলব্ধিয়ে তাইক এক সিদ্ধান্তত উপনীত কৰাইছে। তাইৰ অন্তৰৰ পৰা গিৰিয়েকলৈ থকা আক্ৰোশ নাইকিয়া হৈছে। নিজৰ সাময়িক উশৃংখল ব্যৱহাৰৰ বাবে দদায়েকৰ ওচৰত ক্ষমা বিচাৰি তাই মানৱসেৱাৰ পথ বাছি লৈছে। ব্যক্তিগত জীৱনৰ কামনা-বাসনা অৱদমনৰ দ্বাৰা পাতমুগীয়ে নিজৰ চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰিছে আৰু পুৰুষতান্ত্ৰিক সমাজত ভোগৰ সামগ্ৰী হৈ নাথাকি এটা সন্মানজনক জীৱন যাপনৰ লক্ষ্যৰে ভৱিষ্যতলৈ এটা সৰল খোজ আগবঢ়াইছে।

***নাচনী বুঢ়ী*** **ঃ** নাচনী বুঢ়ী *(নাচনী বুঢ়ী)* বেজবৰুৱাৰ এটা বিশিষ্ট চৰিত্ৰ। বুঢ়ীক বেজবৰুৱাই অসমীয়া ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতীক ৰূপে অংকন কৰিছে। পশ্চিমীয়া

সংস্কৃতিক আদৰি লৈ নিজৰ আপুৰুগীয়া সাংস্কৃতিক সম্পদ সমূহক অৱহেলা কৰা, কিছুমান অসমীয়াক তেওঁ কটাক্ষ কৰিছে। গল্পটোত তেওঁ এগৰাকী ৰিঙয়াল তিৰোতা ৰূপে উপস্থিত আছে। তেওঁ বহাগৰ  বিহুত নাচিছে, গাইছে আৰু পিঠা পনাও কৰিছে। গৰুবিহুৰ দিনা গৰু ধুৰাবলৈ যাওঁতে লাও-বেঙেনা দলিয়াইছে। তেওঁ কথকৰ গা-লৈকো লাও-বেঙেনা দলিয়াইছে। কথকক বিহুৰ আলহী বুলি পিঠাৰে আপ্যায়নো কৰিছে। নিজৰ সংস্কৃতিক শ্রদ্ধা কৰাৰ লগতে আনকো এই সম্পদ সমূহক আদৰ কৰিবলৈ উদ্‌গনি দিছে। মুকলিমুৰীয়া বুঢ়ীৰ কোনো কথাতে সংকোচ নাই। বোৱাৰীয়েকহঁতৰ সৈতে তেওঁ হাঁহি-ধেমালি কৰি বছৰৰ বিহুৰদিনা ৰঙৰ মেলা পাতিছে। নিজৰ সংস্কৃতিক পালন কৰিবলৈ, গ্ৰহণ কৰিবলৈ সংকোচ কৰা কথকক তেওঁ মৃদু তিৰস্কাৰ কৰিছে। তেওঁ গাঁৱলীয়া হ'লেও '*শিক্ষিত মানুহৰ দৰে*'।[৮২] কথকৰ আগত কোৱা কথাৰ মাজেৰে তেওঁৰ মনৰ ভাৱ এনেদৰে প্ৰকাশ পাইছে —

> *"দেউতা, আপোনাসকল ডাঙৰ মানুহ, সভ্য মানুহ, ইংৰাজী লিখা পঢ়া জনা। আমি অসভ্য গাঁৱলীয়া; ইংৰাজী পঢ়া শুনাৰ শুঙকে নাপাওঁ। কিন্তু একেষাৰ কথা মই ডাঙৰীয়াত জনাওঁ। আমি বনৰ ফুল, ঈশ্বৰৰ আপডালত বনতে বাঢ়িছোঁহক, মিছা-বেইচা, মিছা লাজ, মিছা সঙ্কোচ কাক বোলে আমি নাজানোহঁক।"*
>
> *(বিহু ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৪৫)*

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত আলোচিত নাৰী চৰিত্ৰ কেইটাই প্ৰাধান্য লাভ কৰিছে যদিও আন কেইবাটাও নাৰী চৰিত্ৰ কম পৰিসৰৰ মাজতে উজ্বল হৈ উঠিছে। বেজবৰুৱাৰ মালতী (*মালতী*) তেনে এটা চৰিত্ৰ। ক্ষমতাৰ বলেৰে মালতীক জোৰকৈ শয্যাসঙ্গিনী কৰিব খোজা ৰজাক তেওঁ জীৱিত কালত নোৱাৰিলেও মৃত্যুৰ পিছত অশৰীৰি ৰূপেৰে প্ৰতিশোধ লৈছে। বেজবৰুৱাৰ বৃন্দা (*ৰচিত*) য়ো পতি পৰম গুৰু বুলি গিৰিয়েকৰ অত্যাচাৰ সহ্য কৰি নাথাকি পিতৃগৃহলৈ গুচি আহিছে। ৰুদ্ৰামৰ ঘৈণীয়েকে *(যেনে কুকুৰ তেনে টাঙোন)* বুদ্ধিৰে গিৰিয়েকৰ অত্যাচাৰ বন্ধ কৰাইছে। সৰুবৌ (*এৰাবাৰী*)ৰ নিমাখিত চৰিত্ৰটোৰে

পাঠকৰ সমবেদনা আদায় কৰিব পাৰিছে। বেজবৰুৱাৰ আন দুটা গল্প *আমালৈ নেপাহৰিব* আৰু *শিৱ প্ৰসাদ* গল্পত দুজনী আজলী গাভৰুক গিৰিয়েক ৰূপী প্ৰৱঞ্চকে পণ্য হিচাপে ব্যৱহাৰ কৰিছে। *আমালৈ নেপাহৰিব* গল্পৰ গাভৰু গৰাকীয়ে কথকক নিজৰ দেশৰ মানুহ পাই অন্তৰৰ বেদনা প্ৰকাশ কৰিছে আৰু এই প্ৰকাশতে স্বদেশ আৰু মাকলৈ থকা তেওঁৰ স্নেহ নিগৰি ওলাইছে। বেজবৰুৱাৰ *ছাইমন* গল্পৰ বৃদ্ধা গৰাকীৰ আৰু *কাশীবাসী* গল্পৰ বৃদ্ধাগৰাকীৰ স্বদেশলৈ থকা প্ৰেম প্ৰকাশ পাইছে। ছাইমনৰ মাকে কথকক নিজৰ মাকক বিচাৰি উলিয়াই তেওঁলৈ খবৰ পঠিয়াবলৈ অনুৰোধ কৰিছে। *নিস্তাৰিণী দেৱী* গল্পত দুৰ্ভগীয়া ফাতেমা বিবিৰ মাকলৈ থকা মৰমৰ উমান পোৱা যায়। প্ৰতিকূল পৰিৱেশত কঠোৰ জীৱন সংগ্ৰামেৰে জীয়াই থাকিও তেওঁ মাকলৈ সহায়ৰ হাত আগবঢ়াব খোজে।

বেজবৰুৱাই তেওঁৰ গল্পত কেইগৰাকীমান ব্যতিক্ৰমী নাৰী চৰিত্ৰও অংকন কৰিছে। *চোৰ* গল্পত তেওঁ লোকেশ্বৰ বৰুৱাৰ ঘৈণীয়েক দুগৰাকীৰ দুটা বিপৰীতধৰ্মী চৰিত্ৰ অংকন কৰিছে। প্ৰথমজনী ঘৈণীয়েক ইন্দুমতী সৎ, মৰমীয়াল আৰু পতিপৰায়ণ। মৃত্যু শয্যাতো তেওঁ পতিৰ চৰণ চিন্তা কৰিছে। কিন্তু ন-ঘৈণী গৰাকী কু-চৰিত্ৰৰ। তেওঁ বিয়াৰ পিছতো পূৰ্বৰ প্ৰেমিকৰ সৈতে অবৈধ সম্পৰ্ক ৰক্ষা কৰি চলিছে আৰু স্বামীৰ মৃত্যু কামনা কৰি পানী খোৱা ঘটিত বিষ ঢালি থৈছে। *আমাৰ সংসাৰ-২* গল্পৰ ভৱানী নীচ। তাই গিৰিয়েকক ৰান্ধি-বাঢ়ি দিয়াৰ ভয়ত গা বেয়া বুলি শুই থাকি গিৰিয়েক কাছাৰীলৈ যোৱাৰ পিছত মাছৰ আঞ্জাৰে ভাত ৰান্ধি খায়।

বেজবৰুৱাৰ গল্প *ৰতনমুণ্ডা, মাধৈমালতী, কনকলতা* আৰু *কন্যাত* জুমুৰী, মাধৈমলতী কনকলতা আৰু কোল গাভৰু গৰাকীৰ প্ৰেমৰ গভীৰতা আৰু প্ৰেমাষ্পদৰ প্ৰতি থকা চেনেহ আৰু আন্তৰিকতা প্ৰকাশ পাইছে।

বেজবৰুৱাৰ *ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ* গল্পত হাকিমনীৰ মুখৰা স্বভাৱৰ আঁৰত থকা পতিপ্ৰেম প্ৰকাশ পাইছে। বেজবৰুৱাৰ কেইবাটাও গল্পত কেইবাগৰাকী মমতাময়ী মাতৃৰ

চৰিত্ৰই অলপ সময়ৰ বাবে ভুমুকি মাৰিছে। *সেউতী, ললিতী কাকতী, ৰচিত* আৰু *মালতী* গল্পত সেউতী, ললিতী, বৃন্দা আৰু মালতীৰ মাকে জীয়েকক এগৰাকী উপযুক্ত পাত্ৰলৈ বিয়া দিবলৈ ইচ্ছা কৰিছে। আটাই কেইগৰাকী মাতৃয়ে জীয়েকহঁতক আটোল-তোলকৈ ডাঙৰ-দীঘল কৰিছে। বেজবৰুৱাৰ *নিস্তাৰিণী দেৱী, ভোকেন্দ্ৰ বৰুৱা, দচ্‌মন্তৰ, পাতমুগী* আৰু *মুক্তি* গল্পতো খন্তেকৰ কাৰণে ভুমুকি মাৰিছে একোগৰাকী স্নেহশীল মাতৃয়ে।

বেজবৰুৱাৰ বেছিভাগ গল্পতে তেওঁ এগৰাকী কথকৰ জৰিয়তে, প্ৰথম পুৰুষত গল্পৰ কাহিনী বৰ্ণনা কৰিছে বাবে চৰিত্ৰ সমূহে সততে বিকাশৰ সুযোগ লাভ কৰা নাই।

**২.৮ বেজবৰুৱাৰ চুটিগল্পৰ কলা-কৌশল ঃ**

চুটিগল্প সৃষ্টিশীল সাহিত্যৰ এটা বিশিষ্ট অংগ। সাহিত্যৰ অন্যান্য অংগৰ দৰে চুটিগল্পতো লিখকৰ সৃষ্টিশীল প্ৰতিভাৰ প্ৰতিফলন ঘটে নিজস্ব ষ্টাইল বা ৰচনা-ৰীতি আৰু কলা-কৌশলৰ জৰিয়তে। লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত তেওঁৰ নিজস্ব ষ্টাইল বা ৰচনা-ৰীতিৰ লগতে চুটিগল্পৰ বাবে প্ৰয়োজন বুলি বিবেচিত বিভিন্ন লক্ষণো বিদ্যমান।

বেজবৰুৱাৰ সকলোবোৰ গল্পৰে কলা-কৌশল আৰু ৰচনাৰীতি একে পৰ্যায়ৰ নহয়। তেওঁৰ সংস্কাৰধৰ্মী আৰু হাস্য-ব্যংগ গল্পসমূহৰ সৰহ ভাগেই আধুনিক চুটিগল্পৰ শিল্পগুণ লাভ কৰা নাই। *এই গল্পসমূহৰ কাহিনী বিন্যাস শিথিল, চুটিগল্পৰ বাবে প্ৰয়োজনীয় বুলি বিবেচিত হৈ অহা লক্ষ্য আৰু ফলশ্ৰুতিৰ ঐক্য, আৰম্ভণি আৰু পৰিণতিৰ নাটকীয়তা অথবা আকস্মিকতা এইবোৰত ৰক্ষা হোৱা নাই।*[৮৩] চুটিগল্পৰ অন্য এক বিশিষ্ট লক্ষণ ভাষা আৰু কাহিনীৰ সংক্ষিপ্ততাও সৰহ ভাগত নাই। কিন্তু এই গল্পসমূহৰ প্ৰকাশ ভংগীৰ আবেদন বৃদ্ধি কৰিবলৈ তেওঁ ব্যংগ আৰু শ্লেষৰ প্ৰয়োগ কৰিছে। প্ৰায়বোৰ গল্পই হাস্য ৰসেৰে ভৰপূৰ। যিবোৰ গল্পত তেওঁ সমাজ সংস্কাৰকৰ ভূমিকা গ্ৰহণ কৰিছিল সেইবোৰত শ্লেষে তেওঁৰ

উদ্দেশ্য পূৰণত সহায় কৰিছে। তুলনাৰ বিসঙ্গতি, অতিৰঞ্জন বৰ্ণনা, ভুল বা বিকৃত উচ্চাৰণ, শব্দ বিশেষৰ দ্ব্যৰ্থাত্মকতা, অশুদ্ধ খিচিৰি মাত-কথাৰে তেওঁ গল্পত হাস্যৰসৰ সৃষ্টি কৰিছে। মাজে মাজে ভুল উচ্চাৰণ, পুৰণি সাহিত্যৰ চৰিত্ৰ বা সংস্কৃত শ্লোকৰ বিকৃত ব্যাখ্যা আৰু ব্যতিক্ৰমী উপমাৰে হাস্যৰসৰ সৃষ্টি কৰিছে। *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ, মলক গুইন গুইন, স্বৰ্গাৰোহণ, ভেমপুৰীয়া মৌজাদাৰ, ভোকেন্দ্ৰ বৰুৱা* আদি গল্পত বেজবৰুৱাৰ অনুকৰণীয় হাস্যৰস সৃষ্টিৰ প্ৰতিভা উজ্বলি উঠিছে।

বেজবৰুৱাৰ দ্বিতীয় ভাগৰ গল্প *ভদৰী, মুক্তি, বাপিৰাম, ধোঁৱাখোৱা, কন্যা* আদিৰ কলা-কৌশল হাস্য-ব্যংগধৰ্মী গল্পসমূহৰ পৰা পৃথক। এই গল্পসমূহত আধুনিক চুটিগল্পৰ কেইবাটাও বিশিষ্ট লক্ষণ ফুটি উঠিছে। এই গল্পসমূহৰ কাহিনী বিন্যাস আটিল। লক্ষ্য আৰু ফলশ্ৰুতিৰ একমুখিতা আৰু ভাষাৰ ব্যঞ্জনা গল্পসমূহত ৰক্ষিত হৈছে।

বেজবৰুৱাৰ *ভদৰী*ত আধুনিক চুটিগল্পৰ কেইবাটাও লক্ষণ ফুটি উঠিছে। *ভদৰী*ৰ পৰিৰেশ আৰু চৰিত্ৰ চিত্ৰণ বাস্তৱধৰ্মী। গল্পটোত ঘটনাৰ পৰিণতিমুখী ঐক্যই বিষয়বস্তুক বিক্ষিপ্ত হ'বলৈ দিয়া নাই। বহু বিস্তৃতিযুক্ত বৈপৰীত্য, কাহিনীৰ বাস্তৱধৰ্মীতা আৰু নাটকীয়তাই গল্পৰ শেষলৈকে উৎকণ্ঠাৰ তীব্ৰতা অব্যাহত ৰাখিছে।

*বেজবৰুৱাৰ পাতমুগী গল্পৰো চৰিত্ৰ আৰু পৰিৰেশ বাস্তৱসন্মত আৰু চিত্ৰধৰ্মী। পাতমুগী চৰিত্ৰত পাশ্চাত্য নাৰী মনস্তত্বৰ বৈশিষ্ট্যৰ সমাহাৰ ঘটিছে। গল্পটোৰ গাথনি শিথিল কিন্তু ভাৱৰ একমুখিতাৰ বাবে এই শিথিলতাই গল্পৰ সৌন্দৰ্য নষ্ট কৰিব পৰা নাই। সাধাৰণ ঘটনা এটাৰ যোগেদি জীৱন ৰহস্যৰ যি ইংগিত গল্পটোত দিবলৈ চেষ্টা কৰা হৈছে সেইটো আধুনিক চুটিগল্পৰ এটা প্ৰধান লক্ষণ।*[৮৪]

বেজবৰুৱাৰ *মুক্তি* গল্পত সুবিন্যস্ত ঘটনা গতিশীল চৰিত্ৰ, বৰ্ণনাৰ মিতব্যয়িতা আৰু বক্তব্যৰ শিল্প সন্মত প্ৰকাশ ঘটিছে। সেইদৰে *ধোঁৱাখোৱা* গল্পতো বেজবৰুৱাই শিল্পসন্মত

কলা-কৌশলৰ প্ৰয়োগ কৰিছে। গল্পটোৰ গাথনি শিথিল যদিও ঘটনাৰ আৰু পৰিণতিৰ ঐক্য ৰক্ষিত হৈছে। বেজবৰুৱাৰ *কন্যা*ও এটা উৎকৃষ্ট চুটিগল্প। বিষয়বস্তুৰ সৌন্দৰ্য, বৰ্ণনাৰ মিতব্যয়িতা, গীতিকাব্যময় ভাৱানুভূতিৰ কোমলতা, চৰিত্ৰ চিত্ৰণৰ ব্যঞ্জনাধৰ্মীতা আৰু বাস্তৱ পৰিস্থিতি চিত্ৰনে *কন্যা*ক এটা সফল চুটিগল্পৰ ৰূপ দিছে।

**২.৮.১ গদ্য শৈলী (ৰীতি) ঃ**

*আধুনিক অসমীয়া গল্প* সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱা *এক অনন্য সাধাৰণ 'ষ্টাইলিষ্ট'* (Stylist)।[৮৫] তেওঁৰ গদ্যৰীতি সুস্থ-সৰল, জতুৱা ঠাঁচযুক্ত আৰু সাৱলীল। কিন্তু সকলো ৰচনাতে তেওঁৰ গদ্যৰীতি একে নহয়। *বেজবৰুৱাই কাহিনী কথনত বৈচিত্ৰ্য আনিবলৈ চেষ্টা কৰিছিল।*[৮৬] সেয়ে বিষয় অনুসৰি তেওঁৰ গদ্যৰ ঠাঁচ বেলেগ বেলেগ। তেওঁৰ এই অসামান্য দক্ষতা চুটিগল্পতো লক্ষ্য কৰিব পাৰ। বিভিন্ন গল্পৰ কথাবস্তু নিৰ্মাণ কৰিবলৈ তেওঁ সাধুকথাধৰ্মী, বৰ্ণনাত্মক, ব্যাখ্যাত্মক, চিন্তাশীল, হাস্যৰসাত্মক, বক্ৰোক্তিমূলক, বিদ্ৰুপাত্মক, শ্লেষাত্মক, সমালোচনামূলক, আবেগিক, কাব্যিক আদি বিভিন্ন বৰ্ণনাৰীতি গ্ৰহণ কৰিছে। কোনো কোনো গল্পত দুই বা ততোধিক বৰ্ণনাৰীতিৰে কথাবস্তু নিৰ্মাণ কৰিছে। তেওঁৰ *বাপিৰাম, জয়ন্তী, ঘণ্টাকৰ্ণ শৰ্মা, কাশীবাসী, কনকলতা, কেহোঁকলি* আদি গল্পৰ আৰম্ভণি আৰু পৰিসমাপ্তি ঘটিছে সাধুকথাৰ দৰে বৰ্ণনাৰীতিৰে। কিন্তু গল্পৰ কাহিনী বৰ্ণনা কৰোতে তেওঁ বৰ্ণনাত্মক ৰীতি আৰু নাটকীয় শৈলীও গ্ৰহণ কৰিছে। সেইদৰে *নকওঁ, কন্যা, এৰাবাৰী, জলকুঁৱৰী* আদি গল্পত বৰ্ণনাত্মক ৰীতিৰ লগতে কাব্যিক আৰু নাটকীয় ৰীতিও গ্ৰহণ কৰিছে। *জাতিৰামৰ জাত, চোৰ লম্বোদৰ ডেকা* আদি গল্পত ব্যাখ্যাত্মক, ব্যাঙ্গাত্মক আৰু সমালোচনামূলক ৰীতি দেখিবলৈ পোৱা যায়।

**বাক্য ৰীতি ঃ**

বেজবৰুৱাই তেওঁৰ গল্পত চুটি আৰু দীঘল দুই ধৰণৰ বাক্য ব্যৱহাৰ কৰিছে।

সাধাৰণতে গল্পৰ বৰ্ণনামূলক অংশতহে দীঘল বাক্য ব্যৱহাৰ দেখা যায়। তেওঁৰ দীঘল বাক্যবোৰ কেইবাটাও খণ্ডবাক্যৰ সমষ্টিৰে সৃষ্টি হয়। অৱশ্যে কমা, কলন, চেমিকলন আদিৰ সঘন ব্যৱহাৰে বাক্যৰ অৰ্থ সহজে বুজি পোৱাত সহায় কৰে। যেনে —

উদাহৰণ-১ ঃ

*ঈশ্বৰৰ কি অভিপ্ৰায় কোনে জানে; এন্ধাৰ শোৱনী ঘৰৰ শোৱাপাটীত পৰি ন-কুঁৱৰীলৈ বাট চাই থাকোঁতেই সৰ্গদেৱৰ মূৰত থকা ফটিকাৰ ৰাগিয়ে হাত মেলি ঠাইতে লাহেকৈ চকুৰ পিৰিকিতি দুটা মুদাই ধৰিলে আৰু আঠুৰাৰ চুকত কলাঘুমটিয়ে লুকাই চেগ চাই আছিল, চল পাই খপকৰে সৰ্গদেৱক হেচা মাৰি ধৰিলে।*

*(মালতী, বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৬৩)*

উদাহৰণ-২ ঃ

*পিছদিনা পুৱা ভোকে-পিয়াহে লাল-কাল লগা সুকুমাৰ মাকৰ ওচৰত উপস্থিত হ'লত, মাকে পুতেকক সাৱট মাৰি ধৰি চকুলো টুকি আদৰেৰে সানমিহলি ভৰ্ৎসনা কৰি, গা-পা ধুৱাই ভালকৈ খাবলৈ দিলে; দেউতাকেও তাক দূৰৈৰ পৰা মিঠা মাতেৰে সম্ভাষণ কৰি বুজনি দি শান্তি লভিলে।*

*(মুক্তি, বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৪১)*

বেজবৰুৱাৰ গল্পৰ চুটি বাক্যবোৰ সাধাৰণতে ব্যঞ্জনা প্ৰকাশক। তেওঁ কেতিয়াবা কেৱল এটা বা দুটা শব্দৰেও বাক্য সৃষ্টি কৰিছে। যেনে —

*ভৰ-দুপৰ। ৰদটো পকি পৰিছে। বেলিয়ে মূৰকে ভৰিকে ছাঁৰে লগলগাই দিছে। চৰাই চিৰিকতি নিমাত। চাৰিওফাল নিজম।*

*(নকওঁ; বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৫৫)*

*আন্ধাৰ ৰাতি। টিপ টিপ বৰষুণ। এনেহে ঘোপ মৰা আন্ধাৰ যে মূৰে হাত নেদেখে, হাতে ভৰিৰ উপান নাপায়, ভৰিয়ে মাটি নমনে।*

*(কনকলতা, বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৯৯)*

বেজবৰুৱাৰ বাক্যৰীতিত ইংৰাজী বাক্যৰীতিৰ প্ৰভাৱ স্পষ্ট। তেওঁ কেতিয়াবা প্ৰত্যক্ষ উক্তি আৰু কেতিয়াবা পৰোক্ষ উক্তিৰে বাক্য গঠন কৰিছিল। বৰ্ণনীয় বিষয় স্পষ্ট কৰিবৰ কাৰণে ঠায়ে ঠায়ে বন্ধনিযুক্ত বাক্যও ব্যৱহাৰ কৰিছে।

**শব্দ বৈচিত্র্য ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পত শব্দ ব্যৱহাৰৰ বৈচিত্র্য লক্ষ্য কৰিবলগীয়। তেওঁৰ বিষয়বস্তু, চৰিত্ৰ আৰু পৰিৱেশ ভেদে উপযুক্ত স্থানত উপযুক্ত শব্দ ব্যৱহাৰ কৰি গল্পৰ গদ্যক শক্তিশালী আৰু সাৱলীল কৰি তুলিছে। বেজবৰুৱাই তৎসম, অৰ্ধতৎসম, তদ্ভৱ, দেশী আৰু বিদেশী সকলো ধৰণৰ শব্দ ব্যৱহাৰ কৰিছে। তেওঁৰ গল্পত যেনেকৈ ভালেমান সংস্কৃত শব্দ ব্যৱহাৰ কৰিছে তেনেকৈ ঘৰুৱা অসমীয়া শব্দও ব্যৱহাৰ কৰিছে। *ভুৰুকী বৌ, শিৱপ্ৰসাদ, কাশীবাসী* আদি গল্পত বঙালী আৰু *দচ্‌মন্তৰ, ৰতনমুণ্ডা, ভৈৰা* আদি গল্পত উৰিয়া শব্দ ব্যৱহাৰ কৰিছে। বেজবৰুৱাই প্ৰয়োজন সাপেক্ষে ইংৰাজী আৰু হিন্দী ভাষাৰ শব্দও ব্যৱহাৰ কৰিছে। কেতিয়াবা কেতিয়াবা ইংৰাজী আৰু হিন্দীশব্দ অসমীয়াৰ লগত সন্ধি কৰি মিশ্ৰিত শব্দৰ সৃষ্টি কৰিছে। তেওঁৰ *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা, ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা, মাউৰা, ঘণ্টাকৰ্ণ শৰ্মা* আদি গল্পত ইংৰাজী, হিন্দী আৰু অসমীয়া মিহলি শব্দ ব্যৱহাৰ কৰিছে।

**বেজবৰুৱাৰ গদ্যৰ লয় ঃ**

*কবিতাৰ দৰে গদ্যত ছন্দৰ প্ৰয়োজন নাই যদিও উৎকৃষ্ট গদ্যত লয় সদায় নিহিত হৈ থাকে।*[৮৭] বেজবৰুৱাৰ গল্পৰ গদ্যৰ মাজতো এই লয় অনুভৱ কৰিব পাৰি। তেওঁৰ *জলকুঁৱৰী, আমাৰ সংসাৰ-১, মুক্তি, সেউতী, কনকলতা* আদি গল্পৰ গদ্য এইক্ষেত্ৰত উল্লেখযোগ্য। যেনে —

উদাহৰণ-১ ঃ

*ৰূপহী সৰুনৈ। দ। খৰালিৰ পানী চিৰ্‌চিৰিয়া। সেই পানীত ক'ৰবাৰ পৰা বৈ অহা ফটিক জোল বুলিলেহে ৰজে। কিন্তু বাৰিষাৰ পানী টৌ লেও দিয়া বোকা। আহিন কাতিৰ ৰূপহী নিমাতী, ক্ষীণ আৰু লাজকুৰীয়া। আহাৰ শাওনৰ ৰূপহী টপ্‌টপী শকত, ডেও-পাৰতী আৰু নাচনী; দেখিলে সেয়েই নে এই ৰূপহী ঠাৰবোৰা টান।*

*(জলকুঁৱৰী, বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৭১)*

**অলংকাৰ ঃ**

বেজবৰুৱাই গল্পৰ গদ্যত অতি সফলভাৱে অলংকাৰ প্ৰয়োগ কৰিছে। উপমা, ৰূপক, শ্লেষ, বক্ৰোক্তি, অতিশয়োক্তি আৰু অনুপ্ৰাস অলংকাৰ ব্যৱহাৰত তেওঁ আছিল অদ্বিতীয়। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল —

**উপমা ঃ**

*মখনা হাতীয়ে উচাল মাৰি ভৰিৰ বান্ধ চিঙাদি চিঙিলে (ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ)*
*গোনামহে চোচা লোৱা দি ল'লে (ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ)*
*জৰাসন্ধৰ নিচিনাকৈ ফালিলে (মিষ্টাৰ ফিপ্সন)*
*গাখীৰৰ ফেনৰ নিচিনা শুকুলা নিৰ্ম্মল শোৱা পাটী (লাওখোলা)*
*সোণৰ সোলেং যেন সাত বছৰীয়া জীয়েক (নিস্তাৰিণী দেৱী বা ফাতেমা বিবি)*
*মুখখন কেহেৰাজ বটা যেন হৈ ক'লা পৰি গ'ল (প্ৰথম দৰ্শনত উপজা প্ৰেম) ইত্যাদি।*
*বেজবৰুৱাৰ ভালেমান বাক্যও উপমাৰে ৰচিত —*

উদাহৰণ-১ ঃ

*যাত্ৰী লৈ যোৱা ৰেলগাড়ীয়ে হুচ্ হুচ্ কৰে গৈ থাকোতে বাটত খন্তেকলৈ গাড়ী ৰখাবলগীয়া কোনো ষ্টেচন পোৱা দি ওপৰত কোৱা শ্লোকটোত উপস্থিত হোৱাহি গ'ল (গীতা)।*

উদাহৰণ-২ ঃ

*বাবাজী ভগৱান দাস, কাকিনী তামোল গছৰ আগৰ পৰা তামোল চোৰে পাৰি তললৈ পেলাই দিয়া পকা তামোলৰ থোকা পৰাদি তললৈ পৰিল। (গীতা)।*

উদাহৰণ-৩ ঃ

*কেৰেলুৱাটো গৈ থাকোঁতে তাক কোনোবাই চুই দিলে যেনেকৈ সি গোট বান্ধি ঘূৰণীয়া হয়, সেইদৰেই আমাৰ মলখু চাহাব পঢ়াশুনাৰ বাটত বুলি থাকোতেই চাহাবী সাজ 'খানা' আৰু নামে তেওঁক চুই দি থমকাই দিলে, আৰু তেওঁ হেট কোট পটলুঙে সৈতে গোট বান্ধি ঘূৰণীয়া হ'ল। (মলক গুইন গুইন)*

উদাহৰণ-৪ ঃ

*শ্ৰীকৃষ্ণৰ চক্ৰই উত্তৰাৰ উদৰত প্ৰৱেশ কৰি অশ্বত্থামাৰ ব্ৰহ্মাস্ত্ৰৰ কনকঠীয়া মাৰি দিয়াৰ দৰে দৰৰ পালিয়ে মোৰ উদৰস্থ মিছা মাছক নিগুটি কৰি মাৰিলে। (চাইমন)*

**ৰূপক ঃ**

বেজবৰুৱাই গল্পত ৰূপক অলংকাৰো ব্যৱহাৰ কৰিছে। যেনে —

*কথাৰ ৰহণ (স্বৰ্গাৰোহণ)*

* * * * *

*খং জুই (ফিৰিঙতি)*

* * * * *

*চিন্তাৰ চকোৰা (লোভ)*

* * * * *

*পাপৰ হুল (লাওখোলা)*

* * * * *

*পাপ অজগৰ (লাওখোলা)*

* * * * *

*প্ৰাণবায়ু (জাতিৰামৰ জাত)*

* * * * *

*প্ৰেমৰ নিজৰা (গীতা)*

* * * * *

*মায়াজৰি (লাওখোলা)*

* * * * *

*পাপ পুখুৰী (লাওখোলা)*

* * * * *

*বিবুধি সাগৰ (লাওখোলা)*

* * * * *

*সময় ৰথ (বাপিৰাম)*

* * * * *

*স্বাধীনতা ৰত্ন (ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা)*

* * * * *

*হৃদয় মণিকূট (বাপিৰাম)*

* * * * *

বেজবৰুৱাৰ গল্পত তেওঁ ভালেমান ৰূপকধৰ্মী বাক্য ব্যৱহাৰ কৰিছে —

উদাহৰণ-১ ঃ

*ঈশ্বৰ-চিন্তা-পুখুৰীৰৰ পানী কলিয়ে লেহেতীৰে সিচি চেনেহীৰ চিন্তা-পখুৰীত ভৰালে। ... সেই পৰমাৰ্থিক পুখুৰী শুকাই সাংসাৰিক পুখুৰী চপ্‌চপীয়া হ'ল (গীতা)*

উদাহৰণ-২ ঃ

*কিন্তু দুৰ্দ্দশা শনিগ্ৰহ নাঙলুৰ পাছে পাছে কলিকতালৈকে আহিছে। ... শনিগ্ৰহৰ কোপ সাপৰ নেগুৰৰ বিষ বাকী থকাৰ দৰে তেতিয়াও তেওঁৰ গাত অৱশিষ্ট আছিল (নাঙলু চন্দ্ৰ)*

**জতুৱা ঠাঁচ ঃ**

বেজবৰুৱাৰ গল্পৰ গদ্য জতুৱা ঠাঁচেৰে সমৃদ্ধ। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল —

*কলৈ যাওঁ গোপাল, ক'লৈ যাওঁ কৃপাল। (মলক গুইন গুইন)*

* * * * *

কাঁড় যোৱা দি যোৱা (আমালৈ নেপাহৰিব)

* * * * *

খঙে মূৰৰ চুলিৰ আগ পোৱা (স্বৰ্গাৰোহণ)

* * * * *

খুন্দ খাই পৰা (ডাক্তৰ বাবুৰ সাধু)

* * * * *

গছত তুলি গুৰি কটা (মোৰে সৈতে মনাই দ্বন্দ্ব)

* * * * *

গা টঙালে (লম্বোদৰ ডেকা)

* * * * *

চুকত থাকি বুকত কামোৰা (ভুৰুকী বৌ, লাওখোলা)

* * * * *

পৰ্বতত কাছৰ কণী বিচৰা (সেউতী)

* * * * *

বলিয়া গছত নালাগে (জগৰা মণ্ডলৰ প্ৰেমাভিনয়)

* * * * *

বাপতি সাহোন (এৰাবাৰী)

* * * * *

বিনা মেঘে বজ্ৰঘাত (প্ৰথম দৰ্শনত ওপজা প্ৰেম)

* * * * *

ভৰিত তেল টেঙা ঘঁহা (মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা)

* * * * *

*মুৰত আকাশী সৰগ ভাগি পৰা (সেউতী)*

* * * * *

*মেকুৰী জোলোঙাৰ পৰা ওলোৱা (আমালৈ নেপাহৰিব)*

* * * * *

*যোৰৰো যোৰ বিপৰীত যোৰ (ভৈৰা)*

* * * * *

*সাত বিহুৰ সৈয়া কণী (ভৈৰা)*

* * * * *

*হাতেৰে সৰগ ঢুকি পোৱা (আমালৈ নেপাহৰিব) ... ইত্যাদি।*

**প্ৰবাদ-প্ৰবচন আৰু ফকৰা-যোজনা ঃ**

বেজবৰুৱাই তেওঁৰ গল্পত অলেখ অসমীয়া প্ৰবাদ-প্ৰবচন আৰু ফকৰা-যোজনা ব্যৱহাৰ কৰিছে। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল —

*আইৰ ঘৰলৈ যাম দুই হাতে খাম, বিধাতাই বোলে মই পাছে পাছে যাম (লাওখোলা)*

* * * * *

*আগৰ মধুপুৰীয়াই খৰি ধুই খাইছিল, এতিয়াৰ মধুপুৰীয়াই ভৰি ধুইও নাখায় (মাধৈমালতী)*

* * * * *

*উদৰ সাতপুৰুষ মৰি গ'ল কেঁচা মাছ খাওতেই এতিয়া তাৰ মাছ পুৰি খাবৰ বতৰ আহিল। (জগৰা মণ্ডলৰ প্ৰেমাভিনয়)*

* * * * *

*এশ গৰু মাৰিলে বাঘৰো মৰণ (লাওখোলা)*

* * * * *

*কাৰ জ্বৰত কোনো পিয়ে পানী, কাৰ ভগিনী মৈলে কাৰ হয় হানি (প্ৰথম দৰ্শনত ওপজা প্ৰেম)*

* * * * *

*কৃষ্ণলৈ ৰুকুণী চোৰলৈ চুৰুণী ইন্দ্ৰলৈ শশী ফেঁচালৈ ফেঁচী (কনকলতা)*

* * * * *

*খঙত পেট কাটি ছমাহ শুকনি-পকনি খোৰা (মালতী)*

* * * * *

*গধূলিৰ অতিথি সাক্ষাৎ দামোদৰ (মৈদাম)*

* * * * *

*টিক বলধা ওলাই মাটি মাক ভালে জীয়েক জাতি (জয়ন্তী)*

* * * * *

*তামোলৰ চিকুণ গুৰা, টোপনিৰ চিকুণ পুৰা (কন্যা)*

* * * * *

*দেৱতাৰ উৎপত্তি ক'লে ৰং, মানুহৰ উৎপত্তি ক'লে খং (মোৰ সৈতে মনাইৰ দ্বন্দ্ব)*

* * * * *

*মানুহে পাতে ঈশ্বৰে ভাঙে (সেউতী)*

* * * * *

*সাত পুৰুষত নহ'ল গাই, কৰীয়া লৈ খীৰাবলৈ যায়। (মলক গুইন গুইন)*

* * * * *

*হাড় নাইকিয়া জিভা মাতে কিবা কিবা (জাতিৰামৰ জাত)*

* * * * *

*ৰজাৰ লেজু মেলিব পাৰি চপাব নোৱাৰি (মালতী) .... ইত্যাদি।*

**বৰ্ণনাৰ সূক্ষ্মতা ঃ**

বেজবৰুৱাৰ গল্পত পৰিৱেশৰ সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনা পোৱা যায়। যেনে —

*ভৰ দুপৰ। ৰদটো পকি পৰিছে... চাৰিওফাল নিজম... ইমান নিজম যে শুকান পাতৰ শঙ্কা হৈছে, পাছে সেই খৰ্খৰণি শুনি চাৰিওফালৰ গছ-গছনিবোৰে উচপ খাই*

*উঠে। গছ-গছনিৰ কথাকে নেলাগে, প্ৰথম খোজ উঠা খৰ্‌খৰণিটোৰেই দ্বিতীয় খোজৰ খৰ্‌খৰণি শুনি উচপ খাই উঠা যেন লাগিবলৈ ধৰিলে। মোৰ বুকুৰ ভিতৰত ঢপ্‌ঢপনি স্পষ্টকৈ মোৰ কাণত পৰিল।*

*(নকওঁ)*

**২.৯. বেজবৰুৱাৰ চুটিগল্পত সামাজিক চিত্ৰ ঃ**

লক্ষ্মীনাথ বেজবৰুৱা আছিল এগৰাকী সমাজ সচেতন লেখক। সেয়ে বেজবৰুৱাৰ গল্পত সেই সময়ৰ সমাজ জীৱনৰ প্ৰতিফলন ঘটিছে। *বেজবৰুৱাৰ গল্পত স্থান পোৱা সমাজখনৰ পৰিধি বিশাল। সেয়া সুদূৰ উৰিষ্যা আৰু বংগৰ পৰা অসমলৈকে বিস্তৃত এক বৃহৎ সমাজ। ... তেতিয়াৰ মানুহৰ জীৱন ধাৰণ পদ্ধতি, আচাৰ-ব্যৱহাৰ, আদব-কায়দা বেলেগ আছিল। বিজ্ঞান প্ৰযুক্তি, চিন্তা-ভাৱনা আদি অনেক দিশতে আজিৰ তুলনাত তেতিয়াৰ মানুহ আৰু তেওঁলোকে বাস কৰা সমাজখন বহুত পিছপৰা আছিল। ...গতিকে সমাজখন নানান সমস্যাৰে জৰ্জৰিত আছিল।* [৮৮]

সমাজৰ এই পয়ালগা অৱস্থা আঁতৰাবলৈ বেজবৰুৱাই মাধ্যম হিচাপে বাচি লৈছিল সাহিত্যক। সেয়েহে সাহিত্যিক বেজবৰুৱাৰ জীৱনৰ কোঁহে কোঁহে সোমাই আছে এজন সমাজ সংস্কাৰক, সমালোচক বেজবৰুৱা। অসমীয়া সমাজ ব্যৱস্থাত সেই সময়ৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু ধৰ্মীয় ব্যৱস্থাই কেনে প্ৰভাৱ পেলাইছিল সেইবোৰ তেওঁ সূক্ষ্মভাৱে লক্ষ্য কৰিছিল। সেয়ে অসমীয়া তথা ভাৰতীয় সমাজৰ ধৰ্মীয় গোড়ামী, অস্পৃশ্যতা, জাত-পাতৰ অলংঘনীয় প্ৰাচীৰ, অন্ধবিশ্বাস, কু-সংস্কাৰ, নাৰী নিৰ্যাতন আৰু ইংৰাজ শাসনত পৰাধীন সমাজৰ বিভিন্ন সমস্যা তেওঁৰ সাহিত্যৰাজিৰ মাজেৰে প্ৰতিফলিত হৈছে। তেওঁৰ গল্পবোৰো ইয়াৰ ব্যতিক্ৰম নহয়। সেয়ে গল্পসমূহৰ মাজেৰে সেই সময়ৰ অসমীয়া তথা ভাৰতীয় সমাজৰ বাস্তৱ প্ৰতিফলন দেখিবলৈ পোৱা যায়।

### ২.৯.১ ঔপনিৱেশিক শাসন ব্যৱস্থাৰ পৰিণতি ঃ

লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হৈছিল পৰাধীন ভাৰতত। ইংৰাজৰ ঔপনিৱেশিক শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত সেই সময়ত ভাৰতীয় সমাজ জীৱনত নানান সমস্যাৰ সৃষ্টি হৈছিল। বেজবৰুৱাৰ গল্পত এই ব্যৱস্থাৰ বাবে সৃষ্টি হোৱা সমস্যাৱলীৰ প্ৰতিফলন ঘটিছে।

#### ২.৯.১.১ নতুন আঢ্যৱন্ত ডাঙৰীয়া শ্ৰেণীৰ আৱিৰ্ভাৱ ঃ

ইংৰাজ শাসন ব্যৱস্থাৰ সুযোগ গ্ৰহণ কৰি সমাজত একশ্ৰেণী নতুন প্ৰভাৱশালী আঢ্যৱন্ত লোকৰ উত্থান হৈছিল। মৌজাদাৰ, জমিদাৰ, আমোলা পদবীধাৰী এইসকল লোকে শাসকবৰ্গক সন্তুষ্ট কৰি ৰাখিবলৈ সততে তোষামোদ কৰি চলিছিল। অলপ অনুগ্ৰহ লাভৰ বাবে শাসক বৰ্গৰ ভৰিৰ তলুৱা চেলেকিবলৈয়ো তেওঁলোক সাজু আছিল। সাধাৰণ শ্ৰেণীৰ লোকৰ ওপৰত তেওঁলোক আছিল সৰ্বেসৰ্বা। তেওঁলোকে সুবিধা পালেই সাধাৰণ লোকক শোষণ কৰিছিল। তেওঁলোকৰ বাবে সাধাৰণ প্ৰজাৰ অৱস্থা শোচনীয় হৈ পৰিছিল। বেজবৰুৱাৰ কেইবাটাও গল্পত এই শোষণৰ চিত্ৰ অংকন কৰিছে। *ভেমপুৰীয়া মৌজাদাৰ* গল্পত নতুন ধনী শ্ৰেণীৰ অত্যাচাৰ, উৎপীড়ণৰ চিত্ৰ বেজবৰুৱাই সুন্দৰভাৱে ফুটাই তুলিছে। তোষামোদকাৰী ভেমপুৰীয়া মৌজাদাৰৰ বদগুণ গল্পটোত সদৰী কৰিছে প্ৰশংসাৰ চলেৰে —

> *ৰাজভক্তি ডাঙৰীয়াৰ গাত সোতৰ অনা বিদ্যমান। মন গলে চাহাবৰ চাপৰাচীটোৰেও ডাঙৰীয়াৰ হতুৱাই তাৰ ভৰিৰ ফটুৱাইবিলাকত তপত তেল দিয়াই লব পাৰে। চাহাবৰ চাপৰাচীৰ আগত পানীত তিতা মেকুৰীটো যেন হৈ থকা ডাঙৰীয়াৰ শুভদৰ্শন আমাৰ অদৃষ্টত কেইবা দিনো ঘটিছে; কিন্তু নিন্দুকবিলাকে যে কয়, "ভেমপুৰীয়া মৌজাদাৰে বৰচাহাবৰ চাপৰাচীৰ আগত হাত যোৰকৈ কথা কয়", এই কাম আমি হলে আপোন চকুৰে দেখা নাই। মিছাকৈ পৰৰ বেয়াটো আমি কেতিয়াও নকওঁ।*
>
> *(ভেমপুৰীয়া মৌজাদাৰ ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৫৪)*

এই ডাঙৰীয়া সকলৰ যোগেদি বৃটিছে সাধাৰণ লোকক শোষণ কৰিবলৈ সুবিধা লৈছিল। ৰাজ অনুগ্ৰহ লাভ কৰি তেওঁলোকে সৰ্বসাধাৰণৰ পৰা ৰাজহৰ লগতে বিনামূলীয়া ৰচদ আদায় কৰিছিল, কুলি ধৰি ডিপোত দিছিল, বান্দী-বেটীবোৰক টকা-পইচা নিদিয়াকৈ খটুৱাইছিল। সাধাৰণ লোকৰ পৰা তুলি অনা বস্তুৰ ভাগ চাহাবলৈ পঠিয়াই তেওঁলোকে নিচিন্তমনে শোষণ চলাই গৈছিল। *মাউৰা* গল্পত কৰ্মেশ্বৰে ইংৰাজ শাসকবৰ্গক কৰা তোষামোদৰ বৰ্ণনা পোৱা যায়। মিউনিচিপেলিটিৰ গৱৰ্ণমেণ্টৰ মনোনীত মেম্বৰ পদবী লাভৰ বাবে জিলাৰ বৰ চাহাবক তেওঁ কৈছে —

> *হজুৰ খোদাবান্দা গৰীপপৰৱৰ। আমি মাউৰা; আমি নিজৰ আই বোপাইক হেৰুৱাই হজুৰকে মা-বাপ বুলি ধৰিছোঁ। আমাক সামৰি লওক হজুৰ, নেৰিব। আমিও হজুৰক নেৰো।*
>
> *(মাউৰা ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৪৯)*

*মলক গুইন গুইন*ত মলখু গগৈৰ চাকৰি আৰু পদোন্নতি যে চাহাবৰ দয়াতহে হৈছিল সেই কথা কথকে কৈছে —

> *শেহত দয়াময় হাকিম পৰ্টিয়িচ চাহাবৰ দয়াত তেওঁ স্কুলৰ চব ইন্সপেক্টৰৰ বিষয়খন পালে। টেঙৰ ক'লা মলক চাহাবৰ এটা গুণ আছিল; তেওঁ বগা চাহাবসকলৰ ভৰিত ভালকৈ তেল টেঙা ঘঁহিব জানিছিল; গতিকে তেওঁ অলপ দিনৰ ভিতৰতে চব-ইন্সপেক্টৰৰ মোটটো সলাই তচিলদাৰৰ মোটটোত সোমাবলৈ পালে।*
>
> *(মলক গুইন গুইন ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬০১)*

**২.৯.১.২ প্ৰাচীন মূল্যবোধৰ অবক্ষয় ঃ**

ঔপনিৱেশিক শাসনে সেই সময়ৰ অসমীয়া সমাজৰ সাংস্কৃতিক দিশত আৰু মতাদৰ্শৰ ক্ষেত্ৰতো যে নেতিবাচক প্ৰভাৱ পেলাইছিল, সেই বিষয়েও বেজবৰুৱাই তেওঁৰ গল্পৰ মাজেৰে দেখুৱাইছে। বিশেষকৈ নতুন মধ্যবিত্ত, নিম্ন মধ্যবিত্ত আৰু অৰ্দ্ধশিক্ষিত

লোকসকলৰ গোলামীৰ মানসিকতাই তেওঁলোকক পৰম্পৰাগত মূল্যবোধ বিসৰ্জন দিবলৈকো বাধ্য কৰায়। *বাপিৰাম* গল্পৰ ভূধৰ খাটনিয়াৰ কথকৰ ভাষাত '*এধাপোৰা এধাডেৰা ইংৰাজীৰ এধাডুখৰীয়া সোৱাদ পোৱা ডেকা।*'[৮৯] বাগানৰ বৰমহৰী হৈ বগা চাহাবৰ তলত কাম কৰিবলৈ পোৱাটো তেওঁ পৰম ভাগ্যৰ কথা বুলি ভাবে। অকালতে বিধৱা হোৱা তেওঁৰ সুন্দৰী ভতিজা জীয়েক তিলকাক বাগানৰ ইংৰাজ বৰচাহাবে মেম কৰি নিব খোজাত পোনতে আপত্তি কৰিলেও শেষত ভূধৰ মান্তি হয়। '*ভূধৰৰ কাপুৰুষালিৰ বিপৰীতে সাধাৰণ পৰিয়ালৰ বিস্বস্ত লগুৱা বাপিৰামে সাহস আৰু নৈতিক বলত বলী হৈ চাহাবক মৰিয়াই তিলকাক বচাবলৈ সক্ষম হয়।*'[৯০]

বেজবৰুৱাৰ সমসাময়িক অসমীয়া সমাজত ইংৰাজী শিক্ষাৰে শিক্ষিত, অৰ্দ্ধশিক্ষিত কিছুমান লোকে নিজকে চাহাব বুলি ভাবিবলৈ লৈছিল। এই নকল চাহাবসকলে নিজৰ গাঁৱলীয়া মাক-পিতাক, ভাই-ভনী আৰু গাঁৱলীয়া সমাজখনৰ লগত সম্পৰ্ক ৰখাটো লাজৰ কথা বুলি ভাবিছিল। পিতৃ প্ৰদত্ত নাম, উপাধি আদি লিখিবলৈয়ো তেওঁলোকে লাজ পাইছিল আৰু নিজেই নিজৰ নাম আৰু উপাধি সৃষ্টি কৰি চাহাবৰ ভাও দিছিল। এই নকল চাহাবসকলৰ কৰ্ম-কাণ্ডই পিতৃ-মাতৃ আৰু ঘৰখনত নানান আহুকালৰ সৃষ্টি কৰিছিল। পিতৃ-মাতৃ, গুৰুজনাৰ প্ৰতি অশ্ৰদ্ধাৰ মনোভাৱ পোষণ কৰা, মাতৃভাষা, মাতৃভূমিৰ প্ৰতি অৱহেলা, পৰম্পৰাগত পৈতৃক জীৱিকা, ৰীতি-নীতি, খাদ্যাভাসক শ্ৰদ্ধা নকৰা এই নতুন শ্ৰেণীটোৰ কাৰ্যকলাপৰ চিত্ৰ বেজবৰুৱাই *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা* আদি গল্পৰ মাজেৰে প্ৰতিফলিত কৰিছে। *মলক গুইন গুইন*ত মলখু গগৈয়ে কলিকতাৰ পৰা আহি চাহাবৰ ভাও দিবলৈ লয়। তেওঁ নিজকে মলখু গগৈ বুলি নকৈ মলক গুইন গুইন হিচাপেহে চিনাকি দি ভাল পায়। নিজৰ ঘৰখনলৈ আহিবলৈ তেওঁ আগ্ৰহ আৰু সময় দুয়োটাৰে অত্যন্ত অভাৱ। কিয়নো—

*"... পুখুৰীৰ গেলা পানী হলে মই খাব নাই পাৰিম; খালে মোক একদম মেলেৰিয়া আৰু কলেৰা দোনো পাকুৰিব।" ... তাত মই ভাত খাবলৈ দুবেলা গা ধুব নোৱাৰোঁ। তোমালোক ভেকুলী বেঙৰ নিচিনাকৈ পানীত পৰিয়েই থাকা। তেনে কৰিলে মোৰ পানী লাগিব, চৰ্বি হব, জ্বৰ আহিব, বহুত 'তকলিপ' হব। আৰু জ্বৰ হলে, বাইজোভঙ্গ হু উইল্ চেভ মি? ন ব্লাডি ডক্তৰ, ন ব্লুমিং মেডিচিন দেয়াৰ।"*

*(মলক গুইন গুইন ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬০১)*

গাঁৱলীয়া বাবে মলখুৱে নিজৰ পিতৃ তোলন সাজতোলাক চিনি নোপোৱাৰ ভাওঁ ধৰিছে, নিজৰ ভায়েক পুণাৰামক ছাপ্ৰাচীৰ হতুৱাই ধৰাই আনি মাৰ-ধৰ কৰিছে। *ভোকেন্দ্ৰ বৰুৱা* গল্পটোত বেজবৰুৱাই ভোকোন্দিৰ কলিকতালৈ গৈ ঘটা পৰিৱৰ্তনৰ খবৰ দিছে। মলখুৰ নিচিনাকৈ ভোকোন্দিয়েও নিজৰ নাম সলাই ভোকেন্দ্ৰ বৰুৱা কৰি লয়। মাক-পিতাক আৰু ভনীয়েককো নিজৰ নিজৰ নাম সলনি কৰি পিছত উপাধি লিখিবলৈ উপদেশ দিয়ে—

*তুমিও আজিৰপৰা তোমাৰ নামটোৰ উন্নতিবিধান কৰি তাক গোষ্কেশ্বৰ কৰিবা আৰু তাত বৰুৱা কথাষাৰ লগাই দিবা; আৰু লোককো সেইদৰে তোমাক address কৰিবলৈ অৰ্থাৎ মাতিবলৈ কৈ দিবা। ... মোৰ সৰু ভনীজনীৰ ভুভুৰী নামটো সলাই ভ্ৰমৰিণী কৰিবা। ... আৰু এটা কথা—মই দ কৈ ভাবি দেখিছো যে আইৰ নামটোও নসলালে নচলিব। তোমাৰ জীৱনচৰিতত আইৰ জেতুকী নামটো নিশ্চয় হাস্যাস্পদ হব; সেইদেখি আইৰ জেতুকী নামটো গুচাই যতিকেশ্বৰী দিলো। আমাৰ গাঁৱৰ নামটোও বদলাব পাৰিলে ভাল।*

*(ভোকেন্দ্ৰ বৰুৱা ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭১৯-৭২০)*

ভোকোন্দিয়ে যে কেৱল নামেই সলনি কৰিছে তেনে নহয়, পৈতৃক জীৱিকা গুৱালৰ ব্যৱসায়টোও পিতাকক এৰি দিবলৈ উপদেশ দিছে। কাৰণ ভোকোন্দিৰ মতে সেইটো ব্যৱসায় সন্মানজনক নহয়। *ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলাত* ভোকোন্দিয়ে কলিকতাত জীৱিকাৰ পথ মোকোলাব নোৱাৰি অসমলৈ ঘূৰি আহে। উভতি আহি নোমল মৌজাদাৰৰ জীয়েক চম্পেশ্বৰীক বিয়া কৰাই যৌতুকত পোৱা ধনেৰে কিছুদিন চলে। যৌতুকৰ ধন শেষ হোৱাত চোৰাংচোৰা বৃত্তিকে জীৱিকা হিচাপে গ্ৰহণ কৰিছে। কিন্তু সোৱোপা,

কৰ্মস্পৃহাহীন স্বভাৱৰ বাবে এই বৃত্তিও এৰি ভুৱা দেশপ্ৰেমীকৰ ভাও দিছে। *ৰচিত* গল্পত বৃন্দাৰ স্বামী জিনাৰামে নিজৰ নাম জে. আৰ. কৰি লৈছিল। তেওঁ বিলাত ফেৰৎ নহ'লেও বিয়াৰ দিনাখন ৰভাৰ তলত শাহু-শহুৰক সেৱা কৰাৰ সলনি হেণ্ডচেকহে কৰিব খুজিছিল। এই গল্পসমূহৰ মাজেৰে বেজবৰুৱাই অসমীয়া সমাজৰ সেই সময়ৰ কিছুমান ডেকাৰ বহুৱালী আৰু নৈতিক অধঃপতনৰ চিত্ৰ অংকন কৰিছে।

**২.৯.১.৩ ৰাগিয়াল দ্ৰব্যৰ ব্যাপক প্ৰচলন ঃ**

বেজবৰুৱাৰ সমকালীন ভাৰতীয় সমাজত ইংৰাজ সকলৰ দ্বাৰা আমদানিকৃত কানি, মদ, ভাং আৰু ফটিকাই গ্ৰাস কৰি পেলাইছিল। কানিৰ ব্যাপক প্ৰচলনে বহুলোকক সোৰোপা আৰু এলেহুৱা কৰিছিল। কানিয়ে বহু ডেকাৰ চৰিত্ৰৰ অধঃপতন ঘটাইছিল। সেই সময়ৰ এই ৰাগিয়াল দ্ৰব্যসমূহে মানুহৰ কিমান ক্ষতি কৰিছিল তাৰ চিত্ৰ বেজবৰুৱাৰ *ধোঁৱাখোৱা, ভুৰুকী বৌ, চেনিচম্পা, আমাৰ কানীয়া সভাৰ এক অধিৱেশন, মিলাৰামৰ আত্মজীৱনী, কেকো ককা, দদায়েক পদো ভতিজাক ভদো, আৰ্জি* আদি গল্পৰ মাজেৰে প্ৰতিফলিত হৈছে। সেই সময়ত কানিৰ প্ৰচলন অসমতে নহয় বঙ্গদেশতো আছিল। কানিয়ে এজন মানুহৰ ইচ্ছাশক্তিক কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰে সেইকথা *ভুৰুকী বৌ*ৰ এটা চৰিত্ৰ *বৰুৱা*ৰ মুখেৰে কথকে কৈছে—

> *"অসমীয়া মানুহ কানীয়া, এই বদনামটো অসমীয়াৰ গাত যাৰে মন যায় সিয়ে দিয়ে। ... বঙ্গদেশত বহুকাল বাস কৰি আদখিনি বঙালীৰ পৰ্কিতি পোৱা ময়ো চল্লিশ বছৰৰ মহলাত সম্ভ্ৰমৰ সৈতে উঠি এজন বঙালী শকুনি মোমাইৰ বুধি শুনি কানিৰ পশতি হাতত ললোঁ। ... আগেয়ে মই বেছি বাচাল আছিলোঁ, এতিয়া মই নিমাতী হলোঁ। আগেয়ে মোৰ দৃষ্টি বৰ্হিমুখ আছিল, এতিয়া সি অৰ্ন্তমুখ হল। আগেয়ে মই চেলচেলীয়া পাতল আছিলোঁ, এতিয়া মই গধুৰ গহীন আৰু ধীৰ হলোঁ। ... ইয়াৰ ওপৰত আৰু এটা স্বভাৱে মোৰ গাত বাহ ললে। লোকে যিহকে কওক, তেওঁৰ*

*কথাত মই প্ৰতিবাদ কৰিবলৈ এৰিলোঁ। ... এই মত অনুসৰি চলি শেহত মই এনেকুৱা হলো যে লোকে কোনো কথা কলে তাক নহয় বুলিবকে নোৱাৰা হলোঁ।*

*(ভুৰুকী বৌ ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬০৭)*

**২.৯.১.৪ প্ৰাচীন আঢ্যৱন্ত শ্ৰেণীৰ অৱক্ষয় ঃ**

ঔপনিৱেশিক শাসন ব্যৱস্থাত অসমীয়া সমাজত সৃষ্টি হোৱা এটা প্ৰধান সমস্যা আছিল প্ৰতিপত্তিশীল প্ৰাচীন আঢ্যৱন্ত শ্ৰেণীৰ বিপৰ্যয়। সেই সময়ত পূৰ্বৰ বহু পৰিয়াল সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত অৱক্ষয়ৰ গৰাহত পৰে। প্ৰাচীন আভিজাত্য তথা বংশ মৰ্যদা আৰু পৰম্পৰাৰ প্ৰতি থকা দুৰ্বলতা, ধঁপাত আৰু কানি সেৱনৰ বদ অভ্যাস আৰু অৰ্কমণ্যতাৰ বাবে এনে বহু পৰিয়ালৰ পতন ঘটিছিল। বেজবৰুৱাই *ধোঁৱাখোৱা, চোৰ, মাউৰা* আদি গল্পত এনে পৰিয়ালৰ কৰুণ চিত্ৰ অংকন কৰিছে।

**২.৯.১.৫ ইংৰাজ শোষণ-শাসনৰ চিত্ৰ ঃ**

বেজবৰুৱাৰ সমসাময়িক সমাজত ইংৰাজ সকলৰ শাসন আৰু শোষণৰ এটা দিশ তেওঁ *মিষ্টাৰ ফিপ্সন* নামৰ গল্পৰ মাজেৰে দাঙি ধৰিছে। চাহ বাগানত চাকৰি কৰিবলৈ অহা ইংৰাজ চাহাব সকলৰ কিছুমানে বাগিছাৰ কাষৰীয়া গাঁৰৰ ছোৱালীক উপ-পত্নী হিচাবে ৰাখে। পিছত ছোৱালীজনী আৰু তাইৰ সন্তানক দলনিত পোনা মেলাদি মেলি দি নিজ দেশলৈ ঘূৰি যায়। *মিষ্টাৰ ফিপ্সন* এনে এগৰাকী অসমীয়া মাতৃৰ সন্তান। তেওঁৰ ইংৰাজ দেউতাকে এজনী অসমীয়া পোহাৰীক উপ-পত্নী কৰি ৰাখিছিল। সেই পোহাৰীগৰাকীৰ সন্তান কেইটাক চাহাবে মাকৰ পৰা আঁতৰাই ৰাখি কলিকতাৰ স্কুলত পঢ়ুৱাইছিল। পিছত সিহঁতক কোনো কথা নোকোৱাকৈ ইংৰাজ পিতৃ দেশলৈ ঘূৰি যায়। পিতৃ-মাতৃৰ পৰা বিচ্ছিন্ন হোৱা সেই সন্তান কেইটাৰ মাজৰে এজন মিষ্টাৰ ফিপ্সন। তেওঁ নিজৰ মাকক বিচাৰি ফুৰোতে ৰেলত কথকক লগ পাই এই কাহিনী বৰ্ণনা কৰি কয়—

*"... আজি দুই-তিনি বছৰ ধৰি মই আমাৰ আঁতিগুৰি, আইৰ নাম আৰু থকা ঠাই, বোপাইৰ বিলাতৰ ঠিকনা ইত্যাদি উলিয়াবলৈ চেষ্টা কৰি ফুৰিছোঁ, কিন্তু তাক উলিয়াব পৰা নাই আৰু পাৰিম যে তাৰো আশা নাই। বোপাইৰ নাম যে ফিপ্সন আছিল, সেইটোতে এতিয়া মোৰ সন্দেহ হৈছেগৈ। এতিয়া বুজিছোঁ তেওঁ ফাকি দি নাম সলাই আমাক কলিকতাত থৈছিল। পাপিষ্ঠই নিজৰ সন্তান সন্ততিক যে এইদৰে পৰিত্যাগ কৰিলেই, আমাক আমাৰ আইৰ পৰাও বঞ্চিত কৰিলে। আই পোহাৰীয়েই হওক বা দন্দুৰীয়েই হওক, দেশীয়েই হওক বা বিলতীয়েই হওক, দুখীয়া হোজা তেওঁক ঠগ কৰি, জনমলৈ ধ্বংস কৰি, পাষণ্ডই বাটৰ মগনিয়াৰ কৰিবৰ তাৰ কোনো অধিকাৰ নাছিল। মই কত ঠাইত কত বিচাৰিছোঁ, কত ফুৰিছোঁ, তথাপি মোৰ দুৰ্ভগীয়া আইৰ কোনো ভু-ভা উলিয়াব পৰা নাই।*

*(মিষ্টাৰ ফিপ্সন ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬০৬)*

কথকৰ আগত ফিপ্সনে ইংৰাজ পিতাকক লগ পালে নিজ হাতেৰে হত্যা কৰি প্ৰতিশোধ ল'ব বুলিও কয়।

বেজবৰুৱাৰ আন এটা গল্প *বাপিৰামত* ভুধৰ খাটনিয়াৰৰ বিধবা সুন্দৰী ভতিজাক তিলকাক দীঘলিটিং বাগিচাৰ বৰচাহাব মিষ্টাৰ স্কটে বিয়া কৰাব খোজে। *জাত-কুল যাব* বুলি ভুধৰে আপত্তি কৰোতে স্কটে ক'লে "*তোমাৰ কি জাত যাবে, জাতি না যাবে, মই দস্তুৰমত চাদি কৰিবে; তোমাক ৰুপীয়া পইচা দিবে, বহুত দিবে; ডাঙৰ মানুহ কৰি দিবে, কোনো ভয় নাই আছে।*"[৯১] এনেদৰে টোপ দি, ভয় খুৱাই ভুধৰক মান্তি কৰে। কথকৰ ভাষাৰে—

*ব্ৰিটন 'বাচ্ছা' স্কট চাহাব সহজ পাত্ৰ নহয়। হাৰ কাক কয় তেওঁ নেজানে। পোনতে ভয়, শেহত লোভ, খোচামোদ ধমক আদি চোকা চোকা অব্যৰ্থ অস্ত্ৰৰ আগত অলপধতুৰা বামুণৰ ল'ৰা ভুধৰ টিকিব নোৱাৰি, পুণ্যতনু সিধাই খাটনিয়াৰৰ জীয়েক তিলকাক আনি স্কট চাহাবক দিবলৈ মান্তি হল।*

*(বাপিৰাম ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৫৮৮)*

**২.৯.১.৬ কৰ্ট-কাছাৰীত ব্যৱহাৰ ঃ**

ইংৰাজৰ শাসন আৰু শোষণে জনসাধাৰণক জুৰুলা কৰিলেও তেওঁলোকে ইংৰাজ শাসন ব্যৱস্থাই পৰিচালনা কৰা কৰ্ট-কাছাৰীৰ ওচৰ চাপিছিল। *সেউতী, পাতমুগী, ৰচিত,*

*ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ, লম্বোদৰ ডেকা, ভদৰী* আৰু *বাপিৰাম* গল্পত এই ছবি প্ৰতিফলিত হৈছে। *বাপিৰাম* গল্পত বাপিৰামে কৈছে —

> *পৃথিৱীত ধৰম একেবাৰেই লোপ পোৱা নাই। মান মৰাণৰ মলুক গৈ কুম্পানীৰ মলুক হৈছে। কুম্পনীৰ মলুকত ধৰম এতিয়াও আছে।*
>
> *(বাপিৰাম, বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৫৮৯)*

**২.৯.১.৭ পুঁজিবাদী অৰ্থনীতিৰ আক্ৰমণৰ স্বাক্ষৰ ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত পুঁজিবাদী অৰ্থনীতিৰ আক্ৰমণৰ স্বাক্ষৰ দেখিবলৈ পোৱা যায়। *পাতমুগী* গল্পৰ মাজেৰে ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰা অসমীয়াৰ ঐতিহ্যময় পৰম্পৰা সম্বলিত কুটীৰ শিল্পৰ বৰ্তমানৰ পুতৌজনক অৱস্থাৰ ছবিখন প্ৰকাশ পাইছে। বিদেশী বস্তুৰ আমদানি, মেচিনৰ ব্যৱহাৰ আৰু প্ৰসাৰে কুটীৰ শিল্পৰ লগত জড়িত লোকসকলৰ জীৱনলৈ বিপৰ্যয় নমাই আনিছিল। *পাতমুগী*ৰ আৰম্ভণিতে দদায়ে কৈছে —

> *জাতত আমি কুমাৰ। ডাঙৰলৈ টেকেলি, কলহ, চৰু আৰু সৰুলৈ জুনুকা বানমলা সাজি সেইবোৰকে বেচি কৌটিকালৰ পৰা আমি খাই বৈ আছিলোঁ। কিন্তু এতিয়া আৰু আমাৰ ব্যৱসায় নচলা হল। নানা তৰহৰ বিদেশী বস্তুৱে আমাৰ দেশ ওপচাই দিয়াৰ লগে লগে, বিলাতী ‘খেলনা’ই আমাৰ জুনুকা, বানমলা আৰু ভুৰুকাক ভুৱা দি খেদিলে। বিদেশী এলুমনিয়ামৰ লোৰ আৰু চীনামাটিৰ বাচন-বৰ্ত্তনে আমাৰ সাতামপুৰুষীয়া চৰু-কলহক বনবাস দিলে। আজি আমি নিৰুপায় হৈ বোপা-ককাৰ ব্যৱসায় এৰি এডৰা-আদ্‌ডৰা মাটিৰ খেতিকে হাতত লৈ কোনোমতে পেট প্ৰৱৰ্ত্তাই আছোঁ। তাতো বিদেশীয়ে হেতাওপৰা লগাই আমাক চুকলৈ ঠেলিব লাগিছে। আমাৰ গাত বল নাই, গাঁথিত পইচা নাই, যে সেই ঠেলাক ওলোটা ঠেলাৰে সুতাব পাৰোঁ। তাৰ উপৰি, তেলেৰে জেকি থকা মূৰতহে তেল পৰে বুলি কয়। মাটি বন্দবস্ত কৰি দিয়া ৰজাঘৰীয়া বিষয়াক আমি সন্তোষ লগাব নোৱাৰোঁ। এইবোৰ কাৰণত এতিয়া আমাৰ নাজল-নাথল অৱস্থা।*
>
> *(পাতমুগী ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৫৭)*

**২.৯.১.৮ অসমীয়া সমাজলৈ অপসংস্কৃতিৰ আগমন ঃ**

বেজবৰুৱাৰ সমকালীন সমাজত কিছুমান লোকে নিজৰ সংস্কৃতিক বিসৰ্জন দি অপসংস্কৃতিকহে আদৰিবলৈ সাজু হৈছিল। সেই সময়ৰ কিছুমান শিক্ষিত অৰ্দ্ধশিক্ষিত ব্যক্তিয়ে নিজৰ উৎসৱ-অনুষ্ঠান, সাজ-পাৰ, খাদ্য সম্ভাৰক অনাদৰ কৰি বিদেশী বস্তুকহে আপোন বুলি সাৱটি লৈছিল। অসমীয়াৰ জাতীয় উৎসৱ বিহুত এফাঁকি গীত গাবলৈ, এপাক নাচিবলৈ তেওঁলোকে লাজ পাইছিল। বেজবৰুৱাই *বিহু* গল্পটোৰ মাজেৰে সেইসকল লোকক ব্যঙ্গ কৰিছে। গল্পটোত কথকে লগ পোৱা এগৰাকী ৰঙীয়াল বুঢ়ীৰ মুখেৰে সেইসকল লোকক তেওঁ এজাউৰী দিছে—

> *আজি আপোনাক সেই গছৰ তলত নাচিবলৈ লগ ধৰোঁতে আপুনি মোক যে কেনেবা যেন পাইছিল সেইটো মই বুজিছিলো। আপোনালোকে ইংৰাজী পঢ়ি, ইংৰাজী সভ্যতা শিকি তাকে ভাল বুলি সৰোগত কৰি লৈছে, সেইদেখি চাহাব-চাহাবনীয়ে নাচিলে আপোনালোকে বেয়া নেদেখে, বৰং সেই নাচত আপোনালোকে সুবিধা পালে যোগ দিবলৈকো ৰাজী। বিলাতৰ ফালৰ কত ৰকমৰ নিলাজ নাচক আপোনালোকে শিক্ষাৰ গুণত নিলাজ বুলি ভাবিবকেই নোৱাৰে; কিন্তু আমাৰ সাতামপুৰুষীয়া বিহুৰ নাচ ফেৰা আপোনাসকলৰ চকুৰ কুঁটা, দাতৰ শাল।*
>
> *(বিহু ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৪৫)*

*মলক গুইন গুইন* গল্পতো বেজবৰুৱাই মলখুৰ মুখেৰে নিজৰ সাজ-পাৰ, ৰীতি-নীতি আৰু খাদ্যাভ্যাসক নিন্দা কৰিছে। পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰা মাক আৰু ভনীয়েককো মলক চাহাবে নিন্দা কৰিছে আৰু পিতাক সাজতোলাক চুৰীয়া, কামিজ আদি পিন্ধি নাহি '*কোট-পেণ্টলুন*'[৯২] পিন্ধি আহিবলৈ কৈছে। আৰু কৈছে—

> *... ৰাতিপুৱাই গা নোধোৱাকৈ মোক 'ছোট হাজিৰি' দিব লাগিব; নতুবা মোৰ 'হেল্‌ঠ' মানে স্বাস্থ্য নষ্ট হ'ব। "... হু দি ডেভিল উইল টেক ইয়ৰ ব্লুমিং চিৰা-পিঠা, এণ্ড পাৰ্টিকিউলাৰ্লি দেট্‌ ডেলিকেচি ইয়ৰ পিঠা-গুৰি? বোলো সেইবোৰ 'ডেঠ' মানে মৃত্যুঙ্গ মোক ৰাতিপুৱাই এপিয়লা চাহ, কণী এটা বা দুটা সিজাই দিবা, বচ্'।"*
>
> *(মলক গুইন গুইন ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬০১)*

**২.৯.১.৯ ইংৰাজ বিষয়া-কৰ্মচাৰীৰ অন্যায়ৰ প্ৰতিবাদ ঃ**

বেজবৰুৱাৰ সমসাময়িক অসমত ইংৰাজসকলে চাহ বাগান পাতিছিল। ওচৰৰ গাঁৱত বসবাস কৰা নাৰীসকলক তেওঁলোকে উপ-পত্নীৰূপে ৰাখিবলৈ চেষ্টা কৰিছিল। মিষ্টাৰ ফিপ্সনৰ (*মিষ্টাৰ ফিপ্সন*) মাক তেনে এগৰাকী নাৰী। তেওঁ পিছত চাহাবে এৰি থৈ যায়। আন এটা গল্পত বাল বিধৱা তিলকাক (*বাপিৰাম*) স্কট চাহাবে চলে-বলে কৌশলে বিয়া কৰাব খোজাত বাপিৰামে প্ৰতিবাদ কৰিছে। তেওঁৰ সাহসৰ বাবে তিলকাৰ সন্মান ৰক্ষা হৈছে। মিষ্টাৰ ফিপ্সনেও অজ্ঞাত চাহাবজনক বিচাৰি ফুৰিছে। বিচাৰি পালে তেওঁ চাহাবক হত্যা কৰিব বুলি গল্পৰ কথকৰ আগত প্ৰকাশ কৰিছে।

**২.৯.২ গ্ৰাম্য সাংস্কৃতিক জীৱনৰ চিত্ৰ ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত অসমীয়া সমাজ জীৱনৰ সাংস্কৃতিক দিশৰ চিত্ৰও প্ৰতিফলিত হৈছে। *বিহু* গল্পটোৰ মাজেৰে বেজবৰুৱাই এই দিশত আলোকপাত কৰিছে। গল্পটোৰ জৰিয়তে তাহানিৰ অসমৰ সৰল গ্ৰাম্য জীৱনৰ ৰঙীয়াল, সজীৱ চিত্ৰখন অপূৰ্বভাৱে, অতিশয় প্ৰত্যয়জনক ভাৱে তুলি ধৰিছে। গছৰ তলত ডেকা-গাভৰুৰ বিহুনাচ, পথাৰত মহযুঁজৰ দৃশ্য, নৈত গা ধুঁৱাবলৈ নিয়া এজাক গৰু, ৰাংঢালী ৰূপহী কথাচহকী গাভৰুহঁতৰ মুক্ত স্বাধীনচিতীয়া কথা-বতৰা এই সকলোবোৰে তাহানিৰ ঈৰ্ষণীয় প্ৰাণ প্ৰাচুৰ্যৰে ভৰপূৰ অসমীয়া গ্ৰাম্য জীৱনক অতিশয় জীৱন্ত কৰি তুলিছে। গল্পটোত ৰঙীয়াল বুঢ়ীগৰাকীৰ সৈতে হোৱা কথকৰ কথা-বতৰাত অসমীয়াৰ জাতীয় উৎসৱটোৰ ভালেমান ৰীতি-নীতি আৰু লোকবিশ্বাস প্ৰকাশ পাইছে—

> *দেউতাইনো আকৌ খংটো কৰিছে কেলৈ? বছেৰেকৰ গৰু বিহুৰ দিনা এই দৰে দুচকল এচকল লাও বেঙেনা গালৈ মাৰিলে, বছেৰেকলৈকে সকলো অপায়-অমঙ্গল গুচে। ... মোৰ বহনাঙ্গ মোৰ দেউতাঙ্গ আহক, এইখিনিতে বহক। ভাজি দিওঁ, পিঠা এডোখৰকে আমাৰ বিহুৱান বুলি খাই যাওঁক। ... আজি বিহুৰ দিনা আপুনি আলহী,*

*আপোনাক এনেই যাবলৈ দিব নোৱাৰো, দিলে গৃহস্থঘৰৰ অধৰম হব।*

*(বিহু ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৪৪-৭৪৫)*

গল্পটোত বেজবৰুৱাই কথকৰ ঘৰত থকা জুৰমন নামৰ লগুৱাটোৰ মুখত এটা বনগীতো দিছে —

*মিকিৰ বৰচাঙতে বজায় বৰেকাঁহী*
*ভৈয়ামত বজাইছে ঢোল।*
*চেঙেলীয়া মনকে বান্ধিবই নোৱাৰি*
*ছিঙে মৰাপাটৰ ডোল।*

*(বিহু ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৪৫)*

বেজবৰুৱাই মাঘবিহুৰ এখন সজীৱ চিত্ৰ অংকন কৰিছে *গীতা* গল্পটোৰ মাজেৰে—

*মাঘৰ বিহুৰদিনা পুৱাই গা ধুই আধাপোৰা মেজি এটাৰ কাষত মুঠাৰ কথ এখনত বহি কাঠৰ হেঙুলীয়া ঠগা এখনৰ ওপৰত সাঁচিপতীয়া শ্ৰীমদ্ভাগৱদ্ গীতা পুথি এখন মেলি লৈ, সুৰ ধৰি ডাঙৰকৈ শ্লোক মাতি তাৰ অৰ্থ ব্যাখ্যা কৰিব লাগিছো; ... আৰু তপত ছাই আৰু পকা আঙঠাৰ ভিতৰত ল'ৰাহঁতে সুমাই দিয়া সমসাময়িক কেঁচা মোৱা আলু, কাঠ আলু আৰু কেঁচা আপইতা বাঁহৰ চুঙাত খুন্দি ঠাঁচি ভৰোৱা বৰা চাউলৰ পিঠাও লগে লগে জুইৰ ভাপত সিজি যাব লাগিছে;*

*(গীতা ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৫৭৯)*

*নকওঁ* গল্পটোত এটা মহ গোৱালে বিলৰ সিপাৰে গোৱা এটা বনগীতৰ উল্লেখ কৰিছে—

*"কেলৈ ফুলিলি ৰূপহী মদাৰ ঐ?*
*কেলৈ পেলালি কলি?*
*গুৰুতো নেলাগে ভকততো নেলাগে,*
*থাক তলে ভৰি সৰি।*

*(নকওঁ ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৫৫-৬৫৬)*

*জাতিৰামৰ জাত* গল্পত বক্তাৰ সমৰ্থনত শ্ৰোতা গৰাকীয়ে এৰা, এৰা বুলি সমৰ্থন কৰি থাকোতে কথকৰ বিয়াহ গোৱা ওজাপালিলৈ মনত পৰিছে। সেয়ে তেওঁ কৈছে—

*মই যোৱাৰ আগৰে পৰা তেওঁৰ কাষত বহি "এৰা এৰা" "হয় হয়" "ঠিক কৈছে" কৈ মূৰ দুপিয়াই, বিয়াহ গোৱা ওজাৰ পালিয়ে ওজাৰ পদৰ পোষকতা কৰি তাল*

*ধৰি থকাদি কেৰৰাম তৰণিয়ে তেওঁৰ গোজৰণিৰ পোষকতা কৰি তাল ধৰিব লাগিছে।*

*(জাতিৰামৰ জাত ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬১৫)*

এনেদৰে বিভিন্ন প্ৰসঙ্গত অসমীয়া সংস্কৃতিৰ বিভিন্ন উপাদান বেজবৰুৱাৰ গল্পৰ মাজেৰে প্ৰকাশ পাইছে। অসমীয়া গাঁৱলীয়া সমাজত সাংস্কৃতিক দিশত বিয়াৰ ভূমিকা অন্যতম। বেজবৰুৱাই *এৰাবাৰী* গল্পত এখন অসমীয়া বিয়াৰ উদুলি-মুদুলি পৰিৱেশৰ বৰ্ণনা কৰিছে—

*সেই বিয়াখন মোৰ আজিলৈকে মনত আছে। ঢোলে-ডগৰে, খোলে-তালে, দোলাই-হাতীয়ে যে কি এখন তমস্যাৰ বিয়া হৈছিল কি কমঙ্গ সাদিনীয়াকৈ পানী তুলি বিয়াখন পাতিছিল।*

*(এৰাবাৰী, বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৭৩১)*

বেজবৰুৱাৰ গল্পত অসমীয়া সমাজৰ সংস্কৃতিৰ প্ৰতিফলন হোৱাৰ লগতে উৰিষ্যাৰ কোল সকলৰ ঘাই উৎসৱ *মাঘপৰৱৰো* চিত্ৰ প্ৰতিফলিত হৈছে *ৰতনমুণ্ডা* গল্পটোৰ মাজেৰে। মাঘপৰবৰ সময়ত কোল সুন্দৰীৰ মুখৰ এটা গীত তেওঁ অসমীয়ালৈ ভাঙনি কৰি লিখিছে —

*গছৰ চৰাই জোৰ ভুৰুঙাই উৰিল।*
*ঘৰত নাই থাকিবৰ মন।*
*মাঘৰ পৰব সখি নাচি আহিল;*
*মোৰনো লগৰীয়া কোন?*

*(ৰতনমুণ্ডা ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৪৯)*

গীতটোৰ বিষয়ে কথকে কৈছে—

*সি সাৰঙ্গো নহয়, গৌৰীও নহয়, সুহায়ো নহয়, ধনশ্ৰীও নহয়, যে ইয়াত লেখি দিওঁ, গায়ন পাঠকে ধৰি টানি নিয়ক। সি সাত ৰাগ ছত্ৰিশ ৰাগিনীৰ ধাপৰো বাজ কুলৰো বাজ। সি বনৰীয়া কোলৰ বনৰীয়া সুৰ।*

*(ৰতনমুণ্ডা ঃ বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৬৪৯)*

বেজবৰুৱাই *আমালৈ নেপাহৰিব* গল্পটোত মৌখিক সাহিত্যৰ আন এটা সমল ব্যৱহাৰ কৰিছে। অসমীয়া গাভৰু গৰাকীয়ে গঙ্গাৰ পাৰত বহি বিনাই গাই থকা *আগলি কলপাত লৰে*

*কি চৰে চিলনী আই মোৰ আগতে পৰে* গীতটো বেজবৰুৱাই *চিলনী জীয়েকৰ সাধুৰ* পৰা লৈছে। বেজবৰুৱাৰ *বিহু, পাতমুগী, মালতী* আদি গল্পত অসমীয়া সমাজৰ বিভিন্ন লোকবিশ্বাসো প্ৰকাশ পাইছে।

বেজবৰুৱাই গল্পৰ মাজেৰে উৎসৱ অনুষ্ঠানৰ বাহিৰেও সাজ-পাৰ, গহনা-গাথৰি, আৰু খাদ্য সম্ভাৰৰ বৰ্ণনাও দিছে। *মলক গুইন গুইনত* তোলন সাজতোলাই পিন্ধা মুগাৰ বৰ চুৰীয়া, এৰিয়াৰ মিৰ্জাই চোলা আৰু খনীয়া কাপোৰ, *ভদৰীত* শিশুৰামৰ তিতা চুৰীয়া, *কেহোঁকলি* গল্পত হাতে বোৱা মুগাৰ ৰিহা, *মাধৈমালতীত* ৰিহা আৰু বৰজাপি ব্যৱহাৰৰ উল্লেখ কৰিছে। *জয়ন্তীত* এগৰাকী অসমীয়া বোৱাৰীয়ে পৰিধান কৰা সাজ-পাৰৰ সুন্দৰ বৰ্ণনা বেজবৰুৱাই দাঙি ধৰিছে জয়ন্তীৰ সাজ-পাৰৰ মাজেৰে। *বিহু, মলক গুইন গুইন, গীতা, ভদৰী* আৰু *যেনে চোৰ তেনে টাঙোন* গল্পত অসমীয়া বিবিধ খাদ্য সম্ভাৰ যেনে-টেঙাৰ আঞ্জা, খুটুৰা ভাজি, কাৰৈ মাছ, চিৰা-সান্দহ, নানা ৰকমৰ পিঠা, পিঠাগুৰি আদিৰ উল্লেখ কৰিছে। বেজবৰুৱাৰ বিভিন্ন গল্পত অসমীয়া আৰু উৰিয়া সমাজৰ নানান লোকবিশ্বাসো প্ৰতিফলিত হৈছে।

**২.৯.৩ অন্ধবিশ্বাস আৰু কু-সংস্কাৰ ঃ**

বেজবৰুৱাৰ সমসাময়িক সমাজ অন্ধবিশ্বাস আৰু কু-সংস্কাৰেৰে পৰিপূৰ্ণ আছিল। জাত-পাত, ধৰ্মৰ নামত সাধাৰণ লোকে অকথ্য শাৰীৰিক, মানসিক নিৰ্যাতন ভুগিছিল। *লম্বোদৰ ডেকা, নিস্তাৰিণী দেৱী বা ফাতেমা বিবি, ধৰ্মধ্বজ ফয়চলা নবিচ, কাশীবাসী, পাতমুগী* আদি গল্পত জাত আৰু ধৰ্মৰ বাবে কৰা অমানৱীয় আচৰণ পৰিলক্ষিত হয়। *সেউতী, দচ্‌মন্তৰ* আদি গল্পতো অন্ধবিশ্বাসৰ পয়োভৰ পৰিলক্ষিত হয়।

**২.৯.৪ পাৰিবাৰিক জীৱনৰ চিত্ৰ ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ মাজেৰে অসমৰ সেই সময়ৰ গাঁৱলীয়া সাধাৰণ জীৱনৰ দৈনন্দিন বাস্তৱতাৰ চিত্ৰখন ফুটি উঠিছে। বেজবৰুৱাৰ *ভদৰী* গল্পটো এই ক্ষেত্ৰত

উল্লেখযোগ্য। *আধুনিকতাই স্পৰ্শ নকৰা অসমীয়া গাঁৱৰ সমাজৰ পাৰিবাৰিক জীৱনৰ ৰুক্ষ-মধুৰ ৰূপ এটা শিশুৰাম ভদৰীৰ কাৰ্যৰ মাজেদি প্ৰকাশ হৈছে। স্বামী-স্ত্ৰীৰ অন্তৰৰ অনিৰ্বাৰ আকৰ্ষণ কিমান সুগভীৰ হ'ব পাৰে, অথচ সেই গভীৰ শ্ৰদ্ধা, একান্ত অনুৰক্তি আৰু অকৃত্ৰিম ভালপোৱা বাহিৰৰ ৰুক্ষতাৰ আৱৰণত কেনেকৈ ঢাক খাই থাকিব পাৰে এই কথাই প্ৰকাশ হৈছে ভদৰী সাধুত।*[৯৩]

গ্ৰাম্য জীৱনৰ আন এটা চিত্ৰ দেখা যায় *যেনে চোৰ তেনে টাঙোন* নামৰ গল্পটোত। ৰূদায়ে তাৰ ঘৈণীয়েকক সদায় অনাহকত মাৰ-কিল কৰে। নামাৰিলে তাৰ সুখ নালাগে। ওচৰ চুবুৰীয়াই হকা-বাধা কৰিলে তাইৰ পিঠিত সেইদিনা মাৰ-কিলৰ পৰিমাণ বাঢ়ি যায়। তথাপি তাই গিৰিয়েকক সুখে সন্তোষে ৰাখিবলৈ যত্ন কৰে। তাইৰ অৱস্থা দেখি পোহাৰী দৈকলঙনি বায়ে তাইক উপযাচি সহায় কৰিবলৈ আহে। বাইৰ বুদ্ধিত ৰাইজে তাক পগলা বুলি বন্ধাই থয়। ভৱিষ্যতে তাইক আৰু মাৰ-কিল নকৰো বুলি প্ৰতিজ্ঞা কৰিলতহে তাই গিৰিয়েকক মোকোলাই দিয়ে।

বেজবৰুৱাৰ *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা, ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ, পুত্ৰবান পিতা, জয়ন্তী, আমাৰ সংসাৰ, জগৰামণ্ডলৰ প্ৰেমাভিনয়, মুক্তি, মাধৈমালতী, প্ৰথম দৰ্শনত ওপজা প্ৰেম* আদি গল্পৰ মাজেৰেও অসমীয়া তথা ভাৰতীয় সমাজৰ চিত্ৰ প্ৰতিফলিত হৈছে। পৰিয়ালৰ প্ৰতিজন সদস্যৰ পৰস্পৰৰ প্ৰতি থকা মৰম-স্নেহ, অসূয়া-অপ্ৰীতি, আদৰ-অৱহেলা আদি এই গল্পবোৰৰ মাজেৰে সুন্দৰভাৱে প্ৰকাশ পাইছে। *মলক গুইন গুইনত* চৰকাৰী চাকৰি কৰি থকা পুতেকক এবাৰ চাবলৈ, এবাৰ ঘৰলৈ আনি এসাজ ভালকৈ খুৱাবলৈ হেঁপাহ কৰা মাক-পিতাকৰ স্নেহ আৰু অপদাৰ্থ, অকৃতজ্ঞ পুত্ৰৰ পিতৃ-মাতৃৰ প্ৰতি অৱহেলাৰ চিত্ৰ বেজবৰুৱাই অংকন কৰিছে। *ভোকেন্দ্ৰ বৰুৱাত* পুতেকৰ উন্নতিত গৰ্বিত মাতৃৰ স্নেহ প্ৰকাশ পাইছে। *পুত্ৰবান পিতা*তো পুতেকহঁতলৈ পিতাকৰ অপৰিসীম স্নেহ

আৰু পুতেক-বোৱাৰীয়েকে পিতাকক কৰা অৱহেলা আৰু নিষ্ঠুৰ ব্যৱহাৰৰ চিত্ৰ দেখিবলৈ পোৱা যায়। *মুক্তি* গল্পটোত ভায়েক সুকুমাৰৰ প্ৰতি ককায়েকৰ দায়িত্ববোধ, ককায়েকলৈ সুকুমাৰৰ শ্ৰদ্ধা আৰু মৰম, সৰু পুতেক সুকুমাৰলৈ মাক-দেউতাকৰ আদৰ প্ৰকাশ পাইছে। *জয়ন্তী* আৰু *সেউতী* গল্প দুটাত জয়ন্তী আৰু সেউতীৰ পতিভক্তি আৰু *চোৰ* গল্পৰ লোকেশ্বৰ বৰুৱাৰ প্ৰথমা পত্নী ইন্দুমতীৰ পতিভক্তি আৰু স্নেহ প্ৰকাশ পাইছে। *ভদৰী, ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ, জগৰা মণ্ডলৰ প্ৰেমাভিনয়* গল্প কেইটাত ভদৰী, ডিম্বধৰ বৰুৱা মনচুপৰ ঘৈণীয়েক আৰু জগৰা মণ্ডলৰ ঘৈণীয়েকৰ বাহ্যিক খহটা ৰূপৰ তলত গিৰিয়েকলৈ লুকাই থকা মৰম-স্নেহ প্ৰকাশ পাইছে। বেজবৰুৱাৰ প্ৰায়বোৰ গল্পতে বিশেষকৈ গ্ৰাম্য জীৱনক লৈ ৰচনা কৰা গল্পবিলাকৰ মাজেৰে পাৰিবাৰিক জীৱনৰ চিত্ৰ ফুটি উঠা দেখিবলৈ পোৱা যায়।

**২.৯.৫ বেজবৰুৱাৰ সমকালীন অসমীয়া পৰিয়ালত লগুৱাৰ ভূমিকা ঃ**

অসমীয়া প্ৰায়বোৰ পৰিয়ালতে ঘৰুৱা ভৃত্য বা লগুৱাৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। পুৰণি লগুৱা ঘৰৰ পৰিয়ালৰে এজন হৈ পৰিছিল। আপদে-বিপদে নিজৰ জীৱনলৈ বিপদ মাতিও গৃহস্থক আসন্ন বিপদৰ পৰা তেওঁলোকে ৰক্ষা কৰে। *বাপিৰাম* গল্পৰ বাপিৰাম ভুধৰ খাটনিয়াৰৰ ঘৰৰ তেনে এজন পুৰণি লগুৱা। তেওঁ তিনিবছৰ ফাটেক খাটিও মালিকৰ জীয়েক তিলকাক চাহাবৰ হাতৰ পৰা বচাই বংশ পৰিয়ালৰ মান-সন্মান ৰক্ষা কৰিছিল। *ধোঁৱাখোৱা, ভেমপুৰীয়া মৌজাদাৰ আৰু ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ* গল্পত কেইবাজনো লগুৱাৰ বিষয়ে উল্লেখ আছে। *বাৰীচোৰা* আৰু *ভৈৰা* গল্পতো কথকৰ ঘৰত থকা বিভিন্ন গুণ-দোষেৰে বিভূষিত লগুৱা কেইজনৰ বৰ্ণনা পোৱা যায়।

**২.৯.৬ সমাজত নাৰীৰ স্থান ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ সমকালীন সমাজত নাৰীৰ স্থান সুৰক্ষিত নাছিল। পাৰিবাৰিক জীৱনত নাৰীৰ স্থান যে সন্মানজনক নাছিল সেই কথা বেজবৰুৱাৰ কেইবাটাও গল্পৰ জৰিয়তে

জানিব পাৰি। অতি সাধাৰণ কথাতে পুৰুষে নাৰীক প্ৰহাৰ কৰি নিজৰ ক্ষমতা দেখুওৱা স্বভাৱ সাধাৰণ মানুহৰ লগতে উচ্চ শ্ৰেণীৰ মানুহৰ মাজতো যে আছিল সেয়া স্পষ্ট হৈ উঠিছে *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ* গল্পত। গল্পটোত ডিম্বধৰ বৰুৱা হাকিম ডাঙৰীয়া অফিচলৈ যাবলৈ ওলাই সাধাৰণ কথাতে ঘৈণীয়েকক পুতেক-বোৱাৰীহঁতৰ আগতে প্ৰহাৰ কৰিবলৈ গৈ নিজে নাগুৰ-নাগতি হৈছে। *যেনে চোৰ তেনে টাঙোন* গল্পত ৰুদৰামে ঘৈণীয়েকক অনাহকতে মাৰ-কিল কৰি বৰমতা দেখুৱায়। *ভদৰী* গল্পটো শিশুৰামৰ ভদৰীৰ প্ৰতি ব্যৱহাৰ অতি ৰুক্ষ। বাহিৰতে উঠি অহা খঙৰ পোতক ভদৰীক মাৰ-কিলেৰে তোলে। *ৰচিত* গল্পত উচ্চ পদমৰ্যদাৰ হাকিম স্বামীয়ে শিক্ষিতা পত্নী বৃন্দাক শাৰীৰিকভাৱে নিৰ্যাতন দিয়েই এৰা নাই, বৃন্দাৰ উপস্থিতিতে দ্বিতীয়গৰাকী পত্নী আনি ঘৰ সুমুৱাইছে আৰু বৃন্দাক খেদি দি তাইৰ কোলাৰ কেঁচুৱা কাঢ়ি দ্বিতীয় গৰাকীৰ হাতত তুলি দিছে। *ললিতী কাকতী* গল্পতো হাকিম স্বামীৰ অকথ্য শাৰীৰিক, মানসিক নিৰ্যাতন সহ্য কৰিব নোৱাৰি ললিতী পিতৃগৃহলৈ ঘূৰি আহিছে। পিছত হাকিম স্বামীয়ে আন এজনী বিয়া কৰাই ললিতীৰ দৰে খেদি পঠিয়াইছে আৰু পিছত সেই গৰাকীকো খেদি দি তৃতীয় গৰাকীক বিয়া কৰাবলৈ আয়োজন কৰিছে। *পাতমুগীত* বামুণৰ ল'ৰাই প্ৰেমৰ অভিনয় কৰি পাতমুগীক বিয়া কৰাইছে। এবছৰ পিছতে সি মনে মনে তাইক এৰি থৈ নিজৰ ঘৰলৈ গৈ জাতত উঠি নিজৰ জাতৰ ছোৱালী বিয়া কৰাইছেগৈ। বেজবৰুৱাৰ *সেউতী, মালতী, দঢ়মন্তৰ, এৰাবাৰী, লাওখোলা, আমালৈ নেপাহৰিব* আৰু *শিৱপ্ৰসাদ* গল্পতো নাৰীসকল বিভিন্ন ধৰণে নিৰ্যাতিত হৈছে। পুৰুষপ্ৰধান সমাজত পুৰুষৰ প্ৰৱঞ্চনাৰ বলি হোৱাৰ উপৰিও নাৰী সকলেই বহু সময়ত নাৰী নিৰ্যাতনত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। *সেউতী* গল্পৰ বাইশাহু আৰু শাহুৱেকগৰাকী ইয়াৰ সুন্দৰ উদাহৰণ।

### ২.৯.৭ বাল্য বিবাহ ঃ

লক্ষ্মীনাথ বেজবৰুৱাৰ সমসাময়িক সমাজত সৰুতে ছোৱালী বিয়া দিয়া কু-প্ৰথাও প্ৰচলিত আছিল। বাল্য বিবাহে বহুতো কম বয়সীয়া নাৰীৰ জীৱন ধ্বংস কৰিছিল। বেজবৰুৱাই বাল্য বিবাহৰ এই নেতিবাচক দিশটোও উদঙাই দেখুৱাইছে *সেউতী, আমাৰ সংসাৰ-১, লাওখোলা* আৰু *বাপিৰাম* গল্পৰ মাজেৰে। *সেউতী* গল্পত ন বছৰীয়া সেউতীক বিয়া দিয়াৰ পিছতে গিৰিয়েকৰ ঘৰেৰে সম্বন্ধ লগা বুলি গুজব ওলায়। ফলস্বৰূপে তাইক দৰাঘৰে খেদি পঠিয়ায়। মাক আৰু বায়েকে সেউতীৰ গিৰিয়েকৰ দ্বিতীয় বিবাহ কৰায় দিয়ে। কেই বছৰমান পিছত সেউতী কিছু বুজা হোৱাত আইনৰ সহায় লৈ তাই গিৰিয়েকৰ ঘৰলৈ ঘূৰি যায়। কিন্তু গিৰিয়েকৰ ঘৰত তাইৰ স্থান হয় ঢেঁকীশালতহে। শাহুৱেক আৰু বাইশাহুৱেকৰ অকথ্য যন্ত্ৰণা, কাম-বনৰ হেঁচাই সেউতীলৈ গিৰিয়েকৰ মনৰ ঠাই উলিয়াই দিলে। পৰিয়ালৰ লোকৰ অজ্ঞাতে সিহঁতৰ মিলন হ'ল। এই কথা বেছিদিন গোপনে নাথাকিল। শাহুৱেক আৰু বায়েকে এই কথা গম পোৱাৰ পিছত ভাতৰ লগত বিষ দি সেউতীক হত্যা কৰে। সেউতীৰ মৃত্যুৰ পিছত সিহঁতৰ সম্বন্ধ লগা কথাটো মিছাহে আছিল বুলি প্ৰচাৰ হয়।

*আমাৰ সংসাৰ-১* গল্পটোত নাবালিকা পত্নীক ডেকা কবি ডম্বৰুধৰে ৰোমাণ্টিক ধৰণেৰে শকুন্তলা, আফিলিয়া, মিৰাণ্ডা আদি নাম দি প্ৰেম নিবেদন কৰোতে তাই ভয় খাই গিৰিয়েক বলিয়া হোৱা বুলি শাহুৱেকৰ ওচৰ পায়গৈ। ওমলি থকা বয়সতে বিয়া দিয়া বাবে এই দুয়োটা গল্পৰে নাৰী চৰিত্ৰ দুটাৰ জীৱনলৈ কৰুণ পৰিণতি নামি আহে। *লাওখোলা* গল্পতো নলিনী নামৰ নাৰীগৰাকীক বিয়া কি জনা নহওতেই বিয়া দিয়াত অকালতে বিধৱা হয়। পিছত জেঠালেকৰ হাতত নিৰ্যাতিত হৈ অতি কৰুণভাৱে মৃত্যুক সাৱটি ল'ব লগা হয়।

*বাপিৰাম* গল্পৰ তিলকাও বাল্য বিবাহৰ বলি হৈছে। সৰুতে বিধৱা হোৱা বাবে তেওঁ পিছত অনাহুত সমস্যাৰ সন্মুখীন হৈছে।

**২.৯.৮ বহু বিবাহৰ প্ৰচলন ঃ**

বেজবৰুৱাৰ সমসাময়িক সমাজত বহু বিবাহৰ প্ৰচলন আছিল। এগৰাকী পত্নীৰ জীৱিত অৱস্থাতে পুৰুষে আন এগৰাকী বিয়া কৰোৱাত একো বাধা নাছিল। বহু বিবাহৰ বাবে সমাজত আহুকালৰ সৃষ্টি হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাই কেইবাটাও গল্পত এই দিশ প্ৰতিফলিত কৰিছে। *সেউতী, চোৰ, ৰচিত, ললিতী কাকতী, পাতমুগী* আৰু *ভোমকেৰোলা* গল্পত দ্বিতীয়, তৃতীয় বিবাহ কৰোৱাত কেইবাজনো পুৰুষে সমাজৰ পৰা কোনো বাধাৰ সন্মুখীন হোৱা নাই।

**২.৯.৯ বিধৱা সকলৰ সামাজিক নিৰাপত্তাহীনতা ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত সেই সময়ৰ এটা প্ৰধান সমস্যা বিধৱাসকলৰ সামাজিক নিৰাপত্তাৰ সমস্যাও চিত্ৰিত হৈছে। *বাপিৰাম* গল্পত বাল বিধৱা ভতিজাক তিলকাক জাতকুল মাৰি বাগানৰ চাহাবক দিব খুজিছে ভূধৰ বৰ মহৰীয়ে। তিলকাক কোলাত তুলি ডাঙৰ-দীঘল কৰা ঘৰুৱা লগুৱা বাপিৰামে কিন্তু সেই কাম সমাধা হ'বলৈ নিদিলে। সি বৰ চাহাবক আহত কৰি থৈ আহি নিজে পুলিচক ধৰা দিছে। *লাওখোলা* গল্পতো এগৰাকী বাল বিধবাৰ কৰুণ কাহিনী বৰ্ণনা কৰা হৈছে। বিধবা গৰাকীক জেঠালে সম্ভোগ কৰি অৱশেষত হত্যা কৰি পুখুৰীত পেলাই দি সমাজত ডাঙৰ মানুহ হৈ আছে। *এৰাবাৰী* গল্পতো বিধৱা সৰুবৌক গাঁৱৰে এগৰাকী ডেকা ভোগ দত্তই '*সাংসাৰিক সুখৰ অবৈধ স্পৃহা জগায়*'[১৪] অবাটে নি পাপৰ বোকাত পেলালে। এই অপবাদৰ পৰা ৰক্ষা পাবলৈ সৰুবৌৱে আত্মহত্যা কৰিব লগা হ'ল। সৰুবৌৰ মৃত্যুৰ পিছত ভোগ দত্তই ভাল কুলৰ ছোৱালী এজনী বিয়া কৰালে আৰু সমাজত ভাল মানুহ হৈ থাকিল। সৰুবৌৱে কিন্তু সুবিচাৰ নাপালে।

**২.৯.১০ ঘৰজোঁৱাই ঃ**

অসমীয়া তথা ভাৰতীয় সমাজ ব্যৱস্থা পিতৃ প্ৰধান। সেয়ে বিয়াৰ পিছত কইনা স্বামীৰ ঘৰলৈ যায় যদিও বেজবৰুৱাৰ সমসাময়িক সমাজত কেতিয়াবা কেতিয়াবা কোনো যুৱক ঘৰজোঁৱাই হৈ আছিল বুলি জানিব পাৰি। *পাতমুগী* গল্পত বামুণৰ ল'ৰা এজনে আলতী বাইৰ জীয়েক পাতমুগীক বিয়া কৰোৱাৰ পিছত আলতী বাইৰ ঘৰতে ঘৰজোঁৱাই হৈ আছিল।

**২.৯.১১ নাৰী ব্যৱসায় ঃ**

অন্য সামগ্ৰীৰ দৰে সেই সময়ত নাৰীসকলক বিক্ৰী কৰাও হৈছিল। কেইটামান টকাৰ লোভত স্বামীয়ে স্ত্ৰীক বিক্ৰী কৰি দিয়াৰ কাহিনী বেজবৰুৱাৰ *শিৱপ্ৰসাদ* আৰু *আমালৈ নেপাহৰিব* গল্পৰ মাজেৰে চিত্ৰিত হৈছে। *শিৱপ্ৰসাদ* গল্পটোত ঘৈণীয়েক লছমীয়াক শিৱপ্ৰসাদে কেইটামান টকাৰ কাৰণে কুলি ডিপোত বিক্ৰী কৰি দিয়ে। *আমালৈ নোপাহৰিব* গল্পটোত এটা উৰিষ্যাৰ পাণ্ডাৰ ল'ৰাই অসমীয়া ছোৱালী এজনী বিয়া কৰাই শহুৰেকৰ ঘৰলৈ লৈ যাম বুলি কৈ কুলি ডিপোত বিক্ৰী কৰি দিয়াৰ কাহিনী চিত্ৰিত হৈছে। পিছত গল্পৰ কথকে এইগৰাকী গাভৰুক উদ্ধাৰ কৰে।

**২.৯.১২ যৌতুকৰ প্ৰচলন ঃ**

অসমীয়া সমাজত যৌতুক প্ৰথাৰ প্ৰচলন নাই। এই প্ৰথা অসমীয়া সমাজত নিন্দনীয় আছিল যদিও বেজবৰুৱাৰ সমকালনী সমাজত এচাম নষ্ট চৰিত্ৰৰ ব্যক্তিয়ে যৌতুক দিয়া আৰু লোৱা কাৰ্যৰ উল্লেখ কৰিছে *ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা* গল্পটোত। ভোকেন্দ্ৰ বৰুৱাই তেওঁৰ শহুৰেক শগুণবাহী মৌজাৰ মৌজাদাৰ নোমল চন্দ্ৰ বৰুৱাৰ পৰা যৌতুক দাবী কৰিছে। *দূতৰ মুখে ভোকেন্দ্ৰই নোমল মৌজাদাৰলৈ সমিধান দি পঠিয়ালে যে, বিয়াৰ 'খৰচ-খৰ্চ্চাৰ' উপৰি ৫০০ টকা নগদ ৰূপ তেওঁৰ যৌতুক দিলেহে তেওঁ নোমল নন্দিনীৰ পাণি গ্ৰহণ কৰিব।*[৯৫] *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ* গল্পতো বিদ্যাৰাম উকীলৰ শহুৰেকে

জীয়েকৰ লগত *লোটা-বাতি, কাঁহী-কলহ গোটাচেৰেক* [৯৬] দিয়াৰ উল্লেখ আছে। বেজবৰুৱাৰ *ৰতনমুণ্ডা* গল্পত কোল সমাজত কইনাৰ ঘৰে দৰাঘৰৰ পৰা *দাওৱা* [৯৭] বা *দৰ* বিচৰাৰ নিয়মৰ কথা উল্লেখ কৰিছে। ৰতনৰ দেউতাকে জুমুৰীৰ দেউতাকক বিচৰামতে দাওৱা দিব নোৱাৰাৰ বাবে *পান* [৯৮]ৰ দিনাই সিহঁতৰ হ'ব লগা বিয়াখন ভাঙিল।

### ২.৯.১৩ শিক্ষা ব্যৱস্থা ঃ

বেজবৰুৱাৰ সমসাময়িক অসমত শিক্ষা ব্যৱস্থা উন্নত নাছিল। অসমীয়া ছাত্ৰৰ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যাব লাগিছিল। অৱশ্যে প্ৰাথমিক আৰু উচ্চ মাধ্যমিক ব্যৱস্থাৰ প্ৰচলন হৈছিল। কিন্তু আদৰ্শ শিক্ষা ব্যৱস্থা প্ৰচলন হোৱা নাছিল। কেতিয়াবা শিক্ষকৰ হাতত আৰু কেতিয়াবা অভিভাৱকৰ দ্বাৰা ছাত্ৰ কঠোৰ শাৰীৰিক শাস্তিৰ সন্মুখীন হৈছিল। স্ত্ৰী শিক্ষাৰ আৰম্ভণি হৈছিল। *পণ্ডিত মহাশয়, মুক্তি, ললিতী কাকতী* আৰু *ৰচিত* গল্পত অসমৰ শিক্ষা ব্যৱস্থাৰ এখন বাস্তৱ চিত্ৰ প্ৰতিফলিত হৈছে।

## ২.১০ উপসংহাৰ ঃ

অসমীয়া সাহিত্যত চুটিগল্পৰ জন্ম হয় লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। *জোনাকী কাকতত* বেজবৰুৱাই তেওঁৰ প্ৰথম চুটিগল্প *সেউতী* প্ৰকাশ কৰে। বেজবৰুৱাই মুঠ ৬৭টা গল্প ৰচনা কৰে। বেজবৰুৱাৰ গল্পত ঊনবিংশ শতিকাৰ ভাৰতীয় সমাজৰ প্ৰতিফলন ঘটিছে। সমসাময়িক সমাজৰ বিভিন্ন সমস্যাক তেওঁৰ গল্পৰ বিষয়বস্তুৰূপে গ্ৰহণ কৰিছিল। সাধাৰণ মানুহৰ হাঁহি-কান্দোন, আবেগ-অনুভূতি আৰু প্ৰেম-প্ৰণয়ো তেওঁৰ গল্পত ৰূপায়িত হৈছে। অসমীয়া সমাজৰ সৰু-বৰ সকলো লোকৰ চৰিত্ৰ তেওঁ অতি আন্তৰিকতাৰে গল্পসমূহত অংকন কৰিছে। উৰিষ্যা আৰু কলিকতাত বেজবৰুৱাই লগ পোৱা ভিন্ন ব্যক্তিত্বৰ ভালেমান লোকেও বেজবৰুৱাৰ গল্পৰ চৰিত্ৰৰূপে ভুমুকি মাৰিছে।

বেজবৰুৱাৰ সকলো গল্পৰ কলা-কৌশল একে নহয়। বেজবৰুৱাৰ কিছুমান গল্প সমাজ সংস্কাৰমূলক। এইবোৰ গল্পত ব্যঙ্গ ৰসৰ প্ৰাচুৰ্য্য দেখিবলৈ পোৱা যায়। কেৱল হাস্যৰসাত্মক গল্পও বেজবৰুৱাই ৰচনা কৰিছে।

বেজবৰুৱাই তেওঁৰ গল্পত সমসাময়িক ভাৰতীয় সমাজৰ বিশেষকৈ অসমীয়া, উৰিয়া আৰু কলিকতীয়া সমাজৰ বাস্তৱ চিত্ৰ অংকন কৰিছে। তেওঁৰ সকলো গল্পত আধুনিক চুটিগল্পৰ বৈশিষ্ট্য প্ৰতিফলিত হোৱা নাই যদিও আধুনিক অসমীয়া চুটিগল্পৰ স্ৰষ্টাৰূপে তেওঁ অসমীয়া সাহিত্যত সদায় স্মৰণীয় হৈ থাকিব।

**পাদটীকা ঃ**

১।  নগেন শইকীয়া (সম্পাঃ) ঃ *জোনাকী*, ভূমিকা, পৃষ্ঠা ঃ ৪৩

২।  হীৰেন গোহাঁই ঃ *কালান্তৰৰ দোমোজাত বেজবৰুৱা*, পৃষ্ঠা ঃ ৮৭

৩।  শৈলেন ভৰালী ঃ *অসমীয়া সাহিত্যত বেজবৰুৱাৰ গুৰুত্ব, সাতসৰী*, দশম বছৰ, দ্বাদশ সংখ্যা, জুলাই, ২০১৫, পৃষ্ঠা ঃ ৭৪-৭৫

৪।  অতুল চন্দ্ৰ হাজৰিকা (সম্পাঃ) ঃ *বেজবৰুৱা গ্ৰন্থাৱলী*, প্ৰথম খণ্ড, জোৰণি, পৃষ্ঠা ঃ (ছ)

৫।  মিনতি শৰ্মা ঃ *জোনাকী যুগৰ অধিনায়ক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা*, পৃষ্ঠা ঃ ৭০

৬।  পৰাগ কুমাৰ ভট্টাচাৰ্য ঃ *গল্পৰ প্ৰসঙ্গ আৰু অসমীয়া গল্প সাহিত্য*, পৃষ্ঠা ঃ ২০৬

৭।  মিনতি শৰ্মা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭২

৮।  ৰামমল ঠাকুৰীয়া ঃ *সাহিত্য বিচাৰ*, পৃষ্ঠা ঃ ১৭২

৯।  Bhaben Baruah ঃ *Lakhminath Bezbaruah's short stories*. Maheswar Neog (Ed.), P. 72

ঃ *Lakhminath Bezbaruah, Sahitra Rathi of Assam*. P. 72

১০। শৈলেন ভৰালী ঃ *জোনাকী যুগৰ চুটিগল্প*, অপূৰ্ব বৰা (সম্পাঃ) অসমীয়া চুটিগল্পৰ ঐতিহ্য আৰু বিৱৰ্তন, পৃষ্ঠা ঃ ৩১

১১। মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃষ্ঠা ঃ ৩০

১২। যমুনা শৰ্মা চৌধুৰী ঃ *চুটিগল্প*, পৃষ্ঠা ঃ ৪২

১৩। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩১

১৪। শৈলেন ভৰালী, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩২

১৫। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩২

১৬। যমুনা শৰ্মা চৌধুৰী, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৫

১৭। পৰাগ কুমাৰ ভট্টাচাৰ্য, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২০০

১৮। অতুল চন্দ্ৰ হাজৰিকা (সম্পাঃ) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬০০

১৯। হৃদয়ানন্দ গগৈ (সম্পাঃ) ঃ *লক্ষ্মীনাথ বেজবৰুৱা গল্প সংগ্ৰহ*, ভূমিকা, পৃষ্ঠা ঃ ৩১

২০। উল্লিখিত গ্ৰন্, পৃষ্ঠা ঃ ৩১

২১। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩২

২২। অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৭৩৬

২৩। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৭০৫-৭০৬

২৪। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৭০৬

২৫। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৫৯১

২৬। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৫৯১

২৭। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৫৯২

২৮। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৬২০

২৯। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৬২০

৩০। প্রহ্লাদ কুমাৰ বৰুৱা, পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৩৮

৩১। অতুল চন্দ্র হাজৰিকা, পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৬৪৫

৩২। যমুনা শৰ্মা চৌধুৰী, পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৩৬

৩৩। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৩৬

৩৪। হৃদয়ানন্দ গগৈ, পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ .৩৬

৩৫। উদয় দত্ত, পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ১৮

৩৬। শৈলেন ভৰালী, পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৭৬

৩৭। অতুল চন্দ্র হাজৰিকা, পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৬৭২

৩৮। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৬৭২

৩৯। মদন শৰ্মা, পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৮৫

৪০। উদয় দত্ত ঃ পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ২৩

৪১। প্রহ্লাদ কুমাৰ বৰুৱা ঃ *অসমীয়া চুটি গল্পৰ অধ্যয়ন*, পৃষ্ঠা ঃ ৩৫

৪২। যমুনা শৰ্মা চৌধুৰী ঃ পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৩৭

৪৩। উল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৩৭

৪৪। মদন শৰ্মা ঃ *লক্ষ্মীনাথ বেজবৰুৱাৰ সৃজন আৰু মনন*, পৃষ্ঠা ঃ ৭৬

৪৫। অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ৬৭২

৪৬। পৰাগ কুমাৰ ভট্টাচাৰ্য ঃ পূর্বোল্লিখিত গ্রন্থ, পৃষ্ঠা ঃ ২০১

৪৭। উল্লিখিত গ্রন্থ ঃ পৃষ্ঠা ঃ ২০১

৪৮। যমুনা শৰ্মা চৌধুৰী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪০

৪৯। অতুলানন্দ গোস্বামী ঃ *কথা গুৱাহাটী*, ফেব্ৰুৱাৰী-মাৰ্চ ২০০৮, পৃষ্ঠা ঃ ২০

৫০। অতুল চন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬২৫

৫১। পৰাগ কুমাৰ ভট্টাচাৰ্য ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৯৯

৫২। উদয় দত্ত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৮

৫৩। প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৪

৫৪। উদয় দত্ত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬৩

৫৫। হৃদয়নন্দ গগৈ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ (পাতনি), পৃষ্ঠা ঃ ১২

৫৬। অঞ্জল বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১১৮

৫৭। হৃদয়নন্দ গগৈ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬৪

৫৮। অঞ্জল বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১১৮

৫৯। অতুল চন্দ্ৰ হাজৰিকা (সম্পাঃ) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬০০ (*মলক গুইন গুইন*)

৬০। উল্লিখিত গ্ৰন্থ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭২০ (*ভোকেন্দ্ৰ বৰুৱা*)

৬১। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭২২

৬২। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭২২

৬৩। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭২৮

৬৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭২৪

৬৫। হৃদয়ানন্দ গগৈ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ (পাতনি), পৃষ্ঠা ঃ .৩৩

৬৬। উল্লেখিত গ্ৰন্থ, (পাতনি), পৃষ্ঠা ঃ .৩৩

৬৭। অতুল চন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৩৭

৬৮। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬৭৮

৬৯। *মেচৰ বন কৰা ছোৱালী বা মহিলা* (*নাঙলু চন্দ্ৰ*)

৭০। প্ৰফুল্ল কটকী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৪

৭১। *নাৱৰ ভাড়া* (*ধোঁৱাখোৱা*)

৭২। প্ৰহ্লাদ কুমাৰ বৰুৱা, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৮

৭৩। অতুল চন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬৪৫ (*ভদৰী*)

৭৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬৪৫ (*ভদৰী*)

৭৫। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬৪৫ (*ভদৰী*)

৭৬। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬০৩ (*জয়ন্তী*)

৭৭। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৫৪ (*ললিতী কাকতী*)

৭৮। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৫৭ (*পাতমুগী*)

৭৯। অঞ্জল বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১২৬

৮০। অতুল চন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৫৯ (*পাতমুগী*)

৮১। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৫৯ (*পাতমুগী*)

৮২। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৪৫ (*বিহু*)

৮৩। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩১

৮৪। উদয় দত্ত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭

৮৫। অঞ্জল বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭১

৮৬। মদন শৰ্মা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭৫

৮৭। কাব্যশ্ৰী গোস্বামী ঃ *অসমীয়া গদ্য সাহিত্যৰ ধাৰা*, পৃষ্ঠা ঃ ৭৪০

৮৮। হৃদয়ানন্দ গগৈ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১১

৮৯। অতুল চন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৮৬ (*বাপিৰাম*)

৯০। মদন শৰ্মা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭১

৯১। অতুল চন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৮৭ (*বাপিৰাম*)

৯২। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬০২ (*ভোকেন্দ্ৰ বৰুৱা*)

৯৩। বিশ্বনাৰায়ণ শাস্ত্ৰী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭২

৯৪। অতুল চন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৩২ (*এৰাবাৰী*)

৯৫। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭২৫ (*ভোকেন্দ্ৰ বৰুৱা*)

৯৬। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৮৪ (*ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ*)

৯৭। *দাওৰা* ঃ উৰিষ্যাৰ কোলমুণ্ডা সমাজত দৰাঘৰে ছোৱালীৰ দেউতাকক দিব লগা গা-ধন বা দৰ।

৯৮। *পান* ঃ বিয়াৰ দিন-বাৰ ঠিক কৰা অনুষ্ঠান।